● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



ইতিহাস সৃষ্টি কৰিব নোৱাৰিলে আপুনি জীয়াই থকাৰ কোনো অৰ্থ নাই আৰু ইতিহাস ৰচাৰ সৰ্বোৎকৃষ্ট পথটো হৈছে আনক সহায় কৰাটোৱে।

ডেমি ল'ভাট'
*আমেৰিকাৰ গায়িকা*

www.dainikagradoot.in

৫ উত্তৰ প্ৰদেশক তিনি ভাগ কৰা উচিত
১৫ এদিনীয়াত এহেজাৰ ৰাণ শ্ৰেয়াছ আয়াৰৰ
৪ দুৰ্নীতি আৰু দুঃশাসন যমজ সন্তান

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮৪তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৭ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৪ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 24 July 2022 মূল্য ঃ ৯.০০ টকা

## প্ৰায় নিৰপেক্ষ

ধীমান সিন্‌হাৰ পষেকীয়া কলম

### (১) নিঃশব্দতাৰ ভাষা



নিঃশব্দতাৰ ভাষা কʼবলৈ বা বুজিবলৈ যথেষ্ট ঠাই লাগে। মনৰ ভিতৰত আৰু মনৰ বাহিৰত। প্ৰায় মনগহনৰ অৰণ্য আৰু বাহিৰৰ অৰণ্যৰ প্ৰয়োজনীয়তাৰ দৰে। কিছু বছৰ ধৰি কলম লেখি মাজে মাজে শব্দৰ প্ৰয়োজনীয়তা অনুভৱ কৰোঁ। সেয়া যতি বা বিৰতিৰ প্ৰয়োজন নহয়, বৰঞ্চ বাংময় বা ঐকান্তিক শব্দ বা পটভূমিৰ সন্ধান। বিস্তাৰ অবিহনে অৰ্থই পূৰ্ণতা নাপায়; কিন্তু সফল গদ্যৰ বিস্তাৰ হʼব ১০ পৃষ্ঠাত চাওক

■ প্ৰতিটো নিৰ্বাচনত মুখ থেকেচা খোৱাৰ পাছত সভাপতি ভূপেন বৰা ■ বিধায়িনী দলৰ বাহিৰে-ভিতৰে শাসক দলৰ এজেণ্ট ■ দলৰ ভিতৰত আলোচনাও বন্ধ কৰিব লাগিব ■ হাইকমাণ্ডক জনাব

# কংগ্ৰেছত 'ছদ্মবেশী বিজেপি'ৰ ভিৰ

**ষ্টাফ ৰিপʼৰ্টাৰ**

**গুৱাহাটী, ২৩ জুলাই ঃ** দলক নিয়ন্ত্ৰণত ব্যৰ্থ হৈছে ভূপেন বৰা। সভাপতিৰ দায়িত্ব লৈ অসম প্ৰদেশ কংগ্ৰেছক নতুন গতি দিব বুলি ঘোষণা কৰা বৰাৰ নেতৃত্বত পৰিৱেশ তাৰ বিপৰীতহে হৈছে। সাধাৰণ নেতা-কৰ্মী বাদেই, দলক নেতৃত্ব দিয়া সকলৰ মাজতো অনেকে বৰাৰ নিৰ্দেশ পালন কৰিবলৈ প্ৰস্তুত নহয়। সেয়েহে বৰাই দায়িত্ব লোৱাৰ পাছতো ইটোৰ পাছত সিটোৰ নিৰ্বাচনত অসমত কংগ্ৰেছে মুখথেকেচা খাইছে, নেতৃত্বৰ সিদ্ধান্তৰ বিৰুদ্ধে গৈছে ইজনৰ পাছত সিজন নেতা। ইমানদিনে এই বিষয়বোৰ থাপি-থুপি থৈ নিজৰ নেতৃত্বৰ স্বৰূপ ঢাকি ৰাখিবলৈ চেষ্টা কৰা ভূপেন বৰাৰ সদ্যসমাপ্ত ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত শেষ ৰক্ষা নহʼল। যাৰ বাবে তেওঁ নিজেই স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে কংগ্ৰেছৰ কমেও ছজন বিধায়কে এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুকহে ভোটদান কৰে। মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই দাবী কৰা অনুসৰি নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি মুৰ্মুৱে কংগ্ৰেছৰ ১৫-১৬ জন বিধায়কৰ ভোট অসমত লাভ কৰে। মুখ্যমন্ত্ৰীৰ সেই দাবীক বৰাই উপেক্ষা কৰাৰ চেষ্টা ১০ পৃষ্ঠাত চাওক



*প্ৰখৰ গ্ৰীষ্মৰ দহনত তৃষ্ণা নিবাৰণ, মহানগৰীত শনিবাৰে।*

**শ্ৰীনগৰৰ পৰা মটৰ চাইকেল ৰেলীৰে যাত্ৰা**

## লাডাখত ত্ৰিৰংগা উৰুৱাব বিজেপিৰ যুৱ মৰ্চাই

**ষ্টাফ ৰিপʼৰ্টাৰ**

**গুৱাহাটী, ২৩ জুলাই ঃ** ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে দেশে উদ্‌যাপন কৰি থকা 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি অহা ২৫ জুলাইত কাৰ্গিলত ত্ৰিৰংগা উত্তোলন কৰিব বিজেপি যুৱ মৰ্চাই। ইতিমধ্যে এই কাৰ্যসূচীৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে অনুমতি প্ৰদান কৰিছে আৰু যুৱ মৰ্চাৰ দুই পৃষ্ঠাত চাওক

## মইনা নায়কৰ স্বাস্থ্যৰ দ্ৰুত উন্নতি হৈছে ঃ স্বাস্থ্যমন্ত্ৰী মহন্ত

নগাঁৱত সৰ্বাধিক উপদ্ৰৱ জাপানী এনকেফেলাইটিছৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৩ জুলাই ঃ** 'জাপানীজ এনকেফেলাইটিছ আমাৰ নগাঁৱতেই আটাইতকৈ বেছি হৈছে। প্ৰথমে আমি মেডিকেল কলেজ হাস্পতাল বিলাকত ইয়াৰ চিকিৎসাৰ ব্যৱস্থা কৰিছিলোঁ। শেহতীয়াভাৱে ১০খন জিলা ১০ পৃষ্ঠাত চাওক

**সকলো শেষ, মান-সন্মান সকলো ধ্বংস হʼল ঃ ভাগি পৰিল প্ৰভাৱশালী পাৰ্থ চেটাৰ্জী**

২৭ ঘণ্টা জেৰাৰ সন্মুখীন তৃণমূল নেতা ■ সহযোগী অৰ্পিতাৰ ঘৰত উদ্ধাৰ টকাৰ পাহাৰ

## ২১ কোটি উদ্ধাৰৰ পাছত গ্ৰেপ্তাৰ মন্ত্ৰীক





■ **নিউজ ব্যুৰʼ**

**কলকাতা, ২৩ জুলাই ঃ** গ্ৰেপ্তাৰ হোৱাৰ পাছত ভাগি পৰিছে পশ্চিমবংগৰ মন্ত্ৰী পাৰ্থ চেটাৰ্জীয়ে। কালি ওৰে নিশা সোধপোছ কৰাৰ পাছত তেওঁক আজি প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)-এ গ্ৰেপ্তাৰ কৰে। পাৰ্থৰ সহযোগী অৰ্পিতা মুখাৰ্জীৰ বাসগৃহৰ পৰা ২১ কোটি টকা উদ্ধাৰ হোৱাৰ পাছত ইডিৰ জেৰাৰ সন্মুখীন আৰু অৱশেষত গ্ৰেপ্তাৰ হয় পশ্চিমবংগৰ মন্ত্ৰীজন। বৃহৎ বিত্তীয় অনিয়মৰ অভিযোগ উত্থাপন হৈছে পাৰ্থৰ বিৰুদ্ধে। গ্ৰেপ্তাৰৰ পাছত আজি তেওঁক দুদিনৰ ইডিৰ জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে আদালতে।

গ্ৰেপ্তাৰ হোৱাৰ পাছত বাৰে বাৰে পাৰ্থই কয় যে সকলো শেষ হৈ গʼল। তেওঁৰ মান-সন্মান, ভাবমূৰ্তি সকলোবোৰ ধ্বংস হʼল। এই কথা প্ৰকাশ কৰিছে জেৰা চলোৱা ইডিৰ সূত্ৰই। অৱশ্যে এই বক্তব্যৰ বিষয়ে সদৰী কৰা নাই ইডিয়ে। সূত্ৰটোৱে জনোৱা মতে, গ্ৰেপ্তাৰ হোৱাৰ সময়ত মন্ত্ৰী পাৰ্থৰ কোনো ধৰণৰ অসুস্থতাত ১০ পৃষ্ঠাত চাওক

অসম ভৱনত সাক্ষাৎ কৰিলে বিজেপিৰ সাংসদসকলক ঃ আজি মুখ্যমন্ত্ৰী সন্মিলন

## কেন্দ্ৰীয় উদ্যোগ-স্বাস্থ্য মন্ত্ৰীক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ



**অগ্ৰদূত প্ৰতিবেদক**

**নতুন দিল্লী, ২৩ জুলাই ঃ** কালিৰে পৰা দিল্লীত বাহৰ পাতি থকা মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই অসমত উদ্যোগ, বাণিজ্য আৰু বিনিয়োগৰ প্ৰসাৰৰ আহ্বান জনাই কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলক সাক্ষাৎ কৰে। তদুপৰি স্বাস্থ্য বিভাগৰ বিভিন্ন বিষয়ক লৈ বিভাগটোৰ কেন্দ্ৰীয় মন্ত্ৰী ডʼ মনছুখ মান্দভিয়াকো সাক্ষাৎ কৰি দীঘলীয়া দুই পৃষ্ঠাত চাওক

**সংগ-প্ৰসংগ**

■ দয়ানন্দ পাঠক

## মেদিনী চৌধুৰী অসমৰ ৱাল্টাৰ স্কট



**মেদিনী** মোহন চৌধুৰীক পাছলৈ সংক্ষেপতে মেদিনী চৌধুৰী বুলি এক বিশেষ পৰিচিতি দিয়াৰ পৰ্ব আৰম্ভ হʼল। মেদিনী চৌধুৰী অসম প্ৰশাসনীয় সেৱাৰ এক বলিষ্ঠ বিষয়া। উক্ত সেৱাৰ মাজেৰে তেওঁ অসম চৰকাৰৰ অনেক শীৰ্ষ পদ অলংকৃত কৰিছে। সেইবোৰ কথালৈ নাযাওঁ। পিছে তেওঁ যে এগৰাকী নিষ্ঠাৱান বিষয়া আছিল, সেই কথা বুজিবলৈ টান নালাগিছিল। তেওঁৰ থকা-খোৱাৰ সৰলতা ১০ পৃষ্ঠাত চাওক

**উদ্ধাৰ হʼল সঞ্জীৱ-সোণাপুৰৰ হীৰকৰ শৱদেহ**

## অৰুণাচলত প্ৰাণ হেৰুওৱা বেদান্ত-নয়নৰ মৃতদেহ সাবটি কান্দোনৰ ৰোল



**ষ্টাফ ৰিপʼৰ্টাৰ/বিশেষ সংবাদদাতা**

**তেজপুৰ/নগাঁও, ২৩ জুলাই ঃ** বন্ধুৰ সʼতে ১৯ জুলাইত অৰুণাচললৈ যোৱা ৰাজ্যৰ চাৰিজন যুৱক শোকাৱহভাৱে দুৰ্ঘটনাত পতিত হৈ নিহত হোৱাৰ পাছত আজি বিয়লি ৫-৪৫ বজাতহে ইয়াৰে ভিতৰত দুজনৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে উদ্ধাৰকাৰী দলে। আজি মৃতদেহ উদ্ধাৰ ১০ পৃষ্ঠাত চাওক

## অসুস্থ হৈ ঘৰলৈ যোৱা জুবিনে পালন কৰিব পৰামৰ্শ

চিকিৎসালয়ৰ পৰা ওলাই ন উদ্যমেৰে কামৰ আশ্বাস

**ষ্টাফ ৰিপʼৰ্টাৰ**

**গুৱাহাটী, ২৩ জুলাই ঃ** 'মই সম্পূৰ্ণ সুস্থ; চিন্তাৰ কাৰণ নাই। চিকিৎসকে পৰামৰ্শ দিছে; মানিবলৈ চেষ্টা কৰিম।' যোৱা চাৰিদিন ধৰি মহানগৰীৰ আয়ুৰসুন্দ্ৰা হাস্পতালত চিকিৎসাধীন হৈ ১০ পৃষ্ঠাত চাওক

**পাঁচ জুলাইৰ পৰা সন্ধানহীন হৈ আছে ১৯জন ঃ পৰিয়ালত হাহাকাৰৰ সৃষ্টি**

## ভাৰত-চীন সীমান্তৰ দুৰ্গম স্থানৰ পৰা উদ্ধাৰ সাতজন শ্ৰমিকক

**নিউজ ব্যুৰʼ/অগ্ৰদূত বাৰ্তা**

**ইটানগৰ/কোকৰাঝাৰ, ২৩ জুলাই ঃ** অৰুণাচল প্ৰদেশৰ কুৰুং কুমেয় জিলাৰ ভাৰত-চীন সীমান্তৰ সমীপৰ অতি দুৰ্গম স্থানত পথ নিৰ্মাণৰ দায়িত্বত নিয়োজিত হৈ থকা অসমৰ ১৯ জন সন্ধানহীন শ্ৰমিকৰ ১০ পৃষ্ঠাত চাওক

## খেল চলি থকা অৱস্থাতে যুৱ অলিম্পিকৰ চাইক্লিঙত দুৰ্ঘটনাত আহত চাইক্লিষ্ট

**মুখমণ্ডল-বুকুত গুৰুতৰ আঘাতপ্ৰাপ্ত গোলাঘাটৰ খেলুৱৈক জি এম চি এইছত ভৰ্তি**



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৩ জুলাই ঃ** অসম অলিম্পিক সন্থাই ৰাজ্যত প্ৰথমবাৰলৈ আয়োজন কৰা অসম যুৱ অলিম্পিকৰ দ্বিতীয় দিনাই সংঘটিত হʼল এক দুৰ্ঘটনা। এই দুৰ্ঘটনাত পতিত হৈ গুৰুতৰভাৱে আহত দুই পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৬° |
| ডিব্ৰুগড় | ৩৩° | ২৬° |
| দিল্লী | ৩১° | ২৮° |
| কলকাতা | ২৮° | ২৭° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩৫° | ২৭° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২৫° | ১৯° |

*২৩ জুলাই, ২০২২*

**চেঙা তেল**



*সামাজিক মাধ্যমত লাঠিৰ কোব পৰিলেই! আগৰ দৰে তিনিআলিত ধিতিঙালি কৰি থকা ভাল হʼব নেকি!*

## সমস্যা থাকিলে চাকৰি এৰিবলৈ শিক্ষকক কʼলে মন্ত্ৰী পেগুৱে

১০ বছৰ দূৰণিত কৰ্মৰত সকলে শীঘ্ৰে বদলি হʼব

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২৩ জুলাই ঃ** '১০ বছৰ দূৰণিত থকা শিক্ষকসকলে শীঘ্ৰেই বদলি হৈ নিজৰ সুবিধাৰ অঞ্চললৈ আহিব পাৰিব। ১০ পৃষ্ঠাত চাওক

## গাঞ্জা বিক্ৰীৰ অভিযোগত সাতজন ৰেল আৰক্ষীক ৰিজাৰ্ভ ক্লʼজ

**ষ্টাফ ৰিপʼৰ্টাৰ**

**গুৱাহাটী, ২৩ জুলাই ঃ** ৰেলত অহা চোৰাং সোণ জব্দ কৰাৰ পাছত বিক্ৰী কৰাৰ অভিযোগত কʼবাজনো দুই পৃষ্ঠাত চাওক

Assam down town University
Guwahati
An ISO 9001:2015 Certified & NAAC Accredited University
ADMISSIONS OPEN 2022-23
PROGRAMMES OFFERED
Paramedical Science
Bachelor of
-Physiotherapy
-Medical Laboratory Technology
-Radiography & Advanced Imaging Tech.
-Trauma, Emergency & Disaster Mgmt.
-Critical & Intensive Care Technology
-Dialysis Technology | Optometry
-Operation Theatre Technology
Master of
-Medical Laboratory Technology
-Physiotherapy
-Emergency & Critical Care
Diploma After 12th (2 years)
-Medical Laboratory Technology
-Radio- Imaging Technology
-Dialysis Technology
Diploma After 10th (3 years)
-Paramedical Science
Science
B.Sc. FND | Biotechnology | Microbiology | Actuarial Science | Forensic Science
M.Sc. FND | Biotechnology Microbiology | Botany | Zoology
Nursing
ANM
Engineering & Technology
B.Tech
Civil | Mechanical | Computer Science | Computer Science (CT & IS)
BCA
Specialization
Data Science | AI & ML | Block Chain & Crypto Mining | Computer Networking & System Security
BCA (CT & IS)
B.Sc. IT (MA & IS) & (CT & IS)
Commerce & Management
BBA
Specialization
HR | Marketing | Banking and Insurance | Business Accounting | Tourism & Travel | International Business | Hospital Management | Retail Management | Family Business and Entrepreneurship
Bachelor of Hotel Mgmt. & Catering Tech.
MBA
Specialization
Marketing | Finance | HR | Banking & Insurance Travel & Tourism | Business Analytics
MBA Health Care Management
Humanities & Social Sciences
B.S.W. | M.S.W. | BA Psychology Sociology | Performing Arts
M.Sc. Clinical Psychology
MA Sociology | Applied Psychology
www.adtu.in admission@adtu.in
CONTACT:98641 37777 / 93657 71454
Campus: Assam down town University, Gandhi Nagar, Panikhaiti, Guwahati- 26
Guwahati Admission offices are open on Sundays too

ADMISSION NOTICE 2022-23
NERIM
Estd. 1992
NERIM GROUP OF INSTITUTIONS announces Direct ADMISSIONS into the following programmes for the academic session 2022-23. Admissions shall be made as per the Provisions and Guidelines/Regulations of the Affiliating University. Interested candidates may contact admission counsellor over 9954190758, 9954051419, 9864750000 or may apply through online mode at www.nerimindia.org
BBA 3-yr 50% in 10+2 in any stream (45% for SC/ST)
BCA 3-yr 45% in 10+2 with Mathematics in any stream (40% for SC/ST/OBC)
BA LLB(H) 5-yr integrated 45% in 10+2 in any stream (40% for SC/ST/OBC)
BSW 3-yr 45% in 10+2 in any stream (40% for SC/ST/OBC)
B.Com(H) 3-yr (CBCS Mode) 45% in 10+2 in any stream (40% for SC/ST/OBC)
NERIM BBA Awarded 1st Rank & NERIM BCA Awarded 4th Rank respectively in the Category of Excellence by GHRDC.
Courses available for the Academic Session 2022-23
MBA M.Com LLB(H)
MCA MSW B.Ed
MA (Applied Psychology) MA (Education) M.Sc (Computer Science)
For working personnel:
MBA (3-yr Part Time)
PGDM (2-yr Under AIMA)
Online & Offline classes on Saturday & Sunday.
Prof. (Dr) Sangeeta Tripathi, Director, NERIM
Padma Nath Sarmah Bhawan, Jayanagar, Khanapara, Guwahati -781022
nerimindia@gmail.com



দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ২৪ জুলাই, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## বকোৰ গোচৰণীয়া পথাৰত পাঁচ লাখ টকা ব্যয়ৰে পাঁচজোপা গছ ৰোপণ



অগ্ৰদূত বাৰ্তা

**বকো, ২৩ জুলাই ঃ** বকোৰ এখন গোচৰণীয়া পথাৰত পাঁচ লাখ টকা ব্যয়েৰে পাঁচজোপা গছ ৰোপণ কৰা হৈছে। গছ কেইজোপা হ'ল তিনিজোপা ৰাধাচূড়া, এজোপা আমগছ, এজোপা নেমু টেঙা গছ। সৰ্বসাধাৰণ ৰাইজৰ চকু কপালত উঠাৰ কথা। হয়তো সকলোকে এক লাখটকীয়া গছ কেইজোপা এবাৰ ওচৰৰ পৰা চোৱাৰ হাবিয়াস আঠ পৃষ্ঠাত চাওক

## তেজপুৰৰ দুটা অঞ্চলত অকামিলা হৈ পৰি ৰৈছে ১১টা

# গভীৰ নলীনাদৰ পৰা নোলায় এটোপালো পানী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৩ জুলাই ঃ** যি সময়ত ৰাজ্যৰ বহু কৃষকে পথাৰত উপযুক্ত পানীৰ অভাৱত কঠীয়া ৰোপণ কৰি নোৱাৰি এক বিপজ্জনক পৰিস্থিতিৰ সন্মুখীন হৈছে, সেই সময়তে কৃষকৰ স্বাৰ্থত চৰকাৰে গ্ৰহণ কৰা আঁচনি ৰূপায়ণৰ নামত একাংশ ঠিকাদাৰ লাভান্বিত হোৱা দেখা গৈছে। ২০২০ত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সমগ্ৰ দেশৰ লগতে ৰাজ্যতো ৰূপায়ণ কৰা হৈছিল প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন আঁচনি। পিএমকেএছৱাই নামৰ এইখন আঁচনি ৰূপায়ণৰ নামত ৰাজ্যত ব্যাপক দুৰ্নীতি সংঘটিত হয় আৰু ইতিমধ্যে এই আঁচনিৰ ঠিকাৰ বিপৰীতে ঠিকাদাৰে প্ৰায় সম্পূৰ্ণ বিল আদায় কৰিবলৈ সক্ষম হয় যদিও আঁচনিসমূহৰ অধিকাংশই বৰ্তমান বিকল হৈ পৰি আছে। বহু আঁচনিৰে আঠ পৃষ্ঠাত চাওক



### চৰা দামৰ উত্তাপেও দহিছে নগাঁৱৰ পাচলি বজাৰৰ গ্ৰাহকক

## ভীমকলৰ কলডিলৰ দাম এশ টকা

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৩ জুলাই ঃ** প্ৰখৰ ৰ'দৰ সমান্তৰালকৈ এতিয়া চৰা দামৰ উত্তাপেও দহিছে নগাঁৱৰ পাচলি বজাৰৰ গ্ৰাহকক। কেঁচা শাক-পাচলিৰ বাবে বিখ্যাত নগাঁও জিলাতে এতিয়া পাচলিৰ অস্বাভাৱিক মূল্যবৃদ্ধিয়ে ৰাইজক জুৰুলা কৰিছে। শেহতীয়া বানত জিলাখনৰ বিস্তৰ খেতিপথাৰৰ ফচল নষ্ট হোৱাত পাচলিৰ নাটনিৰ অজুহাত দেখুৱাই ইয়াৰেই সুযোগ গ্ৰহণ কৰি একাংশ ব্যৱসায়ীয়ে নগাঁৱত পাচলিৰ অত্যধিক মূল্যবৃদ্ধি ঘটোৱা পৰিলক্ষিত হৈছে। এই অসাধু ব্যৱসায়ীসকলৰ ওপৰত নাই জিলা প্ৰশাসন কিংবা জিলা যোগান বিভাগৰ কোনো নিয়ন্ত্ৰণ। ইয়াৰে সুযোগ গ্ৰহণ কৰি বজাৰসমূহত অসাধু ব্যৱসায়ীসকলে নিজ খেয়ালখুচি মতে প্ৰতিবিধ পাচলিৰ দাম বৃদ্ধি কৰাত নিম্ন মধ্যবিত্ত আৰু নিম্ন আয়ৰ আঠ পৃষ্ঠাত চাওক

## মাটিয়াৰ বৰকান্দাত পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে পথ নিৰ্মাণত ব্যাপক অনিয়ম



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ জুলাই ঃ** গোৱালপাৰাৰ মাটিয়া উন্নয়ন খণ্ডৰ বুদুচৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰকান্দাত পথ নিৰ্মাণৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে। তথ্য মতে, বৰকান্দা পকী পথৰ পৰা আদাৰ হুছেইন (আদা আলী)ৰ ঘৰলৈ যোৱা পথটো নিৰ্মাণৰ বাবে ২০২০-২১ৰ পঞ্চদশ বিত্তীয় আয়োগৰ প্ৰথম কিস্তিৰ চাৰি লাখ ৯৫ আঠ পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙত তিনি কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ এজনক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**বকলীয়াঘাট, ২৩ জুলাই ঃ** পুনৰ নিষিদ্ধ ড্ৰাগছ জব্দ হৈছে কাৰ্বি আংলঙত। পাহাৰীয়া জিলাখনৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত খাক্ৰাজানত আজি সন্ধিয়া প্ৰায় ছয় বজাত বিশেষ নাকা তালাচীত ধৰা পৰে বুজন পৰিমাণৰ ড্ৰাগছ। বোকাজান মহকুমা আৰক্ষী বিষয়া জন দাস, বৰপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দ্বীপেন বৰুৱা, উপ-পৰিদৰ্শক বিপ্লৱ দাস, সহকাৰী উপ-পৰিদৰ্শক আঠ পৃষ্ঠাত চাওক

## সমাজসেৱী, চিকিৎসক ডাঃ চৈয়দ আহমেদ জাদিদৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৩ জুলাই ঃ** বৰপেটাৰ বিশিষ্ট সমাজসেৱী, বৰপেটা চহৰৰ মুছলিমপট্টি নিবাসী, বিশিষ্ট চিকিৎসক ডাঃ চৈয়দ আহমেদ জাদিদৰ আজি পুৱা নিজ বাসগৃহত দেহাৱসান ঘটে। কিছুমাহ ধৰি হৃদৰোগত আক্ৰান্ত হৈ থকা বিশিষ্ট চিকিৎসকজনে পুৱা অসুস্থ অনুভৱ কৰাত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ যাবলৈ সাজু হৈ বাথৰুমলৈ যাওতে হঠাতে হৃদক্ৰিয়া বন্ধ হৈ ঢলি পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৭০ বছৰ। বৰপেটা চহৰৰ মুছলিমপট্টিত জন্মগ্ৰহণ কৰা ডাঃ আহমেদে বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ পাছত ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজত চিকিৎসা বিজ্ঞানত অধ্যয়ন কৰি পৰৱৰ্তী সময়ত চিকিৎসক হিচাপে কৰ্ম জীৱন আৰম্ভ কৰে। ডাঃ আহমেদ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। সম্প্ৰতি মঞ্চৰ জৰিয়তে কে'বাটাও সফল অনুষ্ঠান সম্পন্ন কৰা জাদিদে ২০০৩ আৰু ২০০৬ত বৰপেটাত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰন্থমেলাৰ উপ-সভাপতি আছিল। ডাঃ জাদিদে আমি বৰপেইটা আঠ পৃষ্ঠাত চাওক

## বিদ্যুৎস্পৃষ্ট হৈ মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**জালাহ, ২৩ জুলাই ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত চৰ্ণা ৰাজহ গাঁৱৰ নতুন ভোটেপোৱাবড়ী চুবাত অসাৱধানবশতঃ আজি পুৱা বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী মহিলাই কৰুণ মৃত্যুক আঁকোৱালি লোৱা ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। তথ্য মতে, সমিন কলিতাৰ পত্নী ভণিতা কলিতাই পুৱা গা ধুই আহি টেবুল ফেনখনত হাত দিয়াৰ লগে লগেই বিদ্যুৎস্পৃষ্ট হৈ বাগৰি পৰে। স্বামী সমিন কলিতা আৰু স্থানীয় ৰাইজে মহিলাগৰাকীৰ প্ৰাণ বচাবলৈ চেষ্টা কৰি ঘৰৰ আঠ পৃষ্ঠাত চাওক

## কলিয়াবৰত তিনিখনকৈ ট্ৰাকত উদ্ধাৰ শতাধিক চোৰাং গৰু

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৩ জুলাই ঃ** কলিয়াবৰত অবৈধ গৰু সৰবৰাহৰ বিৰুদ্ধে আৰক্ষীয়ে অব্যাহত ৰাখিছে মাৰাথন অভিযান। ইয়াৰ মাজতে বাগৰি আৰু জখলাবন্ধাত জব্দ হয় অবৈধ গৰুভৰ্তি তিনিখনকৈ ট্ৰাক। যোৱা নিশা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই তিনিখন ট্ৰাকৰ পৰা এশটাৰো অধিক অবৈধভাৱে সৰবৰাহ কৰা গৰু উদ্ধাৰ কৰে আৰক্ষীয়ে। বাগৰি আৰক্ষীয়ে কুঠৰীত জব্দ কৰে এএছ-০২ চিচি- ১১৮৫ আৰু এএছ-০১ ইচি- ৪১৮৭ নম্বৰৰ গৰুভৰ্তি ট্ৰাক দুখন। দুয়োখন ট্ৰাকৰ পৰা আৰক্ষীয়ে জব্দ কৰে ৭০ টাৰো অধিক গোধন। গৰু সৰবৰাহত জড়িত ট্ৰাক দুখনৰ চালক ইক্ৰামূল হক আৰু আজিজুৰ হককো আটক কৰে বাগৰি আৰক্ষীয়ে। ইফালে, জখলাবন্ধাতো আৰক্ষীয়ে ৩০ টা গৰু সহ জব্দ কৰে এ এছ-০১ ইচি- ৩৭৮৫ নম্বৰৰ ট্ৰাকখন। উল্লেখ্য যে বোকাখাতৰ বিহৰাৰ পৰা গৰুখিনি মেঘালয় অভিমুখে সৰবৰাহ কৰোতেই গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়।

### মন্ত্ৰী পীযুষ হাজৰিকাৰ স'তে আলোচনাত মিলিত

## কোচ ৰাজবংশী জাতীয় পৰিষদৰ প্ৰস্তাৱিত আন্দোলন স্থগিত

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৩ জুলাই ঃ** বঙাইগাঁও জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয় সভাকক্ষত আজি সন্ধিয়া বঙাইগাঁও জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ স'তে কোচ ৰাজবংশী জাতীয় পৰিষদ কেন্দ্ৰীয় সভাপতি বিমল কুমাৰ বৰ্মনৰ নেতৃত্বত যোৱা এটি পাঁচজনীয়া প্ৰতিনিধিৰে কোচ ৰাজবংশী জাতীয় পৰিষদে কমতাপুৰ ৰাজ্য আৰু জনজাতিকৰণৰ দাবীত ঘোষণা কৰা কাৰ্যসূচী সম্পৰ্কে আলোচনা কৰে। আলোচনাৰ সময়তে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে অসম চৰকাৰৰ মন্ত্ৰী পিয়ুষ হাজৰিকাই কোচ ৰাজবংশী জাতীয় পৰিষদৰ নেতৃত্বৰে টেলিফোনযোগে আলোচনা কৰে আৰু জাতীয় পৰিষদে আহ্বান কৰা কাৰ্যসূচী স্থগিত ৰাখিবলৈ অনুৰোধ জনায়। মন্ত্ৰী হাজৰিকাই জনায় যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বৰ্তমান চৰকাৰী ভ্ৰমণ কাৰ্যসূচীৰে নতুন দিল্লীত ব্যস্ত থকা বাবে জাতীয় পৰিষদৰে আনুষ্ঠানিক সভা কৰিব নোৱাৰিল বুলি অৱগত কৰি লগতে অহা ২৫ জুলাইত অসমৰ চৰকাৰৰ জনজাতি পৰিক্ৰমা বিভাগে গুৱাহাটীত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ দাবী সম্পৰ্কে আহ্বান আঠ পৃষ্ঠাত চাওক

## বাঘমাৰাচৰ সমবায় সমিতিৰ দুৰ্নীতি ঃ সংলগ্ন কৰাক লৈ জবাবদিহি কৰিলে যোগান বিভাগৰ বিষয়া-পৰিদৰ্শকক



**আলোপতি, ২৩ জুলাই ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত বাঘমাৰাচৰ সমবায় সমিতিত সংঘটিত দুৰ্নীতিৰ তদন্ত কৰি যোৱা আঠ জুলাইত যোগান বিভাগে সমবায় সমিতিখন বাঘবৰ আঠ পৃষ্ঠাত চাওক



## ৬৭ বছৰৰ পূৰ্বে আম্বেদকাৰে দিয়া পৰামৰ্শ আজি প্ৰাসংগিক হৈ উঠিছে দেশৰ গণতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থত

# উত্তৰ প্ৰদেশক তিনি ভাগ কৰা উচিত

### চীন, ভাৰত, ইউ এছ, ইণ্ডানেছিয়াৰ পিছতে উত্তৰ প্ৰদেশৰ জনসংখ্যা





**দৃষ্টিপাত**

**অদীপ কুমাৰ ফুকন**

**১৯৫৫ত** ৰাজ্য পুনৰ গঠন আইনৰ প্ৰসংগত আলোচনা হৈ থকা সময়ত বি আৰ আম্বেদকাৰে পৰামৰ্শ আগবঢ়াইছিল যে দেশৰ ভৱিষ্যতৰ গণতন্ত্ৰৰ স্বাৰ্থত উত্তৰ প্ৰদেশক তিনি ভাগ কৰি তিনিখন ৰাজ্য গঠন কৰিব লাগে। পশ্চিম, মধ্য আৰু পূব এই তিনিটা খণ্ডত উত্তৰ প্ৰদেশক ভাগ কৰিব লাগে। অন্যথা বৃহৎ ৰাজ্য হিচাপে দেশৰ গণতন্ত্ৰৰ ওপৰত প্ৰভাৱ খটোৱাৰ আৰু সৰু সৰু ৰাজ্যসমূহে প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হ'ব। আম্বেদকাৰৰ পৰামৰ্শ সেই সময়ত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতৃবৰ্গই নাকচ কৰিলে। জৱাহৰলাল নেহেৰুৰ যুক্তি হ'ল ৰাজ্য পুনৰ গঠন ভাষাৰ ভিত্তিত হৈছে, গতিকে উত্তৰ প্ৰদেশক ভাগ কৰা উচিত নহ'ব।

আম্বেদকাৰে দিয়া পৰামৰ্শ আজি ৬৭ বছৰৰ পাছত অতি প্ৰাসংগিক হৈ পৰিছে। দেশত বিশেষকৈ উত্তৰ প্ৰদেশতে এইক্ষেত্ৰত এক আলোচনাৰ পৰিৱেশ সৃষ্টি হৈছে। ২,৪৩,২৮৬ বৰ্গ কিলোমিটাৰ এলেকাৰ ৰাজ্য উত্তৰ প্ৰদেশ। দেশৰ জনসংখ্যাৰ ২৪ কোটি জনসংখ্যাৰ ৰাজ্য উত্তৰ প্ৰদেশ। জনসংখ্যাৰ ক্ষেত্ৰত চীন, ভাৰত, ইউ এছ আৰু ইন্দোনেচিয়াৰ পিছতে উত্তৰ প্ৰদেশ। উত্তৰ প্ৰদেশৰ ২৪ কোটি জনসংখ্যাৰ বিপৰীতে পাকিস্তানৰ ২২ কোটি, ব্ৰাজিলৰ ২১ কোটি, নাইজেৰিয়াৰ ২০ কোটি, বাংলাদেশৰ ১৭ কোটি, ৰাছিয়াৰ ১৫ কোটি। ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত উত্তৰ প্ৰদেশৰ ২৪ কোটি জনসংখ্যাৰ পিছতে ২০১৮ৰ তথ্যৰ ভিত্তিত মহাৰাষ্ট্ৰৰ ১২ কোটি, বিহাৰৰ ১১ কোটি, পশ্চিমবংগৰ ৯ কোটি, মধ্য প্ৰদেশৰ ৮ কোটি। একেটা সময়তে একেখন দেশ ভাৰতৰ ৰাজ্য হিমাচলৰ ৭৩ লাখ, চিকিমৰ ৭ লাখ, অৰুণাচলৰ ১৫ লাখ, নাগালেণ্ডৰ ২১ লাখ, মণিপুৰৰ ৩০ লাখ, ত্ৰিপুৰাৰ ৪০ লাখ, গোৱাৰ ১৫ লাখ। এনে ক্ষেত্ৰত ৰাজ্যসমূহৰ সম বিকাশ তথা সম গণতান্ত্ৰিক অধিকাৰৰ বিষয়টো সম্ভৱ হ'বনে?

দেশ পৰিচালনা কৰা লোকসভাৰ ৫৪৩ জন সদস্যৰ ৮০ জন উত্তৰ প্ৰদেশৰ। দেশৰ ২৪৫ জন ৰাজ্যসভাৰ সদস্যৰ ভিতৰত ৩১ জন উত্তৰ প্ৰদেশৰ। মুঠতে ১১১ জন সাংসদে দিল্লীত উত্তৰ প্ৰদেশক প্ৰতিনিধিত্ব কৰে। বাবা চাহেব আম্বেদকাৰে এই দিশটোলৈ লক্ষ্য কৰিয়েই উত্তৰ প্ৰদেশক ভাগ কৰি তিনিখন ৰাজ্য গঠনৰ পৰামৰ্শ আগবঢ়াইছিল।

লোকসভাৰ ১৬.৮১ শতাংশ অৰ্থাৎ ৮০জন উত্তৰ প্ৰদেশৰ সাংসদৰ বিপৰীতে মহাৰাষ্ট্ৰৰ ৪৮ জন, পশ্চিমবংগৰ ৪২ জন, বিহাৰৰ ৪০ জন, তামিলনাডুৰ ৩৯জন, মধ্য প্ৰদেশৰ ২৯জন, কৰ্ণাটকৰ ২৮জন, গুজৰাটৰ ২৬জন, অন্ধ্ৰপ্ৰদেশ আৰু ৰাজস্থানৰ ক্ৰমে ২৫ জন সাংসদ। অন্যহাতে, ওড়িশাৰ ২১ জন, কেৰালাৰ ২০জন, তেলেঙ্গানাৰ ১৭ জন, ঝাৰখণ্ড আৰু অসমৰ ক্ৰমে ১৪ জনকৈ, পঞ্জাবৰ ১৩ জন, ছত্তিশগড়ৰ ১১জন, হাৰিয়ানাৰ ১০ জন সাংসদ। উত্তৰ প্ৰদেশৰ ৮০ জন সাংসদৰ বিপৰীতে একেখন দেশৰ ৰাজ্য উত্তৰাখণ্ডৰ ৫ জন, হিমাচলৰ ৪ জন, মণিপুৰ, ত্ৰিপুৰা, গোৱা আৰু মেঘালয়ৰ ২ জনকৈ, মিজোৰাম, নাগালেণ্ড আৰু ছিকিমৰ ১ জনকৈ লোকসভাৰ সদস্য। এনে স্তৰত দেশৰ গণতন্ত্ৰৰ সমতা ৰক্ষা কৰা সম্ভৱ হ'বনে? সেই বাবেই আজি বিশেষভাৱে আলোচনা আৰম্ভ হৈছে— উত্তৰ প্ৰদেশক ভাগ কৰি অধিক ৰাজ্য গঠন কৰিব লাগে আৰু লোকসভাত উত্তৰ প্ৰদেশৰ শক্তি হ্ৰাস কৰিব লাগে। পৰ্যায়ক্ৰমে একেধৰণৰ বিষয় মহাৰাষ্ট্ৰ, বিহাৰ, পশ্চিমবঙ্গ আদি ৰাজ্যৰ ক্ষেত্ৰত নিশ্চয় আলোচনা হ'ব।

১৯৬০ৰ পৰা উত্তৰ প্ৰদেশৰ কিছু এলেকালৈ বুন্দেলখণ্ড ৰাজ্য গঠনৰ দাবী উত্থাপিত হৈ আহিছে। প্ৰকৃতাৰ্থত ১৯৫৬ৰ আগলৈকে বুন্দেলখণ্ড এখন ৰাজ্য আছিল। ১৯৫৬ত বুন্দেলখণ্ডক মধ্য প্ৰদেশ আৰু উত্তৰ প্ৰদেশৰ মাজত অন্তৰ্ভুক্ত কৰি ল'লে, কিন্তু উন্নয়ন ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। বুন্দেলখণ্ড অঞ্চলত হীৰাৰ খনিৰ লগতে বহু খনিজ সম্পদ থকাৰ পিছতো অঞ্চলবাসীৰ কোনো উন্নতি নোহোৱাত বিকল্প ৰাজ্য গঠনৰ দাবী উত্থাপিত হৈ আহিছে। নতুন ৰাজ্য গঠনৰ চিন্তাৰ পৰা বুন্দেলখণ্ডবাসীক আঁতৰাই অনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শেহতীয়াভাৱে বহু কেইটা পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

২০১১ৰ ২১ নৱেম্বৰত মায়াৱতী নেতৃত্বাধীন বিএছপি চৰকাৰে উত্তৰ প্ৰদেশক চাৰিটা ভাগত ভাগ কৰাৰ বাবে বিধানসভাত প্ৰস্তাৱ গ্ৰহণ কৰিছিল। পূৰ্বাঞ্চল, বুন্দেলখণ্ড, অৱধ প্ৰদেশ আৰু উত্তৰ প্ৰদেশৰ পশ্চিম অঞ্চলক লৈ হৰিশ প্ৰদেশ গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই সময়ত উত্তৰ প্ৰদেশ বিধানসভাত বিএছপিৰ ২২০ জন বিধায়ক থকাৰ বিপৰীতে এছপিৰ ৮৯ জন, বিজেপিৰ ৪৮জন আৰু কংগ্ৰেছৰ ২০ জন বিধায়ক আছিল। মায়াৱতীৰ লগতে ৰাষ্ট্ৰীয় লোকদলৰ নেতা অজিত সিঙেও হৰিশ প্ৰদেশ গঠনৰ দাবী উত্থাপন কৰিছিল। বিএছপি চৰকাৰে ২০১১ৰ ২১ নৱেম্বৰত গ্ৰহণ কৰা প্ৰস্তাৱত পূৰ্বাঞ্চলৰ বাবে ২১খন জিলা, বুন্দেলখণ্ডৰ বাবে ৭খন জিলা, অৱধ প্ৰদেশৰ বাবে ২১খন জিলা আৰু ২৬খন জিলালৈ পশ্চিম প্ৰদেশ গঠনৰ সিদ্ধান্ত আছিল। মায়াৱতীৰ সিদ্ধান্তক অৱশ্যে সমাজবাদী দল, বিজেপি আৰু কংগ্ৰেছে নাকচ কৰে। ২০২১ৰ জুনৰ পৰা পুনৰ উত্তৰ প্ৰদেশক ভাগ কৰাৰ বিষয়টো বিশেষভাৱে চৰ্চালৈ আহিছে। এইবাৰ উত্তৰ প্ৰদেশক তিনিভাগ কৰি উত্তৰ প্ৰদেশ, পূৰ্বাঞ্চল আৰু বুন্দেলখণ্ড ৰাজ্য গঠনৰ প্ৰসঙ্গ আলোচনালৈ আহিছে। অৱশ্যে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী আদিত্য নাথে এনে আলোচনা তথা প্ৰচাৰক সম্পূৰ্ণ নাকচ কৰিছে। মুখ্যমন্ত্ৰী আদিত্য নাথৰ মতে উত্তৰ প্ৰদেশবাসীয়ে ঐক্যবদ্ধ হৈ থকাটো বিচাৰে, বিভক্ত হৈ নহয়।

মন কৰিবলগা বিষয়টো হ'ল কংগ্ৰেছ, বিজেপি দলৰ লগতে সমাজবাদী দলেও উত্তৰ প্ৰদেশক ভাগ কৰাৰ সমৰ্থন নকৰে। কাৰণ উত্তৰ প্ৰদেশ হৈয়েই দিল্লী দখল কৰিব পৰা যায়। কংগ্ৰেছ আৰু বিজেপিৰ একেই লক্ষ্য। বাবা চাহেব আম্বেদকাৰৰ পৰামৰ্শৰ আজি কোনো প্ৰয়োজন নাই। কাৰণ দেশৰ গণতান্ত্ৰিক পৰিৱেশতকৈ দিল্লী দখল মুখ্য বিষয়। দিল্লী দখলৰ প্ৰাৰম্ভিক অস্ত্ৰ উত্তৰ প্ৰদেশৰ ৮০জন সাংসদৰ। হিন্দী ভাষাক বিশেষভাৱে গুৰুত্ব দিয়া ৰাজ্য কেইখনক লৈয়েই দিল্লী দখল কৰিব পৰা যায়। সেইবাবেই উত্তৰ প্ৰদেশৰ ৮০জন সাংসদৰ দৰে বিহাৰৰ ৪০জন, মধ্য প্ৰদেশৰ ২৯জন, ৰাজস্থানৰ ২৫জন আৰু গুজৰাটৰ ২৬জন সাংসদেই যথেষ্ট। বাকী অংক মিলাবলৈ কঠিন নহয়। শেহতীয়াভাৱে হিন্দী ভাষাৰ লগতে হিন্দুত্বৰ বিষয়টোও জড়িত হৈ পৰিছে। গতিকে কংগ্ৰেছতকৈ বিজেপিৰ বাবে দিল্লী দখল এতিয়া সহজ ৰাজনৈতিক অংক হৈ পৰিছে। এনে ৰাজনৈতিক পটভূমিত উত্তৰ প্ৰদেশক তিনিখন বা চাৰিখন ৰাজ্যত বিভক্ত কৰাটো নিশ্চয় সম্ভৱ নহ'ব।

১৯৫৫ত দেশৰ গণতন্ত্ৰৰ ভৱিষ্যতৰ স্বাৰ্থত আম্বেদকাৰে দিয়া পৰামৰ্শ দেশে গ্ৰহণ নকৰিলে। দেশৰ সকলো ৰাজ্যৰ সম বিকাশৰ স্বাৰ্থত উত্তৰ প্ৰদেশক তিনিভাগ কৰাৰ পৰামৰ্শ শাসকগোষ্ঠীয়ে গ্ৰহণ কৰিব নিবিচাৰিলে। কাৰণ উত্তৰ প্ৰদেশক হাতত ৰাখিয়েই দিল্লীৰ শাসন দখল কৰিব পাৰি। সেইবাবেই স্বাধীনতাৰ পিছৰ ভাৰতৰ ১৬জন প্ৰধানমন্ত্ৰীৰ ৯জনেই উত্তৰ প্ৰদেশৰ পৰা হৈছে।

বৰ্তমানৰ প্ৰধানমন্ত্ৰী গুজৰাটৰ হ'লেও উত্তৰ প্ৰদেশৰ বাৰানসী সমষ্টিৰ পৰা সাংসদ হৈ প্ৰধানমন্ত্ৰী আসনত বহিছে। জৱাহৰলাল নেহেৰু, লালবাহাদুৰ শাস্ত্ৰী, ইন্দিৰা গান্ধী, চৌধুৰী চৰণ সিং, ৰাজীৱ গান্ধী, ভি পি সিং, চন্দ্ৰ শেখৰ, অটল বিহাৰী বাজপেয়ীৰ পৰা নৰেন্দ্ৰ মোডীলৈকে এই ৯জনে উত্তৰ প্ৰদেশৰ পৰা সাংসদ হিচাপে গৈ দিল্লীত প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছে। প্ৰতিখন কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী পৰিষদৰ অধিক সংখ্যক সদস্য হয় উত্তৰ প্ৰদেশৰ পৰা। বৰ্তমান মোডী চৰকাৰৰ ৭৭ জন মন্ত্ৰীৰ ভিতৰত ১০ জন মন্ত্ৰী উত্তৰ প্ৰদেশৰ পৰা লোৱা হৈছে। আম্বেদকাৰে উচিত ভাৱেই কৈছিল উত্তৰ প্ৰদেশক তিনি ভাগ নকৰিলে উত্তৰ প্ৰদেশে দিল্লীক নিয়ন্ত্ৰণ কৰিব। গণতান্ত্ৰিক ব্যৱস্থাটোত আঘাত পৰিব।

ভাৰতৰ ৭.৩ শতাংশ ভূমি অৰ্থাৎ ২,৪০,৯২৮ বৰ্গ কিলোমিটাৰ এলেকাৰ উত্তৰ প্ৰদেশত ৭৫ খন জিলা, ৮০ লোকসভা আৰু ৩১ জন ৰাজ্যসভাৰ সদস্য। ২৪ কোটি জনসংখ্যা, ৪০৩ জন বিধায়কলৈ উত্তৰ প্ৰদেশ। অসমৰ দৰে প্ৰতিখন ৰাজ্যক ভাগ ভাগ কৰা হ'ব, কিন্তু উত্তৰ প্ৰদেশক নহয়। কাৰণ দিল্লী দখলৰ পথ উত্তৰ প্ৰদেশ।

ফোন ঃ ৯৭০৭০২৪৬১২

**কংগ্ৰেছ, বিজেপি দলৰ লগতে সমাজবাদী দলেও উত্তৰ প্ৰদেশক ভাগ কৰাৰ সমৰ্থন নকৰে। কাৰণ উত্তৰ প্ৰদেশ হৈয়েই দিল্লী দখল কৰিব পৰা যায়। কংগ্ৰেছ আৰু বিজেপিৰ একেই লক্ষ্য। বাবা চাহেব আম্বেদকাৰৰ পৰামৰ্শৰ আজি কোনো প্ৰয়োজন নাই। কাৰণ দেশৰ গণতান্ত্ৰিক পৰিৱেশতকৈ দিল্লী দখল মুখ্য বিষয়। দিল্লী দখলৰ প্ৰাৰম্ভিক অস্ত্ৰ উত্তৰ প্ৰদেশৰ জ্জ্বল্জ্বলজন সাংসদৰ। হিন্দী ভাষাক বিশেষভাৱে গুৰুত্ব দিয়া ৰাজ্য কেইখনক লৈয়েই দিল্লী দখল কৰিব পৰা যায়**

---

***অনবৰতে অস্বস্তিত থকা, খং-হতাশাই প্ৰাধান্য পোৱা ঈৰ্ষা-অসূয়া, প্ৰতিশোধপৰায়ণ, মইবৰ ভাবৰ ব্যক্তিৰ জীৱনৰ সংজ্ঞা কেতিয়াও ভাল হ'ব নোৱাৰে। জীৱনৰ গতিত থমকি নৰৈ মানৱীয়তা, সংযম, দৃঢ়তা, নৈতিকতা, স্নেহ-মহত্বক প্ৰাধান্য দিলে জীৱন অনুপম হৈ পৰে***

## 'দৈনিক অগ্ৰদূত'ৰ প্ৰশ্ন ঃ মোৰ উত্তৰ

**ইলু দেৱী বৰুৱা**

**আপোনাৰ মতে জীৱনৰ সংজ্ঞা কি?**

**উত্তৰ ঃ** সংস্কাৰস্থা ভাব, পৰোক্ষ জ্ঞান অৰ্থাৎ বহিৰ্জগতৰ পৰা ইন্দ্ৰিয়যোগে আমি যি জ্ঞান আহৰণ কৰো নতুবা নিজৰ অস্তিত্বৰ জ্ঞান— যি জ্ঞান মনৰ পৰা স্বতঃস্ফূৰ্ত ওলাই অহা অপৰোক্ষ জ্ঞান বা ভাৱনাৰে বিশ্লেষণ কৰি চালে আমি সহজতে অনুধাৱন কৰিব পাৰো জীৱনৰ সংজ্ঞা কি?

জীৱনত পোৱা-নোপোৱাৰ হিচাপ-নিকাচ কৰি ডেকা কালছোৱাৰ পৰা বৃদ্ধ বয়সলৈকে যিকোনো শুভ-অশুভ মুহূৰ্তত নিজস্বভাৱে জীৱনৰ সংজ্ঞা উলিয়াব পাৰি। অৱশ্যে ব্যক্তি বিশেষে জীৱনৰ গতিপথ ভিন্ন ভিন্ন সংজ্ঞাত ভিন্ন। বহুতে জীৱনৰ বিয়োগাত্মক দিশক প্ৰাধান্য নিদি জীৱনৰ নিজস্ব সুখ-শান্তি বিচাৰি লয়। পোৱা-নোপোৱা, হৰ্ষ-বেদনাক প্ৰাধান্য নিদিয়ে। প্ৰাপ্যকে জীৱনৰ কৃত-কৃততা, জীৱনৰ কৃত-নিশ্চয়তা বুলি জ্ঞান কৰি অন্তৰৰ পৰা ওলাই অহা বোধ সহজভাৱে লয়। সুখ-দুখেৰে ভৰা জীৱনৰ পৰিক্ৰমণ কাৰোবাৰ বাবে দীঘলীয়া আৰু কাৰোবাৰ বাবে ক্ষণস্থায়ী। ভোগ-বিলাসে পৰিপূৰ্ণ জীৱনতেই মাথোন সুখৰ সংজ্ঞা বিচাৰি পাব পাৰি এনেও নহয়। পৰিৱেশ-পৰিস্থিতি আদিৰো স্থিতি-বিলোপন আছে। ভাৱনাই ভিন্নতা আনে।

সাৰ্বজনীন এষাৰ কথা আছে— আপোন ভালেই জগত ভাল। আচলতে শৃংখলাপৰায়ণ, কৰ্তব্যপৰায়ণ, সংযমী, পৰোপকাৰী লোকে জীৱনৰ জটিলতা তথা সমস্যাৰ মাজতো সুখৰ সন্ধান উলিয়াই ল'ব পাৰে। আনকো ভাগ দিব পাৰে, ব্যস্ততাৰ মাজতো হাঁহিমুখে থাকিব পাৰে। সেইসকল লোকৰ জীৱনৰ সংজ্ঞা সুখকৰ হয়। ধৈৰ্য, সাহস, দৃঢ়তা, আত্মোলব্ধিয়ে তেওঁলোকৰ জটিল পৰিস্থিতিৰ মাজতো সন্তুষ্টি দিব পাৰে। যুক্তিনিষ্ঠতা, প্ৰগতিবাদী চেতনাৰে বৌদ্ধিক উৎকৰ্ষ সাধন কৰিব পাৰে। মনৰ সংকীৰ্ণতা আঁতৰ হৈ বহল পৰিসৰলৈ গতি কৰে। তদুপৰি দায়বদ্ধতাই জীৱনলৈ পৰিৱৰ্তন আনিব পাৰে। সৃষ্টিশীল, গতিশীল, সজ কৰ্মত লাগি থাকি পূৰ্ণতা আনিবলৈ সুযোগ দিয়ে। শক্তিশালী মনৰ অধিকাৰী কৰি তোলো।

পীয়েৰ দ্য কুৰ্বাটিন নামৰ এগৰাকী ব্যক্তিয়ে কৈছিল— 'জয়লাভ কৰাই মানুহৰ জীৱনৰ মূলমন্ত্ৰ হ'ব নোৱাৰে। ভালদৰে যুঁজাটোহে আচল কথা। সেয়েহে জীৱনৰ সংজ্ঞা মানুহ ভেদে ভিন্ ভিনভাৱে গঢ় লয়। দুখীয়া-নিচলা এজনেও জীৱনত সুখৰ সংজ্ঞা বিচাৰি পাব পাৰে। অজস্ৰ ধনৰ গৰাকী এজনে নাপাবও পাৰে। যথোচিত সময়ৰ সুপ্ৰয়োগ, নীতি-নিয়ম, শৃংখলাৰে জীৱনটো অতিবাহিত কৰিব পাৰিলে আত্ম-প্ৰত্যয়ৰ সংজ্ঞা লাভ কৰিব পাৰি। জীৱনৰ ক্ষুদ্ৰ সমস্যা বৃহৎ সমস্যালৈ গা-কৰি নুঠে। অনবৰতে অস্বস্তিত থকা, খং-হতাশাই প্ৰাধান্য পোৱা ঈৰ্ষা-অসূয়া, প্ৰতিশোধপৰায়ণ, মইবৰ ভাবৰ ব্যক্তিৰ জীৱনৰ সংজ্ঞা কেতিয়াও ভাল হ'ব নোৱাৰে। জীৱনৰ গতিত থমকি নৰৈ মানৱীয়তা, সংযম, দৃঢ়তা, নৈতিকতা, স্নেহ-মহত্বক প্ৰাধান্য দিলে জীৱন অনুপম হৈ পৰে।

**আপুনি প্ৰভাৱান্বিত হোৱা ব্যক্তি, গ্ৰন্থ আৰু তত্ত্ব কোনটো?**

**উত্তৰ ঃ** দেশ-বিদেশৰ মনীষী, মহাপুৰুষসকলৰ ব্যক্তিত্ব, সৃষ্টিশীলতা, সমাজৰ প্ৰতি থকা উদাৰ নীতি, সংস্কাৰ বা স্বভাৱে, যুক্তিনিষ্ঠতা বা বদান্যতাই আমাক আকৃষ্ট কৰা বা প্ৰভাৱান্বিত নকৰা নহয়, কৰে; কিন্তু মনটোক সঠিকভাৱে পুষ্ট কৰি তুলিবলৈ ভালকৈ জানো অধ্যয়ন কৰা হৈছে? মহাপুৰুষ, মহামানৱসকলৰ উপৰি বহুতো বৰেণ্য ব্যক্তিৰ জীৱন পৰিক্ৰমাই ৯০ শতাংশই আমাক আপ্লুত কৰি তোলে।

আমাৰ জীৱনত প্ৰভাৱান্বিত কৰা, শ্ৰদ্ধা কৰিব পৰা এজন ব্যক্তি হ'ল লক্ষ্যধৰ চৌধুৰী। ১৯৯৮ত ডেৰ বছৰ কাল আমাৰ অসম কাকতৰ পূৰ্বাচলত প্ৰত্যেক দেওবাৰে 'কাৰাগাৰৰ ডায়েৰী' খণ্ড খণ্ডকৈ প্ৰকাশ পাইছিল। পুৱা ন বজাৰ লগে লগে তেওঁ খণ্ডতো পঢ়ি মোলৈ ফোন কৰে। কাৰাগাৰৰ চৰিত্ৰবোৰ যেন তেওঁৰ চিনাকি— হাঁহি হাঁহি এনে ভাব ব্যক্ত কৰে। সমালোচনা কৰে। তেওঁৰ এষাৰ কথা মোৰ বৰকৈ মনত পৰে— 'ঘৰলৈ আলহী-অতিথি আহিলে নিশ্চয় চাহ-জলপান দিয়া; কিন্তু বাহিৰত গৃহস্থলৈ খাপ পিটি থকা গাড়ীচালকজনক চাহ একাপ দিবলৈ মনত পৰেনে?' ছবিঘৰ নামৰ আমাৰ এখন চিত্ৰকলা বিদ্যালয় আছে। এবাৰ শিশু দিৱসত তেওঁ ছবিঘৰলৈ আহি ছাত্ৰ-ছাত্ৰীসকলক মৰ্টন বিলাইছিল। ছাত্ৰ-ছাত্ৰীসকলে বিহুত ককালৈ কাৰ্টুন বা অন্য ছবি আঁকি, খুহুতীয়া বিহুগীত ৰচি পঠিয়াইছিল (ককা পেটুলা, বিহুনাচে ভাল। নাচনী নাইকিয়া হ'ল পয়মাল— ইত্যাদি)। পিছদিনা চিত্ৰকলা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ ককাৰ ফোন, উৎসাহজনক কথা। তেওঁ ল'ৰা-ছোৱালীহঁতৰ হতুৱাই ছবি আঁকাই 'অকণিৰ অগ্ৰদূত'ত প্ৰকাশ কৰে। গতিকে সেইগৰাকী মানৱতা ধৰ্ম পালন কৰা, মৰমিয়াল, আদৰ্শবাদী ব্যক্তিক পাহৰিব নোৱাৰো।



বেছিকৈ নহ'লেও দেশ-বিদেশৰ দুই-এখন অমূল্য গ্ৰন্থ নপঢ়া নহয়। কে'বাখনো তেনে গ্ৰন্থৰ ভিতৰত বিশেষভাৱে প্ৰভাৱান্বিত কৰা এখন গ্ৰন্থ হ'ল— 'Dr. Ida, The Torch of Life– Dorothy Clarke Wilson.' গ্ৰন্থখন ভেলোৰৰ চি এম চি চিকিৎসালয়ৰ পুথিভঁৰাল তথা বিক্ৰেতা অনুষ্ঠানৰ পৰা ক্ৰয় কৰা হৈছিল। ভাৰতীয় মহিলাসকলৰ উন্নত চিকিৎসা তথা অধ্যয়নৰ বাবে অশেষ কষ্ট কৰি পৃথিৱীৰ বিভিন্ন লোকৰ পৰা দান-বৰঙণিৰে চিকিৎসালয় স্থাপন কৰা খ্ৰীষ্টিয়ান মিছন হাস্পতাল ভেলোৰৰ বৰ্ণনা আৰু ড° ইদা স্কাদাৰৰ আদৰ্শনীয়, চমকপ্ৰদ জীৱন-বৃত্তান্ত আছে।

*ফোন ঃ ৭৮৯৬৪৮৭৮৫৮*

---

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

### দক্ষিণ কামৰূপীয়া উপভাষাৰ শব্দ সংগ্ৰহ 'ভাখাৰ ভাখেৰি'

# অসমীয়া ভাষাৰ বাবেও এক মহৎ সম্পদ

### অসমীয়া জাতীয় অভিধানত সোমাব দক্ষিণ কামৰূপৰ অজস্ৰ শব্দ!

**দ° দেৱব্ৰত শৰ্মা**

**২০০০** চনৰ পহিলা জানুৱাৰিত প্ৰথমখণ্ড উন্মোচিত হোৱা অসমীয়া জাতীয় অভিধানৰ তৰফৰ পৰা আমি শদিয়াৰ পৰা ধুবুৰীলৈকে অসমীয়া মানুহে কোৱা সকলো শব্দ সংগ্ৰহত গুৰুত্ব দি আহিছোঁ। সেয়েহে এই অভিধানৰ পাতনিত আমি লিখিছিলোঁ ঃ

**অসমীয়া জাতীয় অভিধানত গোৱালপৰীয়া, কামৰূপী, দৰঙী আদি উপভাষাৰ শব্দ অন্তৰ্ভুক্তিৰ প্ৰসংগ**

"আমি এই সম্পৰ্কে সম্পূৰ্ণ অৱগত যে আধুনিক ভাষাৰ মান্যতাৰ মাপকাঠি হিচাপে উজনিৰ, বিশেষকৈ তেতিয়াৰ অবিভক্ত শিৱসাগৰ জিলাৰ উপভাষাকে লোৱা হয়। কিন্তু উজনিৰ উপভাষাৰ কিবা বিশেষ গুণ বা নামনিৰ উপভাষাসমূহৰ কোনো বিশেষ দোষৰ বাবে এনে হোৱা নাছিল। শিৱসাগৰত আমেৰিকান বেপ্টিস্ট মিচনেৰিসকলে দপ্তৰ খুলিছিলহি আৰু তাৰ পৰাই ১৮৪৬ চনৰ পহিলা জানুৱাৰিৰ পৰা অৰুনোদই আলোচনী চপাই উলিয়াইছিল। তেওঁলোকৰ ব্যাকৰণ, অভিধান আদিৰো ভিত্তি আছিল উজনিৰ উপভাষাই।

কিন্তু অসমীয়া ভাষাৰ মান্যৰূপ হিচাপে উজনিৰ উপভাষা হিচাপে স্বীকৃতি দিয়াৰ কথাটো বৃতিচ চৰকাৰে ৰাজনৈতিক বিচাৰ-বিবেচনাৰ ওপৰতে নিৰ্ভৰশীল আছিল।

অসমীয়া জাতীয় অভিধানে ঐতিহাসিক, ৰাজনৈতিক প্ৰশাসনিক কাৰণবশতঃ এহাতে বেপ্টিস্ট মিচনেৰি আৰু আনহাতে বৃতিচ সাম্ৰাজ্যবাদে উজনিৰ উপভাষাক মান্য ভাষাৰ স্বীকৃতি দিয়া বুলি গণ্য কৰে। কিন্তু তাৰ দ্বাৰা শংকৰদেৱ-মাধৱদেৱৰ ৰচনাতো ব্যৱহৃত গোৱালপাৰা, কামৰূপৰ শব্দসম্ভাৰ (আৰু অসমৰ আন সৰ্বত্ৰ প্ৰচলিতয কথিত) অসমীয়া ভাষাৰ সমস্ত ঠাল-ঠেঙুলিৰ প্ৰতিটো শব্দকে আমি জাতীয় অভিধানত সসন্মানে স্থান দিব বিচাৰোঁ। মুঠৰ ওপৰত শদিয়াৰ পৰা ধুবুৰীলৈকে অসমীয়া মানুহে কোৱা যিকোনো শব্দই অসমীয়া জাতীয় অভিধানত অন্তৰ্ভুক্ত হোৱাৰ যোগ্য বুলি আমি বিবেচনা কৰোঁ আৰু তাক বাস্তৱৰূপ দিয়াৰ বাবে চেষ্টাও চলাইছোঁ। অসম সাহিত্য সভাই চন্দ্ৰকান্ত অভিধানৰ প্ৰণেতা সৰ্থেবাৰীৰ কোহিৰাম দাস (যি অভিধানখনৰ ৮০ শতাংশ সম্পাদনাৰ কাম সম্পন্ন কৰিছিল) আৰু আনকি অভিধানখনৰ মূল চালিকাশক্তি, প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক, নলবাৰী সু-সন্তান শৰৎ চন্দ্ৰ গোস্বামীৰ নামকিটা পৰ্যন্ত উক্ত অভিধানতখনতে কামৰূপীবিৰোধী মনোভাৱেৰে কাটি পোলোৱাৰ নিচিনা চূড়ান্ত সংৰক্ষণশীল, অনুদাৰ নীতি জাতীয় অভিধানে নিতান্তই দুৰ্ভাগ্যজনক বুলি গণ্য কৰে। তাৰ বিপৰীতে ই উদাৰ আৰু বহল নতুন ভাষানীতিৰ পোষকতা কৰে। (অসম সাহিত্য সভাই চন্দ্ৰকান্ত অভিধানৰ পৰা কামৰূপী শব্দবোৰ, আনকি দাস আৰু গোস্বামৰ নামকিটা পৰ্যন্ত নিৰ্মমভাৱে কাটি পেলোৱাৰ বিষয়ে পঢ়ক শৰৎচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী,পৃ.১৭৮)"

সেয়েহে, দঃ কামৰূপৰ 'সদিচ্ছা' অনুষ্ঠানে যেতিয়া মইনা গোস্বামীৰ মুখ্য সম্পাদনাৰে (সম্পাদক ঃ সুৰেশ কলিতা) 'ভাখাৰ ভাখেৰি' নামৰ সুবৃহৎ শব্দকোষ প্ৰকাশ কৰাৰ বাতৰি পালোঁ, আমি অধৈৰ্য, উদগ্ৰীৱ হৈ পৰিলোঁ সেইখন পাবলৈ। অৱশেষত সেইখন যেতিয়া আমাৰ হাতত পৰিল, তেতিয়া তাক ৰুদ্ধশ্বাসে, গোগ্ৰাসে গিলিবলৈ আৰম্ভ কৰিলোঁ। ৪২৪ পৃষ্ঠাৰ সুবৃহৎ গ্ৰন্থখনত প্ৰায় ৮,৫০০ শব্দ সংকলিত হৈছে।

আমি অসমীয়া জাতীয় অভিধানৰ সুবৃহৎ চাৰিটা খণ্ডৰ ২,০০,০০০ শব্দৰ ভিতৰত ইতিমধ্যেই অবিভক্ত কামৰূপ-দৰং-গোৱালপাৰাৰ ৫০,০০০ (+) শব্দ সামৰি লৈছোঁ। তথাপি স্বীকাৰ কৰিবই লাগিব, 'ভাখাৰ ভাখেৰি'ত সংকলিত বহুবোৰ শব্দ আমি শুনাও নাছিলোঁ। জনাও নাছিলোঁ। তাৰে কেইটামান নমুনা তলত তুলি দিছোঁ ঃ **অকাহযঅকাহচুন-** (অ) এইফালে আহ। উদাহৰণ ঃ অ' বাপা ধৰণী, আকাহচুন; কথা আখাৰ কওঁ। **অখজুৰা-**(বিণ.) ক'তো সন্তুষ্ট নোহোৱা। উদাহৰণ- ক'তো শান্তিত থাক্‌বা নৰু, এই অখজুৰা ছ'লটোৰ ধৰি। **অখাট-**(বি) অন্যায়। উদাহৰণ-অখটি কাম কৰি কৰিয়ে মাহ্‌নটো তলক গেল। **অখতযঅখাত** (বিণ.) অসাধু, দুষ্ট, অসৎ। উদাহৰণ- ডাহাৰ আখান পালি, অখাতে সৰু মাখাক ঠগে ঠগে খায়। **অখাইতি** (বিণ.) উভৈনদী, প্ৰয়োজনতকৈ বেছি। উদাৰহণ- আজিকালি দেখু ভাল মাছ দেখ্‌বাই নাপাৰা হলু, এটা সময়ত অখাইতি আছিল। **অখাল**(বি.) খাই উঠাৰ পিচত কাঁহী-বাচনত যি অৱশিষ্ট থাকে, ধুৱাৰ পিচতো বাচন-বৰ্তনত লাগি থকা আৱৰ্জনা।উদাহৰণ-গজ্‌মুৰি কি বাচান ধুচা এ, অখাল মাখা লাগি আছে। **অখুজযআখুজযআহুজযঅশুচ** (বি.) অশৌচ, অপবিত্ৰতা। উদাহৰণ- মই শুভ কাজত নাযাওঁ যা, পিতাৰ অখুজে যাবা নাই। **অখুদ** (বি.) ঔষধ। উদাহৰণ - অখুৰহান মাহ্‌নটোৰ কাম চাওচুন। **অখুৰমূৰাযঅখুৰোৰ মূৰা** (বিণ.) অঘাইটং। উদাহৰণ- অখুৰমূৰা ছ'লটোত ধৰি ঘৰখানত শান্তি নহ'ৰা হ'ছি। **অগই ন্ন যঅগানানযঅগই ন্নো** (বিণ.) অগণন। উদাহৰণ-আমাৰ গাঁৱৰ সভাত ইবাৰ অগইন্ন মানুহ হ'ছি। **অগদ্‌দেনিযঅগাদেনীয়া** (বিণ.) প্ৰচুৰ পৰিমাণে। উদাহৰণ-বিয়াখানত অগদ্‌দেনি বস্তু। **অগলি-বগলি-** (বিণ.)উভৈনদী, প্ৰচুৰ। উদাৰহণ- পিতিয়াকৰ মৰা কাজত অগলি-বগলিকে মাহ্‌নুমাখাক খুৱালা। **অগুনাযউগুনা-** (বি.) কাঠ-বাঁহ-খেৰ আদিৰ সৰু সৰু টুকুৰা, জাৱৰ-জোঁথৰ। উদাহৰণ-তাৰ জীৱানটো অগুনা বটলাওতেই গেল। **অচতাদি কহ্‌লাৰা-**(ক্ৰি.বিণ.) কম জানি বেছি জনা দেখুওৱা। উদাহৰণ- অচ্‌তাদি কহ্‌লাৰা মান্‌হু লগত থাক্‌লি ভুল হ'বয়ে। **অচল্‌তি-**(বিণ.) নচলা। উদাহৰণ- আগৰ সিকি দুয়েনীগিলা এতিয়া অচল্‌তি হ'ছি। **অচিনা-**(বি.) পানীপতায পানীপোতাযপানীপচা। উদাহৰণ-ছ'লটোক অচিনাত কিয়া বহে থচা, নাপায় নহাই। **অচিনিয়া-** (বি.) চনিয়া, চুৱা পাতনি। উদাহৰণ- অচিনিয়াৰ কুকুৰকেটো খেদাংতেই মোৰ ভাগাৰ লাগিল। **অজেলি-** (ক্ৰি.বিণ.)-ওজালি। উদাহৰণ-সি অজেলি কৰিয়েই খাই আছে। **অটা** (বি.)ভাত ৰন্ধা ঠাইৰ কাষতে পানী বাহিৰলৈ যাবৰ বাবে ৰখা বিন্ধা। উদাহৰণ- পানী কেন্‌কে যাব, অটাটো ঝাপ্ খাই আছে। **অতামাখা** (বহুবচন অৰ্থত) সকলো। উদাহৰণ-আতামাখা গাছৰ পলি গাড়ীখানত নধাৰে। **অত্যাহাত** (ক্ৰি.বিণ.) অতি বেছি। উদাহৰণ-অত্যাহাত খোজ কাল্লু, আৰ্ নৰি। **অথেৰ** (সৰ্ব.)সিহঁতৰ। উদাহৰণ- অথেৰ ঘৰোক গেলু, মাত আখাৰকে নেদ্‌লা। **অদলা মুখযঅদালা মুখ** (বি.) গোমোঠা মুখ। উদাহৰণ- কাৰ ভাল লাগে, এনাই অদলা মুখ চাই। **অদলি আহা** (ক্ৰি.বিণ.) তললৈ ওলমি অহা। উদাহৰণ-গাইটোৰ বাহাখান অদলি আইহ্‌ছি। **অদালফেলীয়াযঅদেলা-ফদেলা** (ক্ৰি.বিণ.) বৰ বেছিকৈ খুওৱা।



উদাহৰণ-বিয়াখানত অদালফেলীয়াকে খুৱালা। **অদিকা টাঙান** (বি.) মূল কামত নলগা; কিন্তু বিপদৰ সময়ত লগা বস্তু। উদাহৰণ-মোকতো আদিকা টাঙান বুলিয়ে ভাবা। **অদোমূৰা** (বিণ.) আনৰ বশ নমনা। উদাহৰণ- অদোমূৰা ছ'লি, তাক কথা শুনাবি। **অধিকিৰা** (বিণ.) লাজ নোহোৱা। উদাহৰণ-ইমান অধিকিৰা ছ'লি জীৱানত দেখা নাই। **অনলেযঅল্‌মে** (ক্ৰি. বিণ.) ওন্দোলাই, মলিন কৰা। উদাহৰণ-অবৰতে মুখখান কিয়া অনলে থাকা? **অন্‌ৱালি পায়া** (ক্ৰি. বিণ.) চল, সুযোগ। উদাহৰণ-সি অন্‌ৱালি পায়া পাছি, সদায় সদায় পোইছা খুজ্‌বা আহে। **অনাৰি** (বি) অন্যায়। উদাহৰণ-ইমান অনাৰি হলি আমাৰ দৰে মানুহ কেন্‌কে বাচি থাকিম? **অনি-বনি** (বি.) মিলাপ্ৰীতি, সদ্‌ভাৱ। উদাহৰণ-ভিয়াককেটোৰ মাঝত থাকা অনি-বনি দেখি গাউটো জুৰ পৰি যায়। **অপক** (বিণ.) নপকা, কেঁচা। উদাহৰণ-আমোতিৰ দিনা অপক কঁঠালটো কিয়া আন্‌লি? **অপ্‌জাহযঅৱজাহ** (বি.) নিন্দা, বদনাম, অপবাদ। উদাহৰণ-নিলাজৰ বাহিৰে অপ্‌জাহক অঁৱায়ে ভয় কৰে। **অপতি** (বি.) পৰিচৰ্যাৰ অভাৱ। উদাহৰণ-ইমান অপতিত ৰাখ্‌বা নাল্‌গে নহায় ৰুগীয়া মান্‌হুটোক! **অপাতাৰা** (বিণ.) অযোগ্য। উদাহৰণ-সেই অপাতাৰা আপীটোকহে পালি বিয়া পাত্‌বা! **অপেদযঅপেথযঅপেধ** (বিণ.) অখাদ্য, খোৱাৰ অযোগ্য। উদাহৰণ-পেটত কিবা অপেদ পল্লিয়ে বাঁতিয়াবা ধৰু! **অবঙ্‌নি** (বি.) ৰাজহুৱা কামত অনুপস্থিতিৰ জৰিমনা। উদাহৰণ- ৰাইজৰ কামত থাক্‌বাৰ মই সমায়ে নাপাওঁ, অবঙ্‌নি ভৰাওঁতে যায়। **অবুনযঅবুন্দ** (বি.) জাৱৰ-জোঁথৰ। উদাহৰণ-অবুনমাখা থুপুৰিয়াওঁতে গেল জীবানটো। **অবেৰীয়া** (বি.) আওবৰীয়া, যিটো বাৰৰ নহয়। উদাহৰণ-অবেৰীয়া দিনত আইহ্‌লি যিথান, নিচ্চয় কিবা ডাহাৰ কথা হ'ছি। **অভখ** (বি.) ভোক নলগা অৱস্থা, অভোক। উদাহৰণ-সদায়ে যে অভখ অভখকে থাকা, ডাক্তাৰক নেদ্‌খুৱা কিয়? **অমুৰা** (বিণ.) নিৰ্বোধ। উদাহৰণ-আপা-আপী অমুৰা হ'লি, মিয়াক-বাপিয়াকৰ দুখ ডুকুলাই-পাচিয়ে নধৰা হয়। **অযতান** (বি.) অযতন, চকু দিব নোৱৰা। উদাহৰণ-আমাৰ বাপিয়াক অযতানত পৰি ভখুৰি গেছি। **অলঙ-নলঙকেযঅলাঙ-নলাঙকে** (ক্ৰি.বিণ.) ওলাওঁ-নোলাওঁকৈ। উদাহৰণ-পিতাৰ ধৰি অলাঙ্-নলাঙ্‌কে ওল্‌ছু। **অল্‌মান যঅলামান** (বিণ.) অলপমান। উদাহৰণ- অল্‌মান হ'লিও ভাগে-পাতে খাবাৰ আনন্দই বেলেগ। **অল্‌মাতা কাৰ** (ধা.) ওলমি থাক। উদাহৰণ-দে কাই পাৰা, অল্‌মাতা কাৰ। **অসুতৰ কাজি** (বি.) খুটুং-খাটাংকৈ আনক জোকাই থকা লোক। উদাহৰণ-আমাৰ ডাঙাৰ আপা এক নম্বৰ অসুতৰ কাজি। **অহলি** (বি.) ওহলি, তাঁতৰ শিপিনীয়ে টোলোঠা নেমেৰিয়াকৈ থকা কাপোৰৰ হাতেৰে ঢুকি পোৱা অংশ। উদাহৰণ-আজি পোনে এক অহ্‌লি কাপুৰ বুলু, দিনটো কুৰ্‌মায়ে কুৰ্‌মা। **অহিনকণা যঅহিনকণীয়া** (বি.) মানুহ চলাচল নকৰা ঠাই। উদাহৰণ-কি সন্তাপ হ'চি ঐ, অহিনকণাত বহি আছা দেখু?- অহিনকণাত বহি কি মেল মাৰ্বা লাগ্‌ছা? **অহেলা-আপত্তিযঅহলা-আপত্তি** (ক্ৰি.বিণ.) অৱহেলা। উদাহৰণ- মাউৰা আপী চানাটোক অহেলা-আপত্তি কুনিও নকৰ্‌বি। **আইখা** (বি.) কল আদি আখিওৱা কাৰ্য। উদাহৰণ-আইখা কলথোক বচ্‌তাত ভৰে থৌচুন। **আইচা আইচা গন্ধ** (বিণ.) জেকা মাটিৰ পৰা অহা গোন্ধ। উদাহৰণ-বানপানী যাবাৰ পিচত মৰিয়াখানৰ পেৰে গতাই আইচা আইচা গন্ধ অল্‌ছি। **আইচানা** (সৰ্ব.) সৰু ছোৱালী, মৰমৰ মাত। উদাহৰণ- আইচানা বাপেৰে ঘৰত আছে না?

প্ৰায় ৮৫০০ শব্দৰ মাজৰ পৰা আমি ইয়াত মাত্ৰ কিছু নমুনাহে দেখুৱাইছোঁ। কিন্তু তাৰ পৰাই বুজিব পাৰি যে দক্ষিণ কামৰূপৰ শব্দ সম্ভাৰ অতি ব্যঞ্জনাপূণ, বিচিত্ৰ, শ্ৰুতিমধুৰ আৰু স্বকীয়তা সম্পন্ন। অসমীয়া জাতীয় অভিধানৰ দ্বিতীয় খণ্ডৰ উন্মোচক, জ্ঞানপীঠ বিজয়িনী দ° মামণি ৰয়চম গোস্বামীৰ গ্ৰন্থৰাজি বা অন্য উৎসৰ পৰা আমি দক্ষিণ কামৰূপৰ কিছু শব্দ ইতিমধ্যে সংগ্ৰহ কৰিছিলো যদিও সেয়া সম্পূৰ্ণ নহয়। ৰীমা দাসৰ ভিলেজ ৰকস্তাৰে জগতসভালৈ লৈ যোৱা দক্ষিণ কামৰূপৰ প্ৰতিটো শব্দৰ মূল্য আমাৰ বাবে কোটিটকা। আনন্দেৰে জনাওঁ যে দক্ষিণ কামৰূপৰ এই শব্দ-ঐশ্বৰ্য সসন্মানে অসমীয়া জাতীয় অভিধানত স্থান দিয়া হ'ব। পূৰ্ণতৰ হ'ব আমাৰ ভাষা-সাহিত্য। (আগলৈ)

লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক, ফোন ঃ ৯৪৩৫৩ ৫১২৫৫

বিশ্বৰ বিভিন্ন দেশৰ মুদ্ৰাৰ মূল্য ক্ৰমাগতভাৱে হ্ৰাস পাইছে বিগত কেইটামান দিনত। আমেৰিকান ডলাৰৰ বিপৰীতে বিশ্বৰ প্ৰায় সকলো মুদ্ৰাৰ অৱমূল্যায়ন ঘটিছে। মন কৰিবলগীয়া যে ২০২২ৰ প্ৰথমাৰ্ধতে টকাৰ মূল্য পূৰ্বৰ তুলনাত প্ৰায় ছয় শতাংশ হ্ৰাস পাইছে। আনহাতে, তুলনা কৰি চালে দেখা যায় যে ইউৰোপীয় সংঘৰ দেশসমূহৰ উমৈহতীয়া মুদ্ৰা ইউৰোৰ মূল্যও সময়ছোৱাত ১১.৬ শতাংশ হ্ৰাস পাইছে।



# ভাৰতীয় টকা বনাম ডলাৰ

## টকাৰ পতনে আপোনাৰ পকেট খালী কৰিব নেকি ?

**এছিয়াৰ** বিভিন্ন দেশত ডলাৰৰ বিপৰীতে স্থানীয় মুদ্ৰাৰ মূল্যৰ হ্ৰাস অব্যাহত আছে। ইতিমধ্যে সেই ক্ৰমত ভাৰতীয় টকাৰ মূল্য হ্ৰাসে নতুন অভিলেখ গঢ়িছে। যোৱা ১৮ জুলাইৰ দিনটোৰ এটা পৰ্যায়ত ভাৰতৰ প্ৰতি ডলাৰৰ বিনিময় হাৰ আছিল ৮০ টকা। যাৰ ফলত প্ৰথমবাৰৰ বাবে প্ৰতি ডলাৰৰ বিপৰীতে ৮০ টকাকৈ ব্যৱসায় হয়। অৱশ্যে দিনটোৰ শেষত ডলাৰৰ মূল্য ৭৯.৯৮ টকালৈ হ্ৰাস পায়। ইয়াৰ পৰৱৰ্তী লেনদেনৰ দিনটোত এই মূল্য অলপ আৰু হ্ৰাস পাই ৭৯.৫৬ টকা হয়। ইক'নমিক টাইমছৰ এক প্ৰতিবেদনৰ পৰা এই তথ্য লাভ কৰা হৈছে।



কেৱল ভাৰতীয় মুদ্ৰাই নহয়, বিশ্বৰ বিভিন্ন দেশৰ মুদ্ৰাৰ মূল্য ক্ৰমাগতভাৱে হ্ৰাস পাইছে বিগত কেইটামান দিনত। আমেৰিকান ডলাৰৰ বিপৰীতে বিশ্বৰ প্ৰায় সকলো মুদ্ৰাৰ অৱমূল্যায়ন ঘটিছে। মন কৰিবলগীয়া যে ২০২২ৰ প্ৰথমাৰ্ধতে টকাৰ মূল্য পূৰ্বৰ তুলনাত প্ৰায় ছয় শতাংশ হ্ৰাস পাইছে। আনহাতে, তুলনা কৰি চালে দেখা যায় যে ইউৰোপীয় সংঘৰ দেশসমূহৰ উমৈহতীয়া মুদ্ৰা ইউৰোৰ মূল্যও সময়ছোৱাত ১১.৬ শতাংশ হ্ৰাস পাইছে। একেদৰে জাপানী মুদ্ৰা য়েনৰ মূল্য ১৯.২ শতাংশ আৰু ব্ৰিটিছ পাউণ্ড ১৩.২ শতাংশকৈ হ্ৰাস পাইছে। বিপৰীতে, চীনৰ ইউয়ানৰ মূল্য মাত্ৰ ৩.৬ শতাংশ হ্ৰাস পাইছে।

দ্য ইউ এছ ডলাৰ ইনডেক্সৰ মতে, ডলাৰ এতিয়া ২০ বছৰৰ ভিতৰত সৰ্বোচ্চ মূল্যত উপনীত হৈছে। বিশ্লেষকসকলৰ মতে, এই মুহূৰ্তত ডলাৰৰ বিপৰীতে অন্যান্য মুদ্ৰাৰ মূল্য হ্ৰাস পোৱাৰ বহু কাৰণ আছে যদিও ইয়াৰ মূল কাৰণ দুটা। ইয়াৰে প্ৰথমটো হৈছে, ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ পাছৰে পৰা পেট্ৰ'লিয়ামৰ পৰা আৰম্ভ কৰি সকলো বস্তুৰ দাম বৃদ্ধি । যিহেতুকে বহুক্ষেত্ৰত হ্ৰস্বম্যাদীভাৱে আমদানিৰ পৰিমাণ হ্ৰাস কৰাটো অসম্ভৱ, সেয়েহে কেৱল ভাৰত বুলি নহয়, সকলো দেশতে আমদানি খণ্ডৰ ওপৰত ব্যয় বৃদ্ধি পাইছে। ফলত ডলাৰৰ মূল্য শক্তিশালী হোৱাৰ বিপৰীতে স্থানীয় মুদ্ৰাৰ মূল্য হ্ৰাস পাইছে। আনহাতে, দ্বিতীয় কাৰণটো হৈছে, আমেৰিকাৰ ফেডাৰেল ৰিজাৰ্ভৰ সুতৰ হাৰ বৃদ্ধি। সমগ্ৰ বিশ্বজুৰি বিত্তীয় অনিশ্চয়তাৰ সন্মুখীন হৈ বিনিয়োগকাৰীয়ে এতিয়া নিৰাপদ আশ্ৰয় বিচাৰি ঘুৰ্মুটিয়াই ফুৰিছে। ফেডাৰেল ৰিজাৰ্ভৰ সুতৰ হাৰ বৃদ্ধি হোৱাৰ লগে লগে সেই দেশত আমেৰিকান ডলাৰ ৰখাটো লাভজনক আৰু নিৰাপদ হৈ পৰিছে। ফলস্বৰূপে ভাৰতৰ দৰে বজাৰৰ পৰা বিনিয়োগ প্ৰত্যাহাৰ কৰাৰ এক যেন অঘোষিত প্ৰতিযোগিতা আৰম্ভ হৈছে বিদেশী বিনিয়োগকাৰীসকলৰ মাজত।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্যৰ অৱমূল্যায়নক নৰেন্দ্ৰ মোদী চৰকাৰে বিৰোধীৰ পৰা বাৰে বাৰে অভিযোগ আক্ৰমণৰ সন্মুখীন হ'বলগীয়া হৈছে। নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি ক্ষমতালৈ অহাৰ পাছৰে পৰা বিভিন্ন ক্ষেত্ৰত ভাৰতৰ স্থিতি তললৈ নামি অহা বুলি বিৰোধীসকলে বাৰে বাৰে দাবী কৰি আহিছে। তাৰে এটা প্ৰধান অভিযোগ হ'ল, ডলাৰৰ বিপৰীতে টকাৰ মূল্য হ্ৰাস। কেন্দ্ৰই শেহতীয়াকৈ এই অভিযোগৰ সত্যতা স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। অলপতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে সংসদত জনাইছে যে ২০১৪ত নৰেন্দ্ৰ মোদী চৰকাৰ শাসনলৈ অহাৰ সময়ত প্ৰতি ডলাৰত মূল্য আছিল ৬৩.৩৩ টকা। আনহাতে বৰ্তমানে এই মূল্য ৭৯.৪১ টকাৰ আশে- পাশে আছে। অৰ্থাৎ বিগত আঠ বছৰত এক ডলাৰৰ তুলনাত টকাৰ মূল্য ২৫.৩৯ শতাংশ বা ১৬.০৮ টকা হ্ৰাস পাইছে। ২০১৪ ৰ ৩১ ডিচেম্বৰলৈকে টকাৰ মূল্য আছিল এক ডলাৰৰ বিপৰীতে ৬৩.৩৩ টকা। পৰৱৰ্তী সময়ত টকাৰ মূল্যৰ ক্ৰমাগত খহনীয়াৰ ফলত ২০১৮ৰ ৩১ ডিচেম্বৰ পৰ্যন্ত এই মূল্য ৬৯.৭৯ টাকালৈ বৃদ্ধি পায়। টকাৰ অৱমূল্যায়নৰ কাৰণ ব্যাখ্যা কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদত কয় যে ইয়াৰ আঁৰত ৰাছিয়া-ইউক্ৰেইন যুদ্ধ, ইন্ধনৰ দাম বৃদ্ধি পোৱাকে ধৰি বিভিন্ন কাৰক আছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী গৰাকীয়ে দাবী কৰিছে যে কেৱল ভাৰতীয় মুদ্ৰাৰ অৱমূল্যায়ন হোৱাই নহয়, ডলাৰৰ তুলনাত পাউণ্ড, য়েন, ইউৰো আদিৰ মূল্যও হ্ৰাস পাইছে। যাৰ ফলত এই মুদ্ৰাৰ তুলনাত টকাৰ দাম পূৰ্বতকৈ বৃদ্ধি পাইছে।

স্মৰ্তব্য, কৰ'না ভাইৰাছৰ আৰম্ভণিৰ সময়ৰ পৰাই ভাৰতীয় অৰ্থনীতি স্থবিৰ হৈ পৰিছিল। পৰৱৰ্তী সময়ত তাৰ পৰা কিছু উদ্ধাৰ পালে যদিও পুনৰ ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধই অৰ্থনীতিৰ উত্থানত বিৰূপ প্ৰভাৱ পেলালে। শেহতীয়াকৈ আকৌ দেশৰ সকলো প্ৰান্তত বতৰৰ প্ৰতিকূলতাই দেখা দিয়া বাবে কৃষিক্ষেত্ৰৰো ব্যাপক লোকচান হৈছে। এই সকলোবোৰ মিলি বজাৰত এতিয়া নিত্য প্ৰয়োজনীয় বস্তুৰ আকাশলংঘী মূল্যৰ সৃষ্টি হৈছে। এনে মূল্যবৃদ্ধিক নিয়ন্ত্ৰণ কৰিবলৈ ভাৰতীয় ৰিজাৰ্ভ বেংকে অবিৰতভাৱে সংগ্ৰাম কৰি থকাৰ মাজতে টকাৰ অভিলেখ পতনে নতুন সমস্যাৰ সৃষ্টি কৰিছে।



বিশেষজ্ঞসকলে কয় যে প্ৰত্যক্ষ প্ৰভাৱ নাথাকিলেও বজাৰলৈ যোৱাৰ সময়ত এজন সাধাৰণ ক্ৰেতাই যি চাপ অনুভৱ কৰে, সেয়া হয় মুদ্ৰাৰ মূল্য হ্ৰাস হোৱাৰ বাবেই।

বিশ্বৰ বজাৰত খাদ্য তেল অলপ সস্তা হ'লেও টকাৰ অৱমূল্যায়নৰ বাবেই সম্প্ৰতি ভাৰতে অতি উচ্চ দামত ইয়াক ক্ৰয় কৰিব লগা হৈছে। খাদ্য তেল ক্ৰয় কৰিবলৈ অধিক ডলাৰ খৰচ কৰাৰ ফলত ক্ৰমশঃ পৰিবহণৰ খৰচো বৃদ্ধি পাব আৰু তাৰ সমান্তৰালভাৱে অন্য ৰাজ্যৰ পৰা অহা দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ দামো দ্ৰুতগতিত বৃদ্ধি পাব। কেৱল পৰিয়ালৰ ভৰণ- পোষণৰ খৰচেই নহয়, চিকিৎসা গ্ৰহণ কৰাটোও সাধাৰণ মানুহৰ বাবে ব্যয়বহুল হৈ পৰিব পাৰে। ডলাৰৰ মূল্য বৃদ্ধিয়ে চিকিৎসা ক্ষেত্ৰৰ বহু বস্তুৰ খৰচ বৃদ্ধি কৰিব । কাৰণ, ভাৰতে বহিঃৰাজ্যৰ পৰা ঔষধৰ কেঁচামাল, যন্ত্ৰপাতিকে ধৰি চিকিৎসা খণ্ডৰ বাবে জৰুৰী বহু বস্তু আমদানি কৰিব লগা হয়। ইয়াৰ লগে লগে স্বাস্থ্য বীমা আদিৰ খৰচো বৃদ্ধি পাব পাৰে। বিশেষজ্ঞসকলৰ মতে, ডলাৰৰ মূল্যৰ ক্ৰমাগত বৃদ্ধিৰ ফলত অচিৰেই বজাৰত বিদেশী গাড়ীৰো দাম বৃদ্ধি পাব। বিদেশত পঢ়াৰ ক্ষেত্ৰতো ভাৰতীয়সকলে বহুত টকা খৰচ কৰিব লাগিব। আনহাতে, খৰচ বৃদ্ধি হোৱাৰ লগে লগে বিদেশ ভ্ৰমণৰ হাৰো হ্ৰাস পাব বুলি অনুমান কৰিছে।

# বীমাৰ দাবী বাতিল নহ'বলৈ কৰক এই কাম

ভৱিষ্যতৰ বিষয়ে চিন্তা কৰিয়েই বহুলোকে জীৱন বীমা আঁচনিত ধন বিনিয়োগ কৰে। দুৰ্ঘটনাজনিত লাভালাভৰ বাবেও বহুলোকে বীমাত বিনিয়োগ কৰে। আকস্মিকভাৱে মৃত্যু হ'লে যাতে মৃতকৰ পৰিয়ালটোৱে জীৱন বীমা কোম্পানীৰ পৰা এক বৃহৎ পৰিমাণৰ ধন লাভ কৰে, মূলতঃ সেই উদ্দেশ্য আগত ৰাখিয়েই সকলোৱে জীৱন বীমা পলিচী ক্ৰয় কৰে। সেয়েহে বজাৰত এনে বীমাৰ যথেষ্ট চাহিদা আছে।

অৱশ্যে, প্ৰায়ে দেখা যায় যে জীৱন বীমা থকা ব্যক্তি এজনৰ মৃত্যুৰ পাছত, যেতিয়া তেওঁৰ পৰিয়ালে তেওঁৰ বীমা দাবী কৰিবলৈ বীমা কোম্পানীলৈ যায়, কোম্পানীয়ে তেওঁৰ আবেদন নাকচ কৰে। সাধাৰণতে টাৰ্ম ইন্সুৰেন্স বা ম্যাদী বীমাৰ ক্ষেত্ৰত এই ধৰণৰ ঘটনা সততে ঘটা দেখা যায়। বহু সময়ত দেখা যায় যে বীমা আঁচনিখন ক্ৰয় কৰাৰ আগতে ব্যক্তিজনৰ দেহত কোনো ৰোগে বাহ লৈছিল, কিন্তু পলিচীখন ক্ৰয় কৰাৰ সময়ত তাৰ পৰা সাময়িকভাৱে মুক্তিলাভ কৰা বাবেই হওঁক নাইবা লুকুৱাই ৰখাৰ উদ্দেশ্যৰেই হওঁক, বেমাৰৰ কথা উল্লেখ নকৰে। এনে ক্ষেত্ৰত পাছলৈ যদি ব্যক্তিজন সেই ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে, তেন্তে তেওঁৰ পৰিয়ালে বৃহৎ সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিব পাৰে। দৰাচলতে আঁচনি এখন ক্ৰয় কৰোতে সকলো সমস্যা সৰু ভুলৰ পৰাই আৰম্ভ হয় আৰু ফলস্বৰূপে বীমাৰ দাবী নাকচ কৰা হয়। গতিকে মনত ৰাখিব, যদিহে আপুনি সাধাৰণ বীমা পলিচী এখন ক্ৰয় কৰাৰ সময়ত আপোনাৰ কোনো শাৰীৰিক ৰোগ লুকুৱাই ৰাখে বা সুৰা আৰু ধূমপানৰ অভ্যাসৰ দৰে তথ্য লুকুৱাই ৰাখে, তেন্তে বীমা দাবী বাতিল হোৱাৰ আশংকা নুই কৰিব নোৱাৰি।






# ডাকঘৰৰ এই আঁচনিত বিনিয়োগ কৰিলে লাভ কৰিব ১৬ লাখৰো অধিক টকা!

**বিনিয়োগৰ** প্ৰতি ভাৰতীয়সকলৰ উৎসাহ আৰু আগ্ৰহ পূৰ্বৰ তুলনাত এতিয়া ভালেখিনি বৃদ্ধি পাইছে। কিন্তু নিজৰ অজ্ঞতা, সচেতনতাৰ অভাৱ বা অভিজ্ঞ পৰামৰ্শদাতাৰ অভাৱৰ বাবেই বহুতে পৰিকল্পিত ধৰণে লাভ আহৰণত ব্যৰ্থতাৰ সন্মুখীন হ'বলগীয়াত পৰে আজিও। যুৱ প্ৰজন্মৰ মাজত ইপিএফ, বীমা, শ্বেয়াৰ আদিৰ জনপ্ৰিয়তা বিগত কেইটামান বছৰত লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে। বিশেষকৈ কৰ'নাৰ পাছৰে পৰা সুৰক্ষিত বিনিয়োগৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব কিমান বেছি সেয়া ভালদৰে বুজি উঠিছে ভাৰতীয়সকলে। কিন্তু ভাৰতত বিনিয়োগকাৰীৰ অজ্ঞতাৰ বাবে অথবা তেওঁলোকে কৰা কেতবোৰ ভুলৰ বাবে পাবলগীয়া ৰিটাৰ্ণ হেৰুৱাবলগীয়া হোৱাৰ বহু ঘটনাৰ নজিৰ আছে। সুৰক্ষিত বিনিয়োগ বিকল্প বাছনি নকৰা বাবেই বিনিয়োগৰ বাটত পদে পদে মুখ থেকেচা খাবলগীয়া হয় বহুতে। যদি আপুনিও সম্পূৰ্ণ সুৰক্ষিত বিনিয়োগ বিকল্প বিচাৰি হাবাথুৰি খাইছে তেন্তে আপোনাৰ বাবে ডাকঘৰৰ সঞ্চয় আঁচনিবোৰ ভাল বিকল্প হিচাপে প্ৰমাণিত হ'ব পাৰে। বিশেষকৈ ডাকঘৰৰ ক্ষুদ্ৰ সঞ্চয় আঁচনিসমূহ বেংকৰ ফিক্সড্ ডিপ'জিটতকৈ বহুক্ষেত্ৰত ভাল। ই কম খৰচৰ স'তে বিনিয়োগত বৃহৎ মুনাফা উপাৰ্জন কৰাত সহায় কৰে । এনে এক আঁচনি হৈছে পোষ্ট অফিচ ৰেকাৰিং ডিপ'জিট বা চমুকৈ আৰডি আঁচনি।

ডাকঘৰ আৰডি ডিপ'জিট একাউণ্ট হৈছে উন্নত সুতৰ হাৰৰ স'তে সৰু কিস্তি জমা কৰাৰ চৰকাৰৰ দ্বাৰা প্ৰদত্ত এক গেৰাণ্টি আঁচনি। আৰডি আঁচনিত প্ৰাৰম্ভিকভাৱে অতি কম ধনেৰে আৰম্ভ কৰিব পাৰিব বিনিয়োগ। ইয়াত মাহে মাত্ৰ ১০০ টকাৰ পৰা বিনিয়োগ আৰম্ভ কৰিব পৰা যায়। আনহাতে, সৰ্বাধিক পৰিমাণৰ বিনিয়োগৰ কোনো সীমা নাই অৰ্থাৎ আপুনি যিমান বিচাৰে সিমান টকা এই আঁচনিত বিনিয়োগ কৰিব পাৰে।

এনে আৰডি একাউণ্ট পাঁচ বছৰৰ বাবে খোলা হয়। ইয়াত কম সময়ৰ বাবে বিনিয়োগ কৰিব নোৱাৰি। বাৰ্ষিক সুতৰ হাৰত প্ৰতি তিনিমাহত জমা কৰা ধনৰ ওপৰত সুত গণনা কৰা হয়। ইয়াৰ পাছত প্ৰতি তিনিমাহৰ শেষত একাউণ্টত চক্ৰবৃদ্ধি সুতৰ স'তে সংযোজিত কৰা হয়। বৰ্তমানে আৰডি আঁচনিত ৫.৮ শতাংশকৈ সুত পৰিশোধ কৰি থকা হৈছে। উল্লেখ্য, যে কেন্দ্ৰীয় চৰকাৰে প্ৰতি তিনিমাহৰ মূৰে মূৰে আৰডিকে ধৰি ডাকঘৰৰ সকলো ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ সুতৰ হাৰ পৰিৱৰ্তন কৰে।

এতিয়া আহো ডাকঘৰৰ আৰডি আঁচনিত বিনিয়োগ কৰিলে ১৬ লাখৰো অধিক টকা কেনেদৰেনো লাভ কৰিব পাৰি সেই বিষয়লৈ। যদি আপুনি ডাকঘৰৰ আৰডি আঁচনিত ১০ বছৰৰ বাবে প্ৰতি মাহে ১০,০০০ টকাকৈ বিনিয়োগ কৰে, আপুনি ম্যাদপূৰ্তিৰ অন্তত মুঠ ১৬,২৬,৪৭৬ লাখ টকা লাভ কৰিব। অৱশ্যে সময়মতে আৰডি কিস্তি জমা নকৰিলে জৰিমনা পৰিশোধ কৰিবলগীয়া হ'ব পাৰে। যদিহে কিস্তিত পলম হয় তেন্তে আপুনি প্ৰতি মাহে এক শতাংশকৈ জৰিমনা পৰিশোধ কৰিব লাগিব। লগতে, যদি আপুনি একেৰাহে চাৰিটা কিস্তি জমা নকৰে, তেন্তে আপোনাৰ একাউণ্ট বন্ধ কৰি দিয়া হ'ব পাৰে। অৱশ্যে, একাউণ্টটো বন্ধ হ'লে ইয়াক পৰৱৰ্তী দুমাহৰ ভিতৰত পুনৰ সক্ৰিয় কৰি ল'ব পাৰিব ।

# ম'বাইলত কেইছেকেণ্ডমানৰ ভিতৰতে খোলক এনপিএছ একাউণ্ট

**বেংক** অৱ ইণ্ডিয়াই শেহতীয়াকৈ পেঞ্চন ফাণ্ড নিয়ন্ত্ৰক পিএফআৰডিএ (পেঞ্চন ফাণ্ড ৰেগুলেটৰী এণ্ড ডেভেলপমেণ্ট অথৰিটি)ৰ স'তে সহযোগিতাত এক ডিজিটেল প্লেটফৰ্ম মুকলি কৰিছে। এই ডিজিটেল প্লেটফৰ্ম ব্যৱহাৰ কৰি গ্ৰাহকে নিজৰ হাতত থকা ম'বাইল ফোনটোৰ পৰা খুব সহজতে আৰু কম সময়ৰ ভিতৰতে এনপিএছ একাউণ্ট খুলিব পাৰিব। গ্ৰাহকে কেৱল কিউআৰ কোড (QR Code) ৰ দ্বাৰা কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ এনপিএছত নিজৰ নামভৰ্তি কৰিব পাৰিব। উল্লেখ্য যে বেংক অৱ ইণ্ডিয়া আৰু পেঞ্চন ফাণ্ড নিয়ন্ত্ৰক পিএফআৰডিএক এই মঞ্চ নিৰ্মাণত সহায় কৰিছে কে-ফিনটেক নামৰ সংস্থাটোৱে। উক্ত ডিজিটেল প্লেটফৰ্ম উদ্বোধন কৰা হয় পিএফআৰডিএৰ অধ্যক্ষ সুপ্ৰতিম বেনাৰ্জী, বেংক অৱ ইণ্ডিয়াৰ এমডি এণ্ড চিইঅ' এ কে দাস আৰু বেংকৰ কাৰ্যবাহী সঞ্চালক স্বৰূপ দাসগুপ্তৰ উপস্থিতিত।




নতুন এই ডিজিটেল প্লেটফৰ্মত কিউ আৰ কোডৰ জৰিয়তে এনপিএছ একাউণ্ট খোলাৰ প্ৰক্ৰিয়াটো অতি সহজ আৰু দ্ৰুত। তদুপৰি গ্ৰাহকে কোনো কাগজ নোহোৱাকৈ মাত্ৰ কেইটামান ক্লিকতে নতুন একাউণ্ট খুলিব পাৰিব। এই পদ্ধতিত কিউআৰ কোড স্কেন কৰিলে এনপিএছ একাউণ্ট খোলাৰ বাবে প্ৰয়োজনীয় ৱেব পেজ এটা খোল খাব। তাত আবেদনকাৰীয়ে ডিজি লকাৰৰ পৰা ফটো আৰু অন্যান্য নথিপত্ৰ আপলোড কৰি আধাৰ নম্বৰ দিব লাগিব।

কে-ফিনটেকৰ স'তে ৰাজহুৱা খণ্ডৰ বেংকটোৰ এই প্ৰযুক্তিগত সংহতিয়ে এনপিএছৰ ছাবস্ক্ৰিপচন প্ৰক্ৰিয়াটো সহজ, দ্ৰুত আৰু চাপমুক্ত কৰি তুলিব আৰু ই এনপিএছৰ বৃদ্ধিক আৰু অধিক আগুৱাই নিয়াৰ কাম কৰিব বুলি আশাবাদী বেংক কৰ্তৃপক্ষ। এই গোটেই প্ৰক্ৰিয়াটোত কে-ফিনটেকে ছফ্টৱেৰ ভিত্তিক লেনদেন ব্যৱস্থাপনা, চেনেল ব্যৱস্থাপনা আৰু সমস্যা সমাধান প্ৰদান কৰিব। উল্লেখ্য যে এই কোম্পানীটোৱে এচেট মেনেজাৰৰ উপৰি গ্ল'বেল আউটছ'ৰ্চিং সেৱা, ডাটা এনালাইটিক্স আৰু অন্যান্য বিভিন্ন ডিজিটেল সেৱা প্ৰদান কৰে।

# কৰ্মস্থান সলনি হ'লে দৰমহাৰ একাউন্টো সলনি কৰাৰ প্ৰয়োজন আছেনে ?

আপুনি এটাৰ পাছত আনটো ভাল চাকৰিৰ সুযোগ পাইছে নেকি? নতুন চাকৰিৰ স'তে দৰমহাৰ একাউন্টো সলনি কৰিছে নেকি? প্ৰকৃততে ইয়াৰ প্ৰয়োজন আছেনে বাৰু? বিত্তীয় পৰামৰ্শদাতা তথা বিনিয়োগ বিশেষজ্ঞই অৱশ্যে এনে কৰাৰ কোনো প্ৰয়োজন নাই বুলি পৰামৰ্শ দিয়ে। বৰঞ্চ নতুন চাকৰিৰ স'তে দৰমহাৰ একাউণ্ট সলনি কৰিলে আপুনি জৰিমনা পৰিশোধ কৰিব লগাহে হ'ব পাৰে। সঘনাই চাকৰি সলনি কৰি একাধিক বেংক একাউণ্ট খুলিলে অধিক সতৰ্কতাও অৱলম্বন কৰিব লাগে। নিয়ম অনুসৰি, যদি এজন ব্যক্তিৰ কোনো এটা বেংকত একাউণ্ট এটা আগৰে পৰাই থাকেই, তেন্তে তেওঁক সেইটো বেংকত দ্বিতীয়টো একাউণ্ট খুলিবলৈ অনুমতি দিয়া নহয়। তদুপৰি, যদি দৰমহা একাউণ্টত নিয়মীয়াকৈ টকা জমা কৰা নহয়, আপুনি একাউণ্টটো পুনৰ আৰম্ভ কৰিবলৈ এক বৃহৎ পৰিমাণৰ জৰিমনা পৰিশোধ কৰিব লগা হয়। সকলো দৰমহা একাউণ্ট হৈছে 'শূন্য বেলেন্স একাউণ্ট'। একেৰাহে তিনি মাহ ধৰি যদি সেই একাউন্টত টকা নোসোমায়, তেন্তে তেনে একাউন্ট জমা একাউন্টলৈ ৰূপান্তৰিত হয়। প্ৰতিটো জমা একাউন্টত যিহেতুকে ন্যূনতম বেলেন্স জমা ৰখাৰ নিয়ম, গতিকে এনে পৰিস্থিতিত উপভোক্তাৰ সমস্যা বাঢ়িব পাৰে। একাউন্টৰ ধৰণ অনুযায়ী ন্যূনতম ৫০০ টকাৰ পৰা ১০ হেজাৰ টকা পৰ্যন্ত বেলেন্স ৰাখিবলগীয়া হ'ব পাৰে উপভোক্তাই। যদিহে একাউণ্টত সিমান পৰিমাণৰ নিম্নতম বেলেন্স নাথাকে, তেন্তে জৰিমনা হিচাপে একাউণ্টৰ পৰা প্ৰতি মাহে এক নিৰ্দিষ্ট পৰিমাণৰ ধন কৰ্তন কৰা হয়। ইয়াৰ বাহিৰে, একাউণ্টটো খুলিবলৈ বেংকে গ্ৰাহকৰ পৰা অতিৰিক্ত একো মাচুল নল'লেও, ডেবিট কাৰ্ড-চেকবুককে ধৰি একাধিক সেৱাৰ বাবে বছৰি কিছু টকা কৰ্তন কৰে। গতিকে চাকৰি সলনিৰ লগে লগে পৰাপক্ষত ছেলাৰী একাউন্ট সলনি নকৰিবলৈ পৰামৰ্শ দিয়ে বিশেষজ্ঞসকলে।




# ২০২১-২২ বিত্তীয় বৰ্ষৰ বাবে আইটিআৰ

## আয়কৰ ৰিটাৰ্ণ দাখিল কৰাৰ প্ৰয়োজন নাই কাৰ ?

কিছুদিন পূৰ্বে আয়কৰ বিভাগে জনাইছিল যে চলিত মাহৰ ৩১ তাৰিখলৈকে সকলো আয়কৰ দাতাই নিজৰ নিজৰ আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব পাৰিব। আয়কৰ আইন মতে, যদিহে আয়কৰ প্ৰদানকাৰীসকলৰ মুঠ আয় দুই লাখ ৫০ হেজাৰ টকাতকৈ কম হয় তেন্তে তেনে ব্যক্তিয়ে আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব নালাগে। বিপৰীতে, যিসকল ব্যক্তিৰ আয় সৰ্বোচ্চ ৰেহাইৰ সীমা অতিক্ৰম কৰে তেওঁলোকে নিৰ্ধাৰিত সময়ৰ ভিতৰত আয়কৰ ৰিটাৰ্ণ দাখিল কৰিবই লাগিব।

**সৰ্বোচ্চ ৰেহাইৰ সীমা**

**আয়কৰ ৰিটাৰ্ণ ৰেহাইৰ সীমা বিভিন্ন ব্যক্তিৰ বাবে বেলেগ বেলেগ হয় । চাওঁ আহক...**

এজন প্ৰাপ্তবয়স্ক ব্যক্তিৰ বাবে ৰেহাইৰ সৰ্বোচ্চ সীমা দুই লাখ ৫০ হেজাৰ টকা।

জ্যেষ্ঠ নাগৰিকৰ বাবে (৬০ৰ পৰা ৮০ বছৰ বয়সৰ) ৰেহাইৰ সৰ্বাধিক সীমা তিনি লাখ টকা।

দেশত বাস কৰা জ্যেষ্ঠ নাগৰিক (৮০ বছৰ বয়সৰ)ৰ বাবে সৰ্বোচ্চ ৰেহাইৰ পৰিমাণ পাঁচ লাখ টকা।




যদি আপোনাৰ মুঠ আয়ৰ পৰিমাণে মৌলিক ৰেহাইৰ সীমা অতিক্ৰম কৰে কিন্তু বিভিন্ন কৰ্তনৰ বাবে কৰযোগ্য আয় ২.৫ লাখ টকাৰ তললৈ নামি যায়, তেন্তে কোনো কৰ দিব নালাগে।

**কাৰ বাবে আয়কৰ ৰিটাৰ্ণ দাখিল কৰাটো বাধ্যতামূলক ?**

যদি কোনো ব্যক্তিৰ এটা বিত্তীয় বৰ্ষত টিডিএছ, টিচিএছৰ পৰিমাণ ২৫ হেজাৰতকৈ অধিক হয় তেন্তে আয়কৰ আইন অনুসৰি তেনে ব্যক্তিয়ে আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব লাগে। আনহাতে, জ্যেষ্ঠ নাগৰিকৰ ক্ষেত্ৰত এই পৰিমাণ ৫০ হেজাৰতকৈ অধিক হ'লেহে তেওঁলোকে আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব লাগে। ইফালে, যদি কোনো ব্যক্তিৰ এটা বা ততোধিক বেংকৰ জমা একাউণ্টত থকা মুঠ ধনৰ পৰিমাণ ৫০ লাখ টকাতকৈ অধিক হয়, তেন্তে তেওঁ আয়কৰ ৰিটাৰ্ণ দাখিল কৰাটো বাধ্যতামূলক।

# চাকৰি সলনি কৰা ইপিএফ উপভোক্তাৰ বাবে বিশেষজ্ঞৰ দিহা

বৰ্তমানৰ যুৱ প্ৰজন্মৰ মাজত ভাল অভ্যাসেই বোলক অথবা বদ অভ্যাসেই, বাৰে বাৰে চাকৰি সলনি কৰাটো এতিয়া এক ট্ৰেণ্ড বা প্ৰৱণতাৰ দৰে হৈ পৰিছে। চাকৰিৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে ভৱিষ্যনিধি বা পিএফৰ বিষয়টো। অৱসৰৰ পাছত পিএফৰ সঞ্চয়েই বহুতৰ বাবে একমাত্ৰ বিত্তীয় সম্পদ হৈ পৰে। কিন্তু এই ক্ষেত্ৰত সকলোৰে মনত এটা প্ৰশ্ন উত্থাপিত হয় যে চাকৰি সলনি কৰিলে পিএফৰ ধন উলিওৱাৰ প্ৰয়োজন আছে নেকি? এই ক্ষেত্ৰত অৰ্থনৈতিক বিশেষজ্ঞসকলে কয় যে চাকৰি সলনি কৰাৰ লগে লগে পিএফৰ ধন উলিওৱাৰ কেনো দৰকাৰ নাই আৰু পৰাপক্ষত নুলিওৱাই ভাল। কিয়নো যদি ইউনিভাৰ্চেল একাউণ্ট নম্বৰ বা ইউএএন একাউণ্ট থাকে, চাকৰি সলনি হোৱাৰ পাছত নতুন পিএফ একাউণ্ট খোলাৰ প্ৰয়োজন নাথাকে। ভৱিষ্যনিধি সম্বন্ধীয় সকলো সুবিধা প্ৰাপ্ত কৰাৰ বাবে সমগ্ৰ দেশতে এটা একাউণ্টেই যথেষ্ট। চৰকাৰৰ অন্যান্য ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ তুলনাত ইপিএফৰ সুতৰ হাৰো সৰ্বাধিক। বৰ্তমান, চৰকাৰে ৮.১ শতাংশ হাৰত পিএফৰ সুত পৰিশোধ কৰি আছে। তদুপৰি পিএফৰ ক্ষেত্ৰত বছৰি ১.৫ লাখ টকালৈকে বিনিয়োগৰ ওপৰত আয়কৰ ৰেহায়ো উপলব্ধ। ইয়াৰ বাহিৰেও যদি মাজতে পিএফৰ ধন উলিওৱা নহয়, তেন্তে অৱসৰৰ পাছত এককালীন বৃহৎ পৰিমাণৰ ধনৰাশি উপলব্ধ কৰিব পাৰি আৰু এই ধন সম্পূৰ্ণৰূপে কৰমুক্ত।



দেওবৰীয়া দৈনিক অগ্ৰদূত

শেহতীয়াকৈ কে'বাবিধো খাদ্য সামগ্ৰীত সামগ্ৰী আৰু সেৱা কৰ (জিএছটি) আৰোপক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই বিষয়টোক লৈ বিভিন্নজনৰ মতামতেৰে আজিৰ প্ৰতিবেদন। *শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— হেমেন কুমাৰ দাস, অৰূপ কলিতা, মণিমালা ডেকা আৰু ছাহিন আহমেদ।*

# খাদ্য সামগ্ৰীত জিএছটিৰ মাধমাৰ

## আওপকীয়াকৈ চৰকাৰে একেবিধ সামগ্ৰীৰ কৰ বিভিন্ন পন্থাৰে বহুবাৰ সংগ্ৰহ কৰিছে

■ **মুৰুলী বৰুৱা,** সাংবাদিক



**সমগ্ৰ** ভাৰতবৰ্ষৰ লগতে অসমৰো সৰ্বসাধাৰণ জনতাৰ বাবে এক ভয়াবহ সময় তথা যন্ত্ৰণা নমাই আনিছে নিত্যব্যৱহাৰ্য সামগ্ৰী তথা খাদ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধি তথা জিএছটি বাজেটে। কিছুদিনৰ আগলৈকে সৰ্বসাধাৰণ জনতা দূৰৰে কথা বহু সাধাৰণ ব্যৱসায় কৰা লোকে বুজি পাবলৈ সময় লাগিছিল জিএছটি সম্পৰ্কে। ইতিমধ্যে ইন্ধনৰ অভাৱনীয় মূল্যবৃদ্ধি, বৰ্ধিত হাৰৰ ট'ল টেক্স, বৃহৎ পৰিমাণৰ বিভাগীয় পৰিবহণ কৰ আদিয়ে অভাৱনীয় হাৰত বৃদ্ধি কৰিলে সকলো ধৰণৰ পৰিবহণ ব্যয়। যাৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিকতে অভাৱনীয়ভাৱে বৃদ্ধি পালে সকলো ধৰণৰ সামগ্ৰীৰ মূল্য। আওপকীয়াকৈ একেবিধ সামগ্ৰীৰ কৰ বিভিন্ন পন্থাৰে চৰকাৰে বহুবাৰ সংগ্ৰহ কৰিছে। সেয়েহে চকুৰে সৰিয়হ ফুল দেখিছে সাধাৰণ জনতাই। তাতে আকৌ শেহতীয়াকৈ জিএছটি পৰিষদৰ দুদিনীয়া বৈঠকত ভাৰতৰ বিত্তমন্ত্ৰীয়ে সামগ্ৰী আৰু সেৱা কৰৰ ওপৰত কৰৰ হাৰৰ ব্যাপক পৰিৱৰ্তন ঘটাইছে। ভাৰতবৰ্ষৰ দৰে এখন উন্নয়নশীল ৰাষ্ট্ৰৰ বাবে অতি দুৰ্ভাগ্যজনক কথা যে শেহতীয়াকৈ চৰকাৰৰ পুঁজি নাটনিৰ সংকট দূৰ কৰিবৰ বাবেই ইতিমধ্যে হৈ থকা অভাৱনীয় মূল্যবৃদ্ধি তথা মুদ্ৰাস্ফীতিৰ তাণ্ডৱক একাষৰীয়াকৈ থৈ দেশৰ মুঠ ১৫৬৭ বিধ সামগ্ৰীৰ ভিতৰত ১৩৯৯ বিধতেই আৰোপ কৰা হ'ল জিএছটি। পূৰ্বে কিছু সংখ্যক অতি নিত্যব্যৱহাৰ্য সামগ্ৰিক সেৱা কৰৰ পৰা ৰেহাই দিয়া হৈছিল যদিও এতিয়া সেইসমূহ সামগ্ৰীতো আৰোপ কৰা হ'ল কৰৰ বোজা। এতিয়া বেংকৰ চেকখনৰ পৰা আৰম্ভ কৰি চাউল, দাইল, গুড়, মুড়ি, চিৰা, মৌ, দৈ, আটা, গোমধান আদি কৰি সকলোবোৰ উৎপাদিত সামগ্ৰীত লাগি গ'ল জিএছটি। আনকি বাদ দিয়া নহ'ল চিকিৎসালয়ৰ বিছনাখনকো।

ৰন্ধন গেছ, জীৱনদায়িনী ঔষধ, সকলো ধৰণৰ পৰিবহণ ব্যয়, পেট্ৰ'ল ডিজেল আৰু বিদ্যুতৰ ব্যাপক মূল্যবৃদ্ধিয়ে সৰ্বকালৰ অভিলেখ ৰচিলে ভাৰতবৰ্ষত। যদি দেশত এখন দীঘলীয়া যুদ্ধ চলিলহেঁতেন, যদি সমগ্ৰ ভাৰতবৰ্ষত ভয়াবহ প্ৰাকৃতিক দুৰ্যোগৰ সৃষ্টি হ'লহেঁতেন তেতিয়া এনে মূল্যবৃদ্ধিক জনসাধাৰণে সহজভাৱে ল'লেহেঁতেন। তেনে দুৰ্যোগ নহাকৈয়ে ভাৰতবৰ্ষত এই মূল্যবৃদ্ধিয়ে কেন্দ্ৰীয় চৰকাৰখনৰ ফোঁপোলা স্বৰূপটোকে উদঙাই দিছে আৰু সমগ্ৰ ভাৰতবৰ্ষৰ বাবেও এক ভয়াবহ সময়ৰ ইংগিত বহন কৰিছে। এতিয়া অভাৱনীয় মূল্যবৃদ্ধি তথা জিএছটি নাগপাশে মেৰিয়াই ধৰিছে দেশৰ শ্ৰমজীৱী মানুহখিনিৰ লগতে নিম্নমধ্যবিত্ত শ্ৰেণীৰ লোকসকলক। একমাত্ৰ ৰাজনৈতিক লাভালাভৰ বাবেই লাখ লাখ কোটি টকাৰ বিনামূলীয়া বিভিন্ন আঁচনি ৰূপায়ণ কৰি ভোট বেংকৰ ৰাজনীতি কৰা বিজেপি শাসিত কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰ কেইখনে ৰাষ্ট্ৰখনৰ বিশেষকৈ দুটা শ্ৰেণীৰ সাধাৰণ জনতাক এক অন্ধকাৰ ভৱিষ্যতৰ দিশে লৈ গ'ল। ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীয়ে জনসাধাৰণক কেৱল শিক্ষা, স্বাস্থ্য আৰু ন্যায় বিনামূলীয়াকৈ দিয়াৰ কথা কৈছিল।

কিন্তু বৰ্তমানৰ চৰকাৰখনে ৰাজভঁৰাল উদং কৰি একাংশ ৰাজনৈতিক সমৰ্থক হিতাধিকাৰীৰ সৃষ্টি কৰি এতিয়া নিত্যব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ লগতে শিক্ষা, স্বাস্থ্যতো ব্যাপক মূল্যবৃদ্ধি ঘটালে। এতিয়াও সময় আছে, এই বিনামূলীয়া আঁচনিসমূহ বন্ধ কৰি চৰকাৰখনে জিএছটি বাজেটত থকা বৰ্ধিত মূল্যবৃদ্ধিক প্ৰত্যাহাৰ কৰক। অপ্ৰিয় হ'লেও সত্য যে চৰকাৰখনৰ এনে অদূৰদৰ্শী সিদ্ধান্তৰ বাবেই দেশৰ টকাৰ মূল্যই ডলাৰৰ তুলনাত সৰ্বকালৰ নিম্নগামিতাৰ ইতিহাস সৃষ্টি কৰিলে। আজি দেশৰ জনতা অতিষ্ঠ হৈ পৰিছে, অসহায় হৈ পৰিছে। এই কথা কল্যাণকামী ৰাষ্ট্ৰখনৰ মুৰব্বীসকলে অনুধাৱন কৰাটো উচিত।

তাকে যদি কৰিব নোৱাৰে দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰীয়া জয়ন্তীৰ প্ৰাক মুহূৰ্তত পৰিহাৰ কৰক ভাৰতবৰ্ষ এখন কল্যাণকামী ৰাষ্ট্ৰ বোলা বাক্যশাৰী। কাৰণ কল্যাণকামী ৰাষ্ট্ৰ এখনৰ জনসাধাৰণে ইমান যন্ত্ৰণা আৰু কষ্টৰ মাজেৰে জীয়াই নাথাকে।

## বানপানীত কক্‌বকাই থকা জনতাই বোজা ল'ব পাৰিবনে

■ **গৌৰী প্ৰসাদ শৰ্মা,** সহকাৰী জন সম্পৰ্কৰক্ষী বিষয়া, শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও



**ক'ভিড,** ক'ভিডোত্তৰ পৰিস্থিতিত চূড়ান্তভাৱে দিশহাৰা জনতাৰ মূৰত পুনৰাই ৰামটাঙোন শাসকীয় পক্ষৰ। বান পৰিস্থিতিৰ নিৰ্মূলত সদিচ্ছা প্ৰদৰ্শন নকৰা শাসনাধিষ্ঠিত চৰকাৰে কিছুদিন আগৰে পৰা ২০ৰো অধিক খাদ্য সামগ্ৰীকে ধৰি আন বহুতো সামগ্ৰীত আৰোপ কৰিছে জিএছটি। নিত্য প্ৰয়োজনীয় সামগ্ৰীসমূহৰ উৎপাদনৰ স্থান সলনি হ'লে বিভিন্ন শ্ব'পিং মলৰ পৰা সামগ্ৰী ক্ৰয় কৰিলেই আপুনি-মই ভৰিব লাগিব জিএছটি অৰ্থাৎ একপ্ৰকাৰৰ কৰ। মূল্যবৃদ্ধিক লৈ সম্প্ৰতি বিশেষ চৰ্চা চলিছে। বানপানীত কক্‌বকাই থকা আমাৰ ৰাজ্য অসমৰ জনতাই কেন্দ্ৰ চৰকাৰৰ দ্বাৰা নিৰ্ধাৰণ কৰা সামগ্ৰী কৰৰ বোজা ল'ব পাৰিবনে? ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়েৰে জীৱন নিৰ্বাহ কৰা নিম্ন মধ্যবিত্তৰ বাবে ৰোড টেক্সৰ উপৰি মূল্যবৃদ্ধি তাৰ জিএছটি অন্তৰ্ভুক্ত কৰি কৰা মূল্যৰ উচ্চতাই চৰকাৰে উপাৰ্জন একপ্ৰকাৰে কাটি নিয়াৰ ব্যৱস্থা কৰিছে। এই ব্যৱস্থা নিঃসন্দেহে ক্ষতিকাৰক। প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ উপৰি কলম-পেন্সিল আদিতো জিএছটি আৰোপ কৰা কাৰ্য স্বাভাৱিকতে নিন্দনীয়। খাদ্য সামগ্ৰীৰ উৎপাদন বৃদ্ধি, খাদ্য সামগ্ৰী মজুত কৰাৰ বাবে শীতল ভঁৰাল প্ৰস্তুত, উদ্যোগ প্ৰতিষ্ঠা কৰি এক জনমুখী চিন্তা কৰাৰ বিপৰীতে সততে কৰা মূল্যবৃদ্ধি তথা প্ৰয়োজনীয় সামগ্ৰীত জিএছটি আৰোপ কাৰ্য ভূতৰ ওপৰত দানহ পৰা সদৃশহে।

## অতিৰিক্ত জিএছটিৰে সৰ্বসাধাৰণক মাধমাৰৰ চৰকাৰৰ যুক্তি বাতুলামিৰ বাদে একো নহয়

■ **অৰূপজ্যোতি মহন্ত,** জ্যেষ্ঠ সাংবাদিক



**যোৱা** ২৯ জুনত চণ্ডিগড়ত অনুষ্ঠিত জি এছ টি পৰিষদৰ ৪৭ সংখ্যক বৈঠকত 'পেকেজড' আৰু 'লেবেল'যুক্ত কে'বাবিধো সামগ্ৰীৰ পাঁচ শতাংশ জি এছ টি আৰোপৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই সামগ্ৰীবোৰৰ ভিতৰত বহু কেইবিধ এনে সামগ্ৰী আছে যিবোৰ দৈনন্দিন জীৱনত সদায় ব্যৱহাৰ হয়। তাৰ ভিতৰত অন্যতম হ'ল চাউল, ঘেঁহু, পাপৰ, মৌ আদি। চৰকাৰৰ এই সিদ্ধান্তই দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কিয়নো অভাৱনীয় মূল্যবৃদ্ধিৰ জুইত দগ্ধ হৈ থকা সৰ্বসাধাৰণৰ ওপৰত পুনৰ আন এক মাধমাৰ শোধাই চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। বিৰোধী দলবোৰো চৰকাৰৰ সিদ্ধান্তক লৈ সৰৱ হৈছে। অৱশ্যে জি এছ টি পৰিষদৰ বৈঠকখনত কোনো এখন ৰাজ্যৰে বিত্তমন্ত্ৰীসকলে এই সিদ্ধান্তৰ বিৰোধিতা নকৰিলে বুলি চৰ্চা চলিছে। দেশৰ কে'বাখনো ৰাজ্যত বিজেপি তথা এনডিএৰ বিৰোধী দলৰ শাসন আছে। তেনেহ'লে কি বিৰোধী দলবোৰেও ৰাইজক দেখুৱাবলৈকেহে চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছে নেকি? সস্তীয়া ৰাজনীতিত অৱশ্যে এনে বহু ঘটনাই সংঘটিত হয়। তাৰ বিপৰীতে সকলো যন্ত্ৰণা ভুগিব লাগে সাধাৰণ জনতাই। চৰকাৰে দিয়া যুক্তি অনুসৰি যিবোৰ সামগ্ৰীৰ ওপৰত জি এছ টি আৰোপৰ সিদ্ধান্ত লৈ যোৱা ১৮ জুলাইৰ পৰা তাক কাৰ্যকৰীও কৰা হৈছে, সেইবোৰ সামগ্ৰীৰ ক্ৰেতা সমাজৰ একেবাৰে সাধাৰণ লোকসকল নহয়। অৰ্থাৎ দুখীয়া আৰু নিম্ন মধ্যবিত্তৰ ওপৰত ইয়াৰ বোজা নপৰে। চৰকাৰৰ এই যুক্তি বাতুলামিৰ বাদে আন একো নহয়। কাৰণ সাম্প্ৰদায়িক বজাৰ ব্যৱস্থাত প্ৰায় সকলো সামগ্ৰীৰে লেবেলযুক্ত আৰু পেকেজড। স্বাস্থ্য ৰক্ষাৰ বাবে এনে সামগ্ৰী গ্ৰাহকে ক্ৰয় কৰাত চৰকাৰেও সদায় গুৰুত্ব দি আহিছে। গতিকে একেবাৰে দুখীয়া লোকসকলেও এনে সামগ্ৰীয়ে ক্ৰয় কৰে। সেইকাৰণে দোকানত খোলাকৈ বিক্ৰী কৰা সামগ্ৰী আজিকালি পোৱা নাযায়। চাউল খোলাকৈ পোৱা যায় যদিও সেই চাউল ক্ৰয় কৰা গ্ৰাহকৰ সংখ্যা একেবাৰে নগণ্য। কাৰণ তেনে চাউলৰ আচল ক্ৰেতাসকলৰ অধিকাংশই চৰকাৰৰ পৰা বিনামূলীয়াকৈ চাউল লাভ কৰে।

বিভিন্ন প্ৰকাৰৰ খাদ্য সামগ্ৰীৰ উপৰি হাস্পতালৰ বিছনা, চিঞাহী, পেঞ্চিলৰ ছাৰ্পনাৰ, চামুচ, চুৰি, এলইডি লেম্প আদিৰ ওপৰতো এই বৈঠকতে পাঁচ শতাংশ জি এছ টি আৰোপ কৰা হয়। এইবোৰৰ ভিতৰত সৰ্বাধিক চৰ্চাত থকাত শিতানটো হ'ল হাস্পতালৰ কোঠা। স্বাভাৱিক জীৱন যাত্ৰাত সকলো স্তৰৰ লোকৰে চিকিৎসা ব্যয় অভাৱনীয়ভাৱে বৃদ্ধি হৈছে। এনে ক্ষেত্ৰত চিকিৎসালয়ৰ বিছনা তথা চিকিৎসালয়ৰ কোঠাৰ ওপৰত অতিৰিক্ত জি এছ টি আৰোপে সাধাৰণ শ্ৰেণীটোকো মাধমাৰ শোধোৱাটো নিশ্চিত। চৰকাৰী চিকিৎসা ব্যৱস্থাত থকা দুৰ্বলতাৰ বাবে ঘৰৰ মাটি ভেটি বিক্ৰী কৰিব লগা পৰিস্থিতি হ'লেও বেছিভাগ সাধাৰণ লোকৰ প্ৰথম পছন্দ হ'ল ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহ। সেইকাৰণে চৌদিশে গঢ়ি উঠা এনে চিকিৎসালয়বোৰত সদায় মানুহৰ ভিৰ হৈ আহিছে। তাৰে বেছিভাগেই কিন্তু নিম্ন মধ্যবিত্তীয় লোক। গতিকে চৰকাৰে যিবোৰ যুক্তিৰে এই ধৰণৰ শিতানবোৰত অতিৰিক্ত জি এছ টি আৰোপ কৰিছে তাৰ ফলত সমাজৰ সকলো শ্ৰেণীৰ লোক প্ৰভাৱিত হ'বই। চৰকাৰৰ আত্মপক্ষ সমৰ্থনৰ যুক্তি অৰ্থহীন।

## একাংশ শিশুক সুখাদ্যৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব বিচৰা হৈছে

■ **দীপেন শইকীয়া,** ব্যৱসায়ী



**ইতিমধ্যে** যিহেতু অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি আকাশলংঘী হৈছে। এনে সময়তে খাদ্য সামগ্ৰীৰ পৰা হাস্পতালৰ কোঠালিলৈকে তথা শিশু খাদ্যৰ ওপৰত আকৌ নতুনকৈ জিএছটি আৰোপ কৰা কাৰ্য ভূতৰ ওপৰত দানহ পৰাৰ দৰে হৈছে। পেকেটৰ খাদ্য যেনেদৰে কেৱল ধনী শ্ৰেণীৰ লোকৰ বাবেহে বুলি জিএছটিৰ দ্বাৰা সাধাৰণ লোকক বুজাবলৈ চেষ্টা কৰা হৈছে একেদৰে শিশু খাদ্যত জিএছটি আৰোপৰে একাংশ শিশুকো ভাল খাদ্যৰ অধিকাৰৰ পৰা বঞ্চিত কৰিবলৈ বিচৰাৰ দৰে হৈছে। কৰৰ ওপৰত কৰ জাপি দি সাধাৰণ ৰাইজক ইতিমধ্যে জুৰুলা কৰা হৈছেই। আচৰিত ধৰণে ক্ৰয় কৰোতে কৰ, পৰিবহণত কৰকে ধৰি বিভিন্ন শিতানত পৃথকে কৰ আদায়ৰ যি ব্যৱস্থা এই ব্যৱস্থাৰে মানুহে এবিধ সামগ্ৰীতে বৰ্ধিত নিৰিখত কৰ ভৰিবলগীয়া হোৱাটোৱে দেশৰ অৰ্থনৈতিক অৱস্থা আৰু ভৱিষ্যৎ বিপজনক কৰিব বুলি ধাৰণা হৈছে। সাধাৰণ ৰাইজে খাদ্য সামগ্ৰী ক্ৰয় কৰোতে স্বাভাৱিকতে এই জিএছটিয়ে কোঙা কৰিব। চৰকাৰৰ দ্বাৰা এফালে হিতাধিকাৰী সৃষ্টি আৰু আনফালে কৰৰ উপৰি কৰ জাপি থকা ঘটনাই ৰাইজক বিপদত পেলোৱাৰ লগতে চৰকাৰৰ বিৰুদ্ধে ক্ষোভ বৃদ্ধি কৰিব।

## নিবনুৱা সমস্যা, মুদ্ৰাস্ফীতি আৰু ক্ষুধাৰ ঘাৰ ওপৰত নিমখ ছটিওৱাৰ দৰে হৈছে

■ **অৰূপ কুমাৰ মহন্ত,** সাধাৰণ সম্পাদক সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থা



**কেন্দ্ৰীয়** চৰকাৰে খাদ্য সামগ্ৰীৰ ওপৰত পাঁচ শতাংশ জিএছটি আৰোপ কৰি নিবনুৱা সমস্যা, মুদ্ৰাস্ফীতি আৰু ক্ষুধাৰ ঘাৰ ওপৰত নিমখ ছটিওৱাৰ দৰে কাম কৰিছে। মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনৰ মূল লক্ষ্য আৰু উদ্দেশ্য হৈছে ভাৰতবৰ্ষক হিন্দু ৰাষ্ট্ৰলৈ পৰিণত কৰা। সাধাৰণ জনতাৰ জীৱন-জীৱিকাৰ সমস্যা আজি মোদী চৰকাৰৰ বাবে মুখ্য বিষয় নহয়। মোদী চৰকাৰৰ কাম হ'ল কৰ্প'ৰেট আৰু বৃহৎ দেশী-বিদেশী বণিক গোষ্ঠীৰ সেৱা কৰাটো।

নোটবন্দী, ক'ভিড পৰিস্থিতি আৰু দেশৰ বিভিন্ন ৰাজ্যৰ বান পৰিস্থিতিয়ে যিখিনি সময়ত সাধাৰণ জনতাৰ অৰ্থনৈতিক অৱস্থা অধিক দুৰ্বল কৰি তুলিছে সেইখিনি সময়ত খাদ্য সামগ্ৰীৰ ওপৰত জিএছটি আৰোপেৰে ৰাজভঁৰালৰ কৰ সংগ্ৰহৰ যি নীতি গ্ৰহণ কৰিছে ই সঁচাকৈয়ে দানৱীয় আৰু সাধাৰণ শ্ৰমজীৱী-কৃষিজীৱী দুখীয়া লোকৰ স্বাৰ্থ বিৰোধী নীতি। এইখন চৰকাৰে বছৰে বছৰে বৃহৎ ব্যৱসায়ী আৰু কৰ্প'ৰেটৰ লাখ লাখ কোটি টকা ঋণ ৰেহাই দিয়ে। এইখন চৰকাৰে বৃহৎ পুঁজিপতি আৰু কৰ্প'ৰেটক অতিকৈ কম সুতত ঋণ প্ৰদান কৰে। বিজয় মালিয়াৰ দৰে দেশৰ জনসাধাৰণৰ হেজাৰ হেজাৰ কোটি টকা চুৰি কৰি পলায়ন কৰাত শাস্তি হয় মাত্ৰ দুহেজাৰ টকাৰ জৰিমনা। বছৰি দুই কোটি নিবনুৱাক সংস্থাপন দিম বুলি প্ৰতিশ্ৰুতি দিয়া সেই মোদী চৰকাৰে ইতিমধ্যে লক্ষ লক্ষ কৰ্মৰত লোকক কৰ্মচ্যুত কৰিলে। সামৰিক বাহিনীত অগ্নিপথ যোজনা সংযোজন কৰিলে। ২০১৮ত নাইজেৰিয়াৰ দৰিদ্ৰৰ সংখ্যা আছিল ৮৭ মিলিয়ন আৰু ভাৰতত আছিল ৭৩ মিলিয়ন আৰু ২০২২ত নাইজেৰিয়াৰ দৰিদ্ৰৰ সংখ্যা হ'লগৈ ৭০ মিলিয়ন আৰু ভাৰতৰ হ'ল ৮৩ মিলিয়ন। আনফালে বিশ্বৰ অন্যতম ধনী ব্যক্তি বিল গেটছক অতিক্ৰম কৰিলে ভাৰতীয় পুঁজিপতি গৌতম আদানীয়ে। গৌতম আদানী এতিয়া বিশ্বৰ চতুৰ্থজন ধনী ব্যক্তি। এফালে দৰিদ্ৰ মানুহৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে আৰু আনফালে ভাৰতীয় পুঁজিপতিয়ে বিশ্বত অভিলেখ সৃষ্টি কৰিছে। আকাশলঙঘী মূল্যবৃদ্ধি আৰু মাৰ্কিন ডলাৰৰ তুলনাত টকাৰ মূল্য দ্ৰুত হ্ৰাস পোৱাৰ ফলত ৰাইজৰ প্ৰকৃত ক্ৰয়ক্ষমতা বেয়াৰ ফালে গতি কৰিছে। এনেস্থলত নিত্য প্ৰয়োজনীয় সামগ্ৰী আৰু সেৱাৰ ওপৰত অত্যধিক তথা অযথা জিএছটি আৰোপ কৰাটো যে হাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰা মানুহৰ ওপৰত কি প্ৰভাৱ পেলাব পাৰে সেয়া সহজে অনুমেয়। এয়াই হৈছে মোদী শাসনৰ মডেল। অসমৰ কথাই যদি কওঁ তেন্তে ২০২২ৰ জুনত অসমত নিবনুৱাৰ হাৰ ১৭.২লৈ বৃদ্ধি পাইছে আৰু নিটি আয়োগৰ মতে অসম হৈছে উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত মেঘালয়ৰ পাছতেই আটাইতকৈ দৰিদ্ৰ ৰাজ্য। এনে এক পৰিস্থিতিত মোদী চৰকাৰে ধনী মানুহে ব্যৱহাৰ কৰা হীৰাৰ ওপৰত ১.৫ জিএছটি আৰোপ কৰিছে অথচ দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী আৰু সেৱাৰ ওপৰত অযথা জিএছটি আৰোপ কৰি দেশৰ অৰ্থনৈতিক সংকটৰ বোজা দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ ওপৰত জাপি দিছে আৰু আম্বানী-আদানীৰ দৰে পুঁজিপতিহঁতক সকাহ দিছে। মোদী চৰকাৰৰ এই পদক্ষেপ দৰাচলতে এক নিষ্ঠুৰ, ক্ৰুৰ, বিদ্ৰূপৰ বাহিৰে একো নহয়।

## দৰিদ্ৰ লোকে ব্যৱহাৰ কৰা সামগ্ৰীৰ ওপৰতো জিএছটি ব্যৱস্থা মানি ল'ব নোৱাৰি

■ **প্ৰশান্ত দাস,** সমাজকৰ্মী



**হিতাধিকাৰীয়ে** বুজিয়েই পোৱা নাই জিএছটি মানে কি। সৰ্বসাধাৰণ মানুহে ব্যৱহাৰ কৰা সামগ্ৰীৰ ওপৰত জিএছটি জাপি দি দৰিদ্ৰ লোকসকলক চৰকাৰে যি মাধমাৰ দিছে ই অতিকৈ দুখজনক। সাধাৰণ অসমীয়া মানুহে ব্যৱহাৰ কৰা চিৰা, গুড়, মুড়ি, কৰাই আদি খাদ্য সামগ্ৰীৰ ওপৰত শতাংশ কৰ জাপি দিয়াটো চৰকাৰক পুনৰ বিবেচনা কৰিবলৈ অনুৰোধ জনালো। আনহাতে, অতি দুখজনক কথা যে জীৱনদায়িনী ঔষধৰ ওপৰত কৰ, হাস্পতালত ৰোগী থকা কোঠাৰ ওপৰতো জিএছ টিৰ নামত অতিৰিক্তভাৱে কৰ জাপি দিয়া হৈছে। এই কথাটো কেতিয়াও মানি ল'ব নোৱাৰি আৰু এই ৰোগীৰ ওপৰত জাপি দিয়া কৰৰ বোজা চৰকাৰে উঠাই ল'ব লাগে বুলি বিবেচনা কৰো। কিছুমান সামগ্ৰীৰ ওপৰত চৰকাৰক কৰ দিবই লাগিব তাত মোৰ ক'ব লগা নাই, যেনে বিলাসী বাহনৰ ওপৰত কৰ, ডাঙৰ ডাঙৰ আট্টালিকাৰ ওপৰত কৰ, বাগিচা, উদ্যোগ আদিৰ ওপৰত কৰ লওক কাৰণ এইবোৰ ধনী ধনী মানুহৰ সম্পত্তি।

ইয়াৰ ব্যৱহাৰ তেওঁলোকে যেনেদৰে কৰে তেনেদৰে উপাৰ্জনো কৰি আহিছে। গতিকে এই ক্ষেত্ৰত আপত্তি কৰিব লগা নাই, কিন্তু পহিলা জুলাইৰ পৰা দৰিদ্ৰ লোকে ব্যৱহাৰ কৰা খাদ্য সামগ্ৰীৰ ওপৰত যি কৰৰ ব্যৱস্থা কৰিলে এই চৰকাৰী সিদ্ধান্তত সাধাৰণ পৰিয়াল বিমোৰত পৰিছে। চৰকাৰে ভোটৰ অংকত হিতাধিকাৰী সজোৱা লোকসকলে বুজি উঠা উচিত যে তেওঁলোকৰ পৰাও চৰকাৰে বিভিন্ন ধৰণে জিএছটি আদায় কৰি আছে। চৰকাৰে ৰাইজলৈ সুনিশ্চিত তথ্যৰ যোগান, তথ্যৰ জ্ঞান, তথ্য প্ৰযুক্তি, যোগাযোগ সেৱা আৰু সামগ্ৰীৰ সুবিধাসমূহ আগবঢ়োৱাৰ চেষ্টা কৰক তেতিয়াহে দৰিদ্ৰ সৰ্বসাধাৰণ ৰাইজ উপকৃত হ'ব।

## ২৫ বিধ খাদ্য সামগ্ৰীত জিএছটি আৰোপৰে চৰকাৰে জনতাৰ পেটত আঘাত হানিছে

■ **প্ৰশান্ত বৈশ্য,** সভাপতি কৃষক শ্ৰমিক সুৰক্ষা সমিতি, অসম



**দৰিদ্ৰ** আৰু মধ্যবিত্ত লোকক লৈ ৰাজ্য চৰকাৰখনে এতিয়া দুমুখীয়া স্থিতি গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। বণিক গোষ্ঠীক সন্তুষ্ট কৰাৰ স্বাৰ্থত ৰাজ্য চৰকাৰখনে দৰিদ্ৰ তথা মধ্যবিত্ত লোকে সন্মুখীন হ'বলগীয়া সমস্যাসমূহৰ কথা এবাৰো বিবেচনা নকৰাকৈ প্ৰতিবিধ সামগ্ৰীৰ ওপৰত আৰোপ কৰিছে অত্যধিক জিএছটি। চৰকাৰখনৰ এনে কৰ্মকাণ্ডই আমাৰ দৰে প্ৰতিজন লোককে এতিয়া চিন্তিত কৰি তুলিছে। এইবাৰ ৰাজ্য চৰকাৰখনে ২৫ বিধ খাদ্য সামগ্ৰীৰ ওপৰত জিএছটি আৰোপ কৰি গ্ৰহণ কৰিছে হঠকাৰী তথা সাধাৰণ জনতাৰ পৰিপন্থী সিদ্ধান্ত। চৰকাৰখনে গ্ৰহণ কৰা এনে অবিবেচকীয় সিদ্ধান্তৰ পৰাই সাধাৰণ লোকৰ প্ৰতি থকা চৰকাৰৰ দায়িত্ববোধৰ বিষয়টো এৰাই চলা যেন আমাৰ অনুভৱ হৈছে। চৰকাৰৰ এনে মইমতালিৰ ফলতেই দৰিদ্ৰৰ প্ৰতি থকা নীতিহীন মনোভাবৰ আচল চৰিত্ৰ ৰাজহুৱা হৈ পৰিছে। আনকি প্ৰতিজন নাগৰিকৰ চকুৰ সন্মুখত এতিয়া স্পষ্ট হৈ পৰিছে চৰকাৰে সাধাৰণ লোকৰ লগত কৰা প্ৰৱঞ্চনা, চতুৰালি তথা অভিনয়ৰ বিষয়টোও। খাদ্য সামগ্ৰীৰ ওপৰত চৰকাৰখনৰ এনে হঠকাৰী সিদ্ধান্তৰ বাবে সাধাৰণ লোক এতিয়া বাৰুকৈয়ে চিন্তিত হৈ পৰিছে। যি সময়ত ৰাজ্য চৰকাৰখনে ইখনৰ পাছত আনখন অভিলাষী আঁচনিৰ কথা ঘোষণা কৰি ৰাইজৰ প্ৰশংসা বুটলিবলৈ আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে, ঠিক একেটা সময়তে একেখন চৰকাৰেই বিবেচনা নকৰাকৈ সাধাৰণ লোকে ব্যৱহাৰ কৰা পিঠাগুৰি, সান্দহগুৰী, চিৰা, মুড়িকে আদি কৰি ২৫ বিধ নিত্য প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ ওপৰত জিএছটি প্ৰয়োগ কৰি সাধাৰণ লোকক বিপদৰ মুখলৈ ঠেলি দিয়া বিষয়টো সকলোৰে বাবে এতিয়া চিন্তাৰ কাৰক হৈ পৰিছে। ২৫ বিধ খাদ্য সামগ্ৰীৰ ওপৰত নতুনকৈ জিএছটি আৰোপৰ বাবে এই খাদ্য সামগ্ৰীসমূহৰ মূল্য এতিয়া আকাশলংঘী হ'ব। ইয়াৰ ফলত জিএছটি ব্যৱস্থাৰ দ্বাৰা ক্ষতিগ্ৰস্ত আৰু প্ৰভাৱিত হ'ব সৰ্বসাধাৰণ লোক। এই কৰ ব্যৱস্থাৰ ফলত সম্ভ্ৰান্ত পৰিয়ালত কিঞ্চিতো প্ৰভাৱ নপৰিব। বিগত তিনিটা বৰ্ষ নানান সমস্যাৰ মুখামুখি হৈ ঘাত-প্ৰতিঘাতক প্ৰত্যাহ্বান জনাই অতি কষ্টকৰ জীৱন সংগ্ৰাম চলাই থকা অৱস্থাত চৰকাৰখনে এনে এটা কঠোৰ সিদ্ধান্ত লোৱাটো দুৰ্ভাগ্যজনক। আনকি মানুহৰ দৰে খাদ্য সামগ্ৰীসমূহতো চৰকাৰে এতিয়া শ্ৰেণী বিভাজন কৰিব বিচাৰিছে। চৰকাৰখনৰ একাংশ জনপ্ৰতিনিধিয়ে এতিয়া খাদ্য সামগ্ৰীত শ্ৰেণী বিভাজন কৰি দুখীয়াৰ খাদ্য আৰু ধনীৰ খাদ্য হিচাপে বিভক্ত কৰি এনেধৰণৰ টুলুঙা মন্তব্য কৰি ফুৰা দেখা গৈছে। এয়া জনদৰদী জনপ্ৰতিনিধিৰ আচৰণ হোৱাটো আমাৰ কাম্য নহয়। চৰকাৰ তথা ৰাইজৰ ভোটৰ দ্বাৰা নিজৰ গাদী সুৰক্ষিত কৰা জনপ্ৰতিনিধিসকলৰ এনে অদ্ভুত আচৰণ আৰু দৰিদ্ৰৰ ক্ষতিকাৰক হঠকাৰী সিদ্ধান্তসমূহ প্ৰতিহত কৰিবলৈ সকলোৰে একেলগে মাতমতাৰ সময় আহি পৰিছে। সেয়েহে ৰাজ্য চৰকাৰে সাধাৰণ লোক ক্ষতিগ্ৰস্ত হোৱা সিদ্ধান্তসমূহ পৰিহাৰ কৰি ৰাইজৰ পক্ষত থিয় দিবলৈ আহ্বান থাকিল।

## খাদ্য সামগ্ৰীত জিএছটি প্ৰৱৰ্তনত অসাধু ব্যৱসায়ীয়ে কৰ ফাকি দি লাভ কৰা সুবিধাৰ পৰা বঞ্চিত হ'ব

■ **ছাজাহান কুৰেছী,** সাংবাদিক, ৰঙাপৰা



**জিএছটিৰ** সম্পূৰ্ণ অৰ্থ হ'ল দ্ৰব্য আৰু সেৱা কৰ। দ্ৰব্য আৰু সেৱা কৰ হ'ল এবিধ পৰোক্ষ কৰ। ভাৰতৰ সকলো ধৰণৰ পৰোক্ষ কৰৰ বিলুপ্তি ঘটাই সমগ্ৰ দেশত কেৱল এবিধ কৰ ব্যৱস্থা কৰিব বিচৰা হৈছে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহে অসংখ্য পৰোক্ষ কৰ আৰোপ কৰি আহিছিল। কেন্দ্ৰীয় চৰকাৰে বিক্ৰী কৰ, উৎপাদনী শুল্ক, সেৱা কৰ, আমদানি ৰপ্তানি শুল্ক আদিৰ লগতে ৰাজ্য চৰকাৰসমূহেও ভেট, প্ৰৱেশ কৰ, আমোদ কৰ, বিলাসী কৰকে আদি কৰি অসংখ্য পৰোক্ষ কৰ আৰোপ কৰি আহিছিল। এতিয়া জিএছটিৰ অধীনত সকলো ধৰণৰ পৰোক্ষ কৰৰ বিলুপ্তি ঘটাই সমগ্ৰ দেশতে কেৱল এবিধ কৰ প্ৰচলন কৰিব বিচাৰিছে আৰু সেইবিধ কৰেই হ'ল দ্ৰব্য আৰু সেৱা কৰ বা জিএছটি। মনকৰিবলগীয়া যে পূৰ্বে অসংখ্য পৰোক্ষ কৰ প্ৰচলন থকাৰ কাৰণে একেবিধ দ্ৰব্যৰ ওপৰত একাধিকবাৰ কৰ আৰোপ কৰা আৰু ইয়াৰ কাৰণে কৰদাতাসকলৰ কৰৰ বোজা বৃদ্ধি পাইছিল। সাম্প্ৰতিক সময়ত আমি ক্ৰয় কৰা সামগ্ৰীবোৰত কেইবাবিধো পৰোক্ষ কৰ সোমাই থকাৰ উপৰি মূল্য সংযোজিত কৰো সংযোজিত হয়। সেয়ে সামগ্ৰীৰ মূল্য অধিক হৈ থাকে। সামগ্ৰী আৰু সেৱা কৰ প্ৰচলন হ'লে এই কৰবোৰ নাইকিয়া হৈ এটা কৰযুক্ত মূল্যত সামগ্ৰী আৰু সেৱা ক্ৰয় কৰাৰ সুবিধা পাব। একেবিধ সামগ্ৰীৰ ওপৰত বিভিন্ন ধৰণৰ পৰোক্ষ কৰ প্ৰযোজ্য হোৱাৰ বাবে প্ৰত্যক্ষ কৰসমূহৰ তুলনাত পৰোক্ষ কৰসমূহ সংগ্ৰহ কৰাত চৰকাৰী কৰ্তৃপক্ষ বেছি অসুবিধাত পৰে। যাৰ সুবিধা এচাম অসাধু ব্যৱসায়ীয়ে সদায় লাভ কৰি আহিছে আৰু চৰকাৰী কৰ্তৃপক্ষই প্ৰতিটো বিত্তীয় বৰ্ষত বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহৰ পৰা বঞ্চিত হৈ আহিছে আৰু ফলত দেশৰ বাজেটখন সদায় ঘাটি হৈ থাকিবলগীয়া হৈছে। ইয়াৰ উপৰি এই জিএছটিৰ যোগেদি সমগ্ৰ ভাৰতবাসীক এক ভাৰতীয় হোৱাৰ মানসিকতা তীব্ৰ কৰি তোলাৰ সম্ভাৱনা আছে।

## অতিৰিক্ত কৰ আৰোপ কৰি অৰ্থনীতিৰ ঘাটি পূৰণ কৰাটো আকাশত চাং পতা কথা

■ **দুলাল নাথ,** সাহিত্যকৰ্মী, ঠেলামৰা



**সম্প্ৰতি** দেশৰ অৰ্থনীতি চৰম বিপৰ্যয়ৰ দিশে গতি কৰিছে। টকাৰ মূল্য বিগত কেইটাও দশকৰ পাছত অভাৱনীয় হাৰত হ্ৰাস পাইছে। তথাপি চৰকাৰখনৰ গাত যে হুচ অহা নাই। বিদেশী বিনিয়োগকাৰীসকলে ভাৰতৰ আৰ্থিক দুৰৱস্থা দেখি দেশ এৰি যোৱাৰ বাতৰি আমি মাজে মাজে পঢ়িবলৈ পাইছো। দিনক দিনে কৰ্মসংস্থানহীনতাৰ ক্ষেত্ৰত দেশে বিগত ৪০টা বছৰৰ ৰেকৰ্ড ভংগ কৰিলে। আমাৰ বাবে ইয়াতকৈ আৰু দুখৰ কথা নাই। ইফালে, চৰকাৰে চৰকাৰী নিত্য নতুন আঁচনিৰ জৰিয়তে জনসাধাৰণক কি হিত সাধিব বিচাৰিছে ভগৱানেহে জানিব। বিগত দুই-তিনি বছৰ ধৰি সমগ্ৰ দেশ কৰ'না মহামাৰীৰ পৰা জৰ্জৰিত। দেশৰ ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি ফুটপাথৰ ব্যৱসায়ীৰ প্ৰায় দেউলীয়া অৱস্থা। ইয়াৰ উপৰি খাদ্য বস্তুকে ধৰি অন্যান্য সামগ্ৰীৰ মূল্য আকাশলংঘী হৈছেগৈ যাৰ ফলস্বৰূপে দৰিদ্ৰ সীমা ৰেখা লোকসকলৰ কথা বাদেই দিলো নিম্ন মধ্যবিত্ত লোকৰো অৱস্থা পানীত হাঁহ নচৰাৰ দৰে। দিনৰ দিনটো হাজিৰা কৰি এক লিটাৰ মিঠাতেল কোনোমতে গোটাব পাৰে তেনে অৱস্থাত কেন্দ্ৰীয় চৰকাৰে যোৱা ১৮ জুলাইত নিত্য প্ৰয়োজনীয় সামগ্ৰী যেনে দৈ, পনিৰ, চিৰা, মুড়িতো জিএছটি আৰোপ কৰিছে। সঁচাকৈয়ে ই বৰ দুখ লগা আৰু বেদনাদায়ক। বিগত দুটা বৰ্ষত সমগ্ৰ দেশৰ আন আন সামগ্ৰীৰ কথা নক'লোৱেই বা মাত্ৰ খাদ্য বস্তুত প্ৰায় ৪২ শতাংশ মূল্যবৃদ্ধি হৈছে।

নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ ওপৰত অতিৰিক্তভাৱে কৰ আৰোপ কৰি দেশৰ ঘাটি অৰ্থনীতি পূৰণ কৰাটো আকাশত চাং পতাৰ লেখীয়া কথা। মুঠৰ ওপৰত শাসক বিৰোধী বা সাধাৰণ জনতাই চৰকাৰৰ এনে ধৰণৰ কৰ নীতিৰ বিৰোধ কৰিলেও চৰকাৰখনে কোনো কথাতে গুৰুত্ব দিব নোখোজে যাৰ ফলস্বৰূপেই অতি কম সময়ৰ ভিতৰতে আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাৰ দৰে ভাৰতৰ অৰ্থনীতিৰ বিপৰ্যয়ৰ সন্মুখীন হোৱাটো প্ৰায় নিশ্চিত বুলি মোৰ ব্যক্তিগত অনুভৱ।

## শ্ৰীলংকাৰ দৰে নহ'লেও দক্ষিণ আফ্ৰিকাৰ দৰে বিলুপ্ত হ'ব মধ্যবিত্ত

■ **ছায়েদা ৰহমান,** সমাজ কৰ্মী বিন্দুকুৰি, তেজপুৰ



**আজি** কিছুদিনৰ পৰা শ্ৰীলংকাৰ বাতৰিয়ে আমাক বাৰুকৈয়ে চিন্তাত পেলোৱা নাইনে? নিশ্চয় পেলাব, কিয়নো আজি কিছুদিনৰ পৰা আমাৰ দেশতো প্ৰায় সকলো সামগ্ৰীৰে দাম অত্যধিক বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰি ভূতৰ ওপৰত দানহ জাপি দিয়াদি যোৱা ১৮ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ চৰকাৰে অন্যান্য সামগ্ৰীৰ লগতে নিত্য ব্যৱহায্য সামগ্ৰীসমূহত যি জিএছটি আৰোপ কৰিছে তাৰ ফলত দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ ওপৰত বেয়াকৈ প্ৰভাৱ পেলাব সেয়া নিশ্চিত। কোটাক ইনষ্টিটিউছনেল ছিকিউৰিটি ৰিচাৰ্ছৰ সমীক্ষা মতে, ২০২১ৰ মাৰ্চৰ পৰা জুনলৈ দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য ৪২ শতাংশ বৃদ্ধি হৈছিল আৰু বৰ্তমান প্ৰায় দুগুণ হৈছেগৈ। এতিয়া তাৰ ওপৰত আকৌ জিএছটি।

ইয়াৰ ফলত খাদ্য সামগ্ৰীৰ, যেনে পনিৰ, আটা, দৈ, খাদ্য শস্য, চিৰা মুড়ি, গুড় আদিৰ দাম বাঢ়িব আৰু ইয়াৰ প্ৰভাৱ দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ ওপৰত নিশ্চয়কে পৰিব। গতিকে বৰ্তমান চৰকাৰখনলৈ অনুৰোধ যাতে উপৰোক্ত দুটা শ্ৰেণীৰ লোকসকলৰ আৰ্থিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে যেন কিছু সালসলনি কৰাৰ প্ৰচেষ্টা হাতত লয়। অন্যথা যদি শ্ৰীলংকাৰ দৰে পৰিস্থিতিৰ উদ্ভৱ নহয়ও কিন্তু এটা কথা খাটাং যে দক্ষিণ আফ্ৰিকাৰ দৰে আমাৰ দেশতো মধ্যবিত্ত শ্ৰেণীৰ বিলোপ ঘটিব।

## মধ্যবিত্ত শ্ৰেণীৰ ওপৰত মোদীৰ ৰামটাঙোন

■ **দীপজ্যোতি দাস,** যুৱ সমাজকৰ্মী



**এফালে** দেশত মুদ্ৰাস্ফীতি আনফালে আকাশলংঘী মূল্যবৃদ্ধিৰ মাজতে নিত্যব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত লগোৱা জিএছটিৰ প্ৰভাৱে আমাৰ দেশৰ মাধ্যবিত্ত শ্ৰেণীৰ লোকসকলক নিঃশেষ কৰাৰ পৰিকল্পনা মোদী চৰকাৰৰ। আজি নিতৌব্যৱহাৰ্য খাদ্য সামগ্ৰী, যেনে- চাউল, চিৰা, আখৈ, মুড়ি, গুড়, পিঠাগুৰী আদি থলুৱা খাদ্য সামগ্ৰীৰ পেকেজিঙৰ ওপৰত যি পাঁচ শতাংশ জিএছটি কৰ মোদী চৰকাৰৰ এক ৰামটাঙোন। অকল মধ্যবিত্তৰ শ্ৰেণীয়েই নহয় একেবাৰে গৰিব শ্ৰেণীৰ ওপৰতো মাধমাৰ। আজিৰ ক'ৰনা মহামাৰীৰ পাছত ভাৰতীয় অৰ্থনীতি একেবাৰে বিধ্বস্ত আৰু এই বিধ্বস্ত অৰ্থনীতিৰ জোৰা-টাপলি মাৰিবলৈ কেন্দ্ৰীয় চৰকাৰখনে সাধাৰণ জনতাক দিব বিচাৰিছে মাধমাৰ। সবকা সাথ সবকা বিকাশ শ্ল'গানেৰে এসময়ত লাখ লাখ ভাৰতীয়ৰ মন জয় কৰি শাসনৰ বাঘজৰী ধৰি ৰখা মোদী চৰকাৰখন যে প্ৰতাৰক আৰু মিছলীয় এই কথা সাধাৰণ জনতাই এতিয়া আৰু বুজি পোৱাৰ বাকী নাই। প্ৰকৃতাৰ্থত যে বিজেপিৰ চৰকাৰখন যে পুঁজিপতিৰ চৰকাৰ এই চৰকাৰৰ ওচৰত যে মধ্যবিত্ত আৰু গৰিবৰ চকুপানীৰ দাম নাই সাময়িক ঘটনাৱলীয়ে এই কথা প্ৰমাণ সহকাৰে ভাৰতীয় জনসাধাৰণক বুজাই দিছে। আজি আমাৰ নিত্য অপৰিহাৰ্য থলুৱা খাদ্য সামগ্ৰীৰ ওপৰত যি পাঁচ শতাংশ জিএছটি কৰ অবাঞ্ছিতভাৱে আৰোপ কৰিলে তাৰ পৰা সাধাৰণ ৰাইজৰ বা উৎপাদনকাৰীসকলৰ কিবা লাভা-লাভ হোৱা চকুত দেখা নাযায়। আজি কেন্দ্ৰীয় চৰকাৰে যিবোৰ জনবিৰোধী সিদ্ধান্ত গ্ৰহণ কৰি আছে সেই তাহানিতে ইংৰাজে ভাৰতবৰ্ষ শাসন কৰা কালত লোৱা সিদ্ধান্ত বা দেশ পৰিচালনা কৰা নীতিৰ মাজত যথেষ্ট মিল থকা দেখা যায়। আজি যদি মোদী চৰকাৰে ইংৰাজে লোৱা সেই জনবিৰোধী নীতিসমূহ অৱলম্বন কৰি জনসাধাৰণক দমন কৰি ৰাখিব বিচাৰে তেতিয়া হ'লে জনতাৰ ঐক্যবদ্ধ খং আৰু ক্ষোভৰ জুইত বন্দুকৰ লগতে অত্যাচাৰী শাসকো পুৰি ছাই হৈ যাব। শেষত বিজেপিৰ চৰকাৰক অনুৰোধ জনাওঁ এমুঠি অন্নৰ বাবে ক্ষোভিত হৈ থকা জনতাৰ দুখ বেদনা চুই চাবলৈ চেষ্টা কৰক অন্যথা শোষিত বঞ্চিত জনতাৰ চিঞৰে ৰাজপথ কঁপালে ইতিহাসে কেতিয়াও ক্ষমা নকৰিব।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৪ জুলাই, দেওবাৰ, ২০২২ পৃষ্ঠা ১১

# মানৱ দেহত লোণৰ প্ৰয়োজনীয়তা



নিমখক খাদ্যৰ 'প্ৰিজাৰভেটিভ' বুলি কয়। যেতিয়া খাদ্যত নিমখ থাকে তেতিয়া যিকোনো বেক্টেৰিয়াই খাদ্যত সহজে বাহ ল'ব নোৱাৰে। প্ৰত্যেক ব্যক্তিৰ শৰীৰত পানীৰ অভাৱ নঘটিবলৈ খাদ্যৰ স'তে নিমখ খাবই লাগিব। তদুপৰি কোষ আৰু স্নায়ুৰ কাৰ্য স্বাভাৱিক কৰি ৰাখিবলৈ খাদ্যৰ স'তে নিমখ খাবই লাগিব।

**নিমখ** মানে ছ'ডিয়াম ক্ল'ৰাইড। অৰ্থাৎ ছ'ডিয়াম আৰু ক্ল'ৰাইডৰ সমষ্টিয়ে হ'ল নিমখ। ৪০ শতাংশ ছ'ডিয়ামৰ বিপৰীতে ৬০ শতাংশই ক্ল'ৰাইড। নিমখক খাদ্যৰ 'প্ৰিজাৰভেটিভ' বুলি কয়। যেতিয়া খাদ্যত নিমখ থাকে তেতিয়া যিকোনো বেক্টেৰিয়াই খাদ্যত সহজে বাহ ল'ব নোৱাৰে। প্ৰত্যেক ব্যক্তিৰ শৰীৰত পানীৰ অভাৱ নঘটিবলৈ খাদ্যৰ স'তে নিমখ খাবই লাগিব। তদুপৰি কোষ আৰু স্নায়ুৰ কাৰ্য স্বাভাৱিক কৰি ৰাখিবলৈ খাদ্যৰ স'তে নিমখ খাবই লাগিব। আমি দৈনন্দিন যিবোৰ খাদ্য গ্ৰহণ কৰো তাৰ স'তে নিমখ খাওঁ। আমি সদায় নিমখ বিভিন্ন মাধ্যমেৰে গ্ৰহণ কৰো যদিও নিতৌ কিমান খাব লাগে সেই বিষয়ে প্ৰায়ভাগ লোকেই জ্ঞাত নহয়। প্ৰায়ভাগ লোকেই নিতৌ প্ৰয়োজনতকৈ বেছি নিমখ খোৱাৰ অভ্যাস। নিতৌ কিমান নিমখ হ'ব লাগে সেই বিষয়ে জ্ঞাত নোহোৱা বাবে সময়ে সময়ে বিপদত পৰা দেখা যায়। শৰীৰত নিৰ্দিষ্ট পৰিমাণতকৈ বেছি তথা কম হ'লেই বিপদ। নিমখ বেছি খালে সাধাৰণতে যিবোৰ সমস্যাই গা কৰি উঠে তাতকৈ বেছি সমস্যাৰ সৃষ্টি হ'ব পাৰে নিমখৰ পৰিমাণ কম হ'লে। এগৰাকী সুস্থ ব্যক্তিয়ে অথবা ৰোগীয়েও কিমান নিমখ খাব পাৰে সেই বিষয়ে জানি লোৱা উচিত।

### নিমখ কম খালে

■ তেজত ছ'ডিয়ামৰ পৰিমাণ হ্ৰাস পালে শাৰীৰিক দুৰ্বলতাই গা কৰি উঠে।
■ শক্তি নোহোৱা যেন অনুভৱ হয়।
■ এনে হ'লে মূৰৰ বিষো হ'ব পাৰে।
■ বমি অথবা ওকালি ভাব হোৱা দেখা যায়।
■ কেতিয়াবা পেশী খামোচ মাৰি ধৰাৰ দৰে হয়।
■ যেতিয়া ইয়াৰ পৰিমাণ হ্ৰাস হয় তেতিয়া মনঃসংযোগৰ অভাৱ হোৱাৰ আশংকা থাকে। অৰ্থাৎ বিভ্ৰান্তিৰ সৃষ্টি হয়।

### প্ৰয়োজনতকৈ বেছি খালে

■ যেতিয়া বেছি নিমখ খায় তেতিয়া উচ্চ ৰক্তচাপ বৃদ্ধি পায়।
■ বেছিকৈ নিমখ খালে ভৰি দুখন ফুলিব পাৰে।
■ এনে হ'লে খুব পানী পিয়াহ লাগে।
■ শৰীৰৰ ওজন বৃদ্ধি পাব পাৰে।
■ সঘনাই প্ৰস্ৰাৱঘৰলৈ যাবলগীয়া হয়।
■ টোপনিত ব্যাঘাত জন্মিব পাৰে।
■ হাতৰ আঙুলি ফুলি উঠা সমস্যাই গা কৰে।

### উচ্চ ৰক্তচাপৰ স'তে সম্পৰ্ক

নিমখৰ স'তে উচ্চ ৰক্তচাপৰ সম্পৰ্ক আছে। সাধাৰণতে উচ্চ ৰক্তচাপ থকা লোকসকলে নিমখ কমকৈ খাব লাগে বুলি চিকিৎসকে পৰামৰ্শ আগবঢ়ায়। তদুপৰি উচ্চ ৰক্তচাপ থকা লোকে একেবাৰেই কেঁচা নিমখ খাব নালাগে। এইখিনিতে উল্লেখ কৰিব লাগিব যে নিমখৰ প্ৰধান কাম হ'ল তেজৰ ঘনত্ব আৰু চাপ নিয়ন্ত্ৰণসহ ৰক্তনলীৰ নমনীয়তা ৰক্ষা কৰা। এই বিষয়ে কিন্তু বহুলোকেই জ্ঞাত নহয়। যেতিয়া ই সংকুচিত হয় তেতিয়া ইয়ে তেজক সঞ্চালন তন্ত্ৰৰ ধমনীসমূহৰ মাধ্যমত সঞ্চাৰিত কৰে। এই চাপটোকে কোৱা হয় সৰ্বোচ্চ চাপ বা চিষ্টোলিক চাপ। আনহাতে, হৃদস্পন্দনৰ বিশ্ৰামাৱস্থাৰ চাপ হ'ল সৰ্বনিম্ন চাপ বা ডায়েষ্টলিক চাপ। যেতিয়া তেজৰ ঘনত্ব খুব বেছি হয় অথবা ৰক্তনলীসমূহৰ বেৰ বা দেৱাল পৰ্যাপ্তভাৱে প্ৰসাৰিত নহয় তেতিয়া ৰক্তচাপ বৃদ্ধি পায়। ৰক্তচাপৰ দ্বাৰা এগৰাকী ব্যক্তিৰ হৃদপিণ্ড আৰু ৰক্তনলীৰ অৱস্থাৰ বিষয়ে জানিব পাৰি। এইটো সকলোৰে জ্ঞাত যে নিমখ আৰু ৰক্তচাপৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে ছ'ডিয়াম গ্ৰহণৰ ক্ষেত্ৰত এগৰাকী ব্যক্তিৰ একে ধৰণৰ পৰিৱৰ্তন হয়। সেইবাবে উচ্চ ৰক্তচাপৰ বাবে হাৰ্টএটেক আৰু ষ্ট্ৰোকৰ আশংকা বৃদ্ধি পায়। ৰক্তচাপ বৃদ্ধি নহ'বলৈ নিমখ কম পৰিমাণে গ্ৰহণ কৰিব লাগে। অৱশ্যে তাৰ অৰ্থ এইটো নহয় যে ৰক্তচাপ বৃদ্ধিৰ আশংকা কৰি নিমখ খোৱাৰ পৰা বিৰত থাকিব। কাৰণ সুস্থ শৰীৰৰ বাবে যিবোৰ উপাদনৰ প্ৰয়োজন সেয়া নিমখতে পোৱা যায়।

আয়'ডিনৰ অভাৱ হ'লে শাৰীৰিক মানসিক বিকাশত ব্যাঘাত জন্মিব পাৰে। এই প্ৰয়োজনীয় মৌলবিধৰ যদি এগৰাকী গৰ্ভৱতী মহিলাৰ শৰীৰত অভাৱ ঘটে তেন্তে ভৱিষ্যতে শিশুটোৰ স্বাভাৱিক বিকাশত নিশ্চয়কৈ ব্যাঘাত জন্মিব। গৱেষকসকলে সম্প্ৰতি বিশ্বত মানসিক প্ৰতিবন্ধীৰ অন্যতম কাৰণ হিচাপে চিহ্নিত হৈছে। গৰ্ভৱতী মহিলাই উপযুক্ত পৰিমাণে আয়'ডিন সমৃদ্ধ খাদ্য গ্ৰহণ নকৰাৰ ফলত বিশ্বত বছৰি ৩০ হেজাৰৰো অধিক মৃত শিশুৰ জন্ম হয়। এনে কাৰণতে বছৰি লাখ লাখ শিশুৱে শাৰীৰিক-মানসিক সমস্যালৈয়ে পৃথিৱীত খোজ দিছে। এইবিধ মৌলৰ অভাৱৰ বাবেই আই কিউ বা বুদ্ধাংক স্বাভাৱিকৰ তুলনাত ১৫ পইণ্ট কম থাকে বুলি গৱেষকসকলে মন্তব্য কৰিছে। বিশ্বৰ পাঁচ কোটিৰো অধিক লোকৰ কোনো নহয় কোনো সমস্যাৰ বাবে দায়ী হিচাপে চিহ্নিত হৈছে আয়'ডিন। সাধাৰণতে সাগৰৰ পৰা যি নিমখ প্ৰস্তুত কৰা হয় সেয়া প্ৰকৃতি প্ৰদত্ত খনিজ দ্ৰব্য সমৃদ্ধ। পিছে ইয়াত আয়'ডিন পোৱা নাযায়। সেইবাবে আজি-কালি যিকোনো নিমখতে আয়'ডিন মিহলি কৰা হয়। গৱেষকসকলে বিভিন্ন অধ্যয়নৰ সময়ত আয়'ডিনযুক্ত নিমখ (কম পৰিমাণে পাৰ্শ্বক্ৰিয়াযুক্ত) শৰীৰৰ বাবে উপকাৰী বুলি উল্লেখ কৰিছে। এগৰাকী সুস্থ ব্যক্তিয়ে নিতৌ ২৩ গ্ৰাম আয়'ডিনযুক্ত নিমখ খাব পাৰে বুলি মন্তব্য কৰিছে। যেতিয়া আয়'ডিনৰ অভাৱ ঘটে তেতিয়া থাইৰয়ড গ্ৰন্থিয়ে কিছুমান হৰম'ন নিঃসৰণ কৰিব নোৱাৰে। আয়'ডিনে থাইৰয়ড গ্ৰন্থিৰ কাৰ্য স্বাভাৱিক কৰি ৰাখে। তদুপৰি শৰীৰৰ ওজন স্বাভাৱিক কৰি ৰাখে। তদুপৰি শৰীৰৰ উত্তাপ আৰু হৃদস্পন্দনো স্বাভাৱিক কৰে।

### আয়'ডিনযুক্ত নিমখৰ প্ৰয়োজন কিয়?

শেহতীয়াভাৱে গৱেষকসকলে আয়'ডিনযুক্ত নিমখ খোৱাৰ ওপৰত গুৰুত্ব দিছে। ছয় দশকমান আগলৈকে ভাৰতত আয়'ডিনৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল। যেতিয়া আয়'ডিনৰ অভাৱত দেশত ডিঙি ফুলা ৰোগীৰ সংখ্যা বৃদ্ধি পালে তেতিয়া নিমখত আয়'ডিন মিহলিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ ধৰিলে। আয়'ডিনৰ অভাৱত স্নায়ুবিধ আৰু মানসিক সমস্যাই গা কৰি উঠে বুলি ১৯২৪ত আমেৰিকাৰ ডেভিদ মেৰিনে লাভ কৰা তথ্যৰ পাছতে বিষয়টোৰ ওপৰত অধিক গৱেষণা চলিবলৈ ধৰে। সাধাৰণতে নিমখৰ তুলনাত আয়'ডিনযুক্ত নিমখৰ পৰা অধিক উপকাৰ লাভ কৰা বাবে এতিয়া আয়'ডিনযুক্ত নিমখ বাধ্যতামূলক কৰিছে। কোষসমূহত যেতিয়া এচিডৰ পৰিমাণ বৃদ্ধি পায় তেতিয়া সেই এচিডক বাহিৰলৈ উলিয়াই অনাত নিমখে ভূমিকা গ্ৰহণ কৰে। বিশেষকৈ মস্তিস্কৰ কোষৰ পৰা অতিৰিক্ত এচিড বাহিৰলৈ উলিয়াই অনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। শৰীৰৰ বাবে দৈনিক যিমান নিমখৰ প্ৰয়োজন সেয়া যদি লাভ নকৰে তেতিয়া হ'লে বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠিব। ইয়াৰ অভাৱ হ'লে কিছুমান হৰম'ণে মিলি এনে এটা ব্যৱস্থাৰ সৃষ্টি কৰিব যাৰ বাবে ঘাম কম পৰিমাণে নিঃসৰণ হ'ব। তদুপৰি প্ৰস্ৰাৱৰ পৰিমাণো হ্ৰাস পাব।



প্ৰত্যেক মানুহৰ ক্ষেত্ৰতে এই চাপৰ কাৰণ যিদৰে ভিন্ন, সেইদৰে এই চাপে ভিন্নজনৰ ওপৰত ভিন্নৰূপত প্ৰভাৱ বিস্তাৰ কৰে। যাৰ মূলতে আছে মানুহৰ জিনগত বৈশিষ্ট্য, সামাজিক দক্ষতা, সামাজিক সমৰ্থন ইত্যাদিৰ মাজৰ পাৰ্থক্য। বহুক্ষেত্ৰত দেখা যায়, মানসিক চাপে প্ৰত্যক্ষভাৱে যিমান ক্ষতি কৰিছে, তাতকৈ বেছি ক্ষতি কৰিছে পৰোক্ষ মানসিক চাপ বিষয়ক নেতিবাচক চিন্তাই।

# মানসিক চাপ

## আপোনাৰ শত্ৰু নে বন্ধু!

**আমাৰ** শৰীৰ বা মনে যেতিয়া কোনো কাম, জীৱ-জন্তু, মানুহ অথবা কোনো ঘটনাক ভাবুকিস্বৰূপ বুলি ধাৰণা কৰে, বা কোনো প্ৰতিকূল পৰিৱেশত যিদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰে, সেয়াই হ'ল ষ্ট্ৰেছ ৰেছপন্স বা মানসিক চাপৰ প্ৰতিক্ৰিয়া। অৰ্থাৎ আমাৰ শৰীৰ আৰু মনৰ বাবে যি ভাবুকিস্বৰূপ, সেয়াই হ'ল ষ্ট্ৰেছ বা মনৰ ওপৰত পৰা চাপ। শৰীৰ বা মনৰ সামৰ্থৰ বাহিৰত কোনো চাহিদা বা অতিৰিক্ত কামৰ চাপো সেয়া হ'ব পাৰে, অথবা জীৱ-জন্তুৰ আক্ৰমণ, অনাকাংক্ষিত কোনো ঘটনা (যেনে—দুৰ্ঘটনা, প্ৰিয়জনৰ স'তে মনোমালিন্য বা বিচ্ছেদ আদি)। আমি প্ৰত্যেকেই জীৱনৰ কোনো নহয় কোনো সময়ত মানসিক চাপ অনুভৱ কৰো; যি মৃদু, মধ্যমীয়া বা গুৰুতৰ পৰ্যায়ৰ হ'ব পাৰে।

প্ৰত্যেক মানুহৰ ক্ষেত্ৰতে এই চাপৰ কাৰণ যিদৰে ভিন্ন, সেইদৰে এই চাপে ভিন্নজনৰ ওপৰত ভিন্নৰূপত প্ৰভাৱ বিস্তাৰ কৰে। যাৰ মূলতে আছে মানুহৰ জিনগত বৈশিষ্ট্য, সামাজিক দক্ষতা, সামাজিক সমৰ্থন ইত্যাদিৰ মাজৰ পাৰ্থক্য। বহুক্ষেত্ৰত দেখা যায়, মানসিক চাপে প্ৰত্যক্ষভাৱে যিমান ক্ষতি কৰিছে, তাতকৈ বেছি ক্ষতি কৰিছে পৰোক্ষ মানসিক চাপ বিষয়ক নেতিবাচক চিন্তাই।

দীৰ্ঘম্যাদী মানসিক চাপত থকা এজন ব্যক্তিৰ মাজত কগনিটিভ, শাৰীৰিক, আবেগিক, আচৰণগত বিভিন্ন লক্ষণ পৰিলক্ষিত হয়। যেনে— চিন্তা আৰু চেতনাৰ পৰিৱৰ্তন/কগনিটিভ ছিম্পটম্‌ছ, পাহৰি যোৱা, মনোযোগৰ সমস্যা, বিচাৰ-বুদ্ধি হ্ৰাস আদি।

### শাৰীৰিক

⇨ শৰীৰৰ বিভিন্ন স্থানত যন্ত্ৰণা; ⇨ ডায়েৰীয়া বা কোষ্ঠকাঠিন্যত ভোগা; ⇨ বমিৰ ভাব, মূৰ ঘূৰোৱা; ⇨ বুকুৰ বিষ, হৃৎস্পন্দন বৃদ্ধি পোৱা, যৌনকাৰ্যত অনীহা সৃষ্টি; ⇨ ঘনাই ছৰ্দি লগা-কাহ হোৱা।

### আবেগিক

⇨ বিষণ্ণমনে থকা বা সকলো সময়তে অসুখী বোধ কৰা; ⇨ উদ্বিগ্ন, অস্থিৰ হৈ থকা; ⇨ খং উঠা, বিৰক্তিবোধ কৰা; ⇨ ক্লান্ত বা বিপৰ্যস্তবোধ কৰা; ⇨ একাকীত্বত ভোগা, আনৰ পৰা আঁতৰি থকা।

### আচৰণগত

⇨ অতিৰিক্ত বা কমাই খাদ্য গ্ৰহণ; ⇨ অত্যধিক পৰিমাণে বা একেবাৰে কমাই শোৱা; ⇨ সকলোক্ষেত্ৰ বা কামৰ পৰা নিজক আঁতৰাই ৰখা; ⇨ দায়িত্ব পালনত অৱহেলা কৰা বা ইতঃস্ততবোধ কৰা; ⇨ মানসিক প্ৰশান্তিৰ বাবে চিগাৰেট, এলক'হল বা বিভিন্ন ড্ৰাগছৰ নিচাত আচ্ছন্ন হোৱা।

ইয়াৰ উপৰি দীৰ্ঘম্যাদী মানসিক চাপে এজন লোকৰ শৰীৰত উচ্চ ৰক্তচাপ, মধুমেহ, হৃদৰোগ, প্ৰজনন ক্ষমতা হ্ৰাস, ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস আদিৰ সৃষ্টি কৰিব পাৰে।

### এইবোৰ লক্ষণ সৃষ্টি হয় কিয়?

মানুহে যেতিয়া কোনো ভাবুকিৰ সন্মুখীন হোৱা বুলি ধাৰণা কৰে, বিপদৰ আশংকা কৰে বা ভয় খায়, তেতিয়াই তাৎক্ষণিক প্ৰতিৰক্ষামূলক ব্যৱস্থা হিচাপে মস্তিষ্কই প্ৰেৰণ কৰা সংকেত অনুসৰণ কৰি এড্ৰেনাল গ্লেণ্ডে অত্যধিক পৰিমাণে এড্ৰেনালিন আৰু কৰ্টিছল (ষ্ট্ৰেছ হৰম'ন) নামৰ হৰম'ন নিঃসৰণ কৰে। এই হৰম'নসমূহে জৰুৰী অৱস্থাত হৃৎস্পন্দন, ৰক্তচাপ আৰু শ্বাস-প্ৰশ্বাসৰ গতি বঢ়াই দিয়ে যি আমাৰ মাংসপেশীসমূহলৈ সৰ্বাধিক অক্সিজেন সমৃদ্ধ তথা এটিপি সমৃদ্ধ ৰক্ত সৰবৰাহ কৰে আৰু মাংসপেশীৰ শক্তি বৃদ্ধি কৰে, যকৃতৰ পৰা অত্যধিক পৰিমাণে গ্ল'কোজ তেজলৈ নিঃসৃত হয় আৰু মস্তিষ্কৰ নিউৰোনসমূহলৈ পৰ্যাপ্ত গ্ল'কোজ সৰবৰাহ ঘটে। ফলত অনুভূতিবোৰ তীক্ষ্ণ হয়, অভিষ্ট লক্ষ্য অৰ্জনত মনোযোগ বাঢ়ে, মানুহে প্ৰতিকূলতাৰ সন্মুখীন হ'ব পাৰে বা নিৰাপদ স্থানলৈ যাবলৈ সক্ষম হয়।

ইপিনে, যেতিয়া কোনো জৰুৰী অৱস্থা বা প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰে সংগ্ৰাম কৰাত অথবা গুৰুত্বপূৰ্ণ কাম কৰাত চাপৰ সৃষ্টি হয় আৰু সেয়া অলপ সময়ৰ বাবে স্থায়ী হয়, তেতিয়া এই ষ্ট্ৰেছ ৰেছপন্সে গঠনমূলক ভূমিকা পালন কৰে। কিন্তু যেতিয়া কোনো লোকে দীৰ্ঘদিন ধৰি অথবা গুৰুতৰ ষ্ট্ৰেছ বা মানসিক চাপত ভোগে, তেতিয়া এই ষ্ট্ৰেছ ৰেছপন্স ক্ষতিকাৰক হয়। কাৰণ, অত্যধিক কৰ্টিছলে ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস কৰে, মস্তিষ্কৰ হিপ্পোকেম্পাছ নামৰ অঞ্চলৰ কোষবোৰক মাৰি পেলায় আৰু স্মৰণশক্তি হ্ৰাস কৰে, মস্তিষ্কৰ ছেৰ'ট'নিন উৎপাদনকাৰী কোষবোৰক মাৰি পেলায়, ছেৰ'ট'নিৰৰ উৎপাদন হ্ৰাস কৰে; ফলত মানুহ বিষণ্ণতাত আক্ৰান্ত হয়। ইয়াৰ উপৰি তেজত চৰ্বিৰ পৰিমাণ বৃদ্ধি পায়, ৰক্তচাপ বৃদ্ধি হয় যি হাৰ্ট এটেক বা ষ্ট্ৰোকৰ আশংকা বঢ়াই তোলে। মানুহৰ চিন্তা, অনুভূতি, আচৰণ আৰু দৈনন্দিন কামৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰে, উৎপাদনশীলতা হ্ৰাস পায় আৰু সম্পৰ্কৰ অৱনতি ঘটে।

### মানসিক চাপৰ কাৰণ

⇨ দীৰ্ঘম্যাদী শাৰীৰিক ৰোগ, যেনে—হৃদৰোগ, মধুমেহ, আৰ্থ্ৰাইটিছ আদি।
⇨ আবেগজনিত সমস্যা, যেনে— বিষণ্ণতা, শোক, অপৰাধবোধ, আত্মবিশ্বাসৰ অভাৱ আদি।
⇨ ঘনিষ্ঠ সম্পৰ্কত সমস্যা, বন্ধুৰ অভাৱ, সহযোগিতা কৰা মানুহ নথকা।
⇨ জীৱনত কোনো ডাঙৰ পৰিৱৰ্তন, যেনে— স্বামী/স্ত্ৰী, পিতৃ/ মাতৃ, সন্তান আদিৰ কাৰোবাৰ মৃত্যু হ'লে, হঠাৎ চাকৰি গ'লে, বিবাহ বন্ধনত আবদ্ধ বা বিবাহ বিচ্ছেদ ঘটিলে, সন্তান জন্ম আৰু শিশু সন্তানৰ পৰিচৰ্যাৰ দায়িত্ব, নতুন কোনো চহৰ বা দেশলৈ স্থানান্তৰ ইত্যাদি মানসিক চাপৰ কাৰণ হ'ব পাৰে।
⇨ পৰিয়ালৰ কোনো অসুস্থ হ'লে বা কোনো লোক মানসিক চাপত থাকিলে, পৰিয়ালৰ আন সদস্যও আক্ৰান্ত হ'ব পাৰে।
⇨ দৰিদ্ৰতা বা অৰ্থহানি।
⇨ কৰ্মক্ষেত্ৰত অত্যধিক কামৰ বোজা থাকিলে বা কৰ্মক্ষেত্ৰৰ পৰিৱেশ কামৰ বাবে অনুকূল নহ'লে।
⇨ বিভিন্ন প্ৰকাৰৰ শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ চিকাৰ হ'লে।
⇨ বয়স বৃদ্ধিজনিত শাৰীৰিক আৰু মানসিক পৰিৱৰ্তনৰ কাৰণে।
⇨ নিজৰ বিশ্বাস, মূল্যবোধ আদিৰ মাজত দ্বন্দ্বৰ সৃষ্টি হ'লে।

এটা কথা সদায় মনত ৰাখিব, সৰু-সুৰা চাপ সকলো সময়তে থাকিব। কিছু কিছু চাপ সকলো সময়তে কাংক্ষিত; যি মানুহক কামৰ প্ৰেৰণা যোগায়, মানুহৰ বিকাশত, উৎপাদনশীলতাত ইতিবাচক প্ৰভাৱ পেলায়। সেয়ে চাপ কমোৱা বা চাপমুক্ত হৈ থকাৰ চিন্তা নকৰি, বৰঞ্চ চাপ 'মেনেজ' কৰি চলিব লাগিব। মানসিক চাপ শত্ৰু নে বন্ধু হ'ব, সেয়া নিৰ্ভৰ কৰিব এজন মানুহে কিদৰে চাপৰ সন্মুখীন হয়, তাৰ ওপৰতহে।

# বৰ্ষাকালত স্বাস্থ্য সচেতনতা

**বৰ্ষাকালত** প্ৰচুৰ বৰষুণৰ পৰিপ্ৰেক্ষিতত যিকোনো ঠাইতে পানী ডোঙা বান্ধে। তেনে বন্ধ হৈ থকা পানী সহজেই দূষিত হয় আৰু সেই পানীৰ সংস্পৰ্শলৈ আহিলে বিভিন্ন ৰোগে আক্ৰমণ কৰিব পাৰে। ইয়াৰ উপৰি বৰ্ষাকালৰ বায়ুমণ্ডল সিক্ত হৈ থকাৰ ফলত ঘৰৰ মজিয়া আদিতো সেমেকা ভাব এটা থাকে। তেনে পৰিৱেশ ৰোগ-জীৱাণুৰ বাবে অনুকূল। সেইকাৰণেই মেঘেভৰা দিনবোৰ উপভোগ কৰিলেও তাৰ সমানে সচেতনো হৈ থাকিব লাগিব। বৰষুণৰ পানীৰ বাবে বেছিকৈ দেখা দিয়া ৰোগবোৰৰ ভিতৰত ডায়েৰীয়া, কলেৰা, হেপাটাইটিছ, টাইফয়েড, জণ্ডিচ আদি উল্লেখযোগ্য। ইয়াৰ উপৰি কৃমিৰ সংক্ৰমণো হয় প্ৰচুৰ।

ডায়েৰীয়াৰ প্ৰধান কাৰণ হ'ল দূষিত পানী খোৱা। বৰষুণৰ পানীত মিহলি হৈ জীৱাণুবোৰ দ্ৰুতগতিৰে বিয়পি পৰে। এনে জীৱাণুৰ দ্বাৰা শিশুবোৰ বেছিকৈ আক্ৰান্ত হয়। কাৰণ ডাঙৰৰ তুলনাত শিশুৰ ৰোগ প্ৰতিৰোধ ক্ষমতা কম। সেয়ে শিশুক অতি সাৱধানে ৰাখিব লাগে। অৱশ্যে বয়স্কসকলো সচেতন হৈ থকা উচিত।

বোটা ভাইৰাছৰ সংক্ৰমণৰ বাবে কলেৰাই দেখা দিয়ে। কলেৰাত আক্ৰান্ত ৰোগীৰ শৰীৰৰ পৰা পানী আৰু লৱণ বৰ সোনকালে ওলাই যায়। ফলত ৰোগী দুৰ্বল হৈ পৰে। তাৎক্ষণিকভাৱে চিকিৎসা নকৰালে ৰোগীৰ মৃত্যুও হ'ব পাৰে।



বৰষুণৰ দিনবোৰত টাইফয়েড জ্বৰৰ প্ৰকোপ অত্যন্ত বেছি। সেই সময়ছোৱাত ছানম'নেলা টাইফি নামৰ এবিধ জীৱাণুৰ দ্বাৰা পানী আৰু খাদ্যবস্তু দূষিত হয়। তেনে দূষিত পানী আৰু খাদ্য খোৱাৰ ফলতে টাইফয়েড জ্বৰত মানুহ আক্ৰান্ত হয়। আক্ৰান্ত ব্যক্তিৰ পৰাই জীৱাণু আন ব্যক্তিৰ শৰীৰলৈ বিয়পি পৰে।

হেপাটাইটিছ হ'ল যকৃতৰ ৰোগ। এইবিধ ৰোগৰ বিভিন্ন প্ৰকাৰভেদ আছে। ইয়াৰ ভিতৰত হেপাটাইটিছ 'এ' আৰু হেপাটাইটিছ 'ই' বৰষুণত বেছিকৈ হয়। কাৰণ এই দুবিধ হ'ল পানীবাহিত ভাইৰাছ। দূষিত পানীৰ মাধ্যমেৰে এই ৰোগে মানুহৰ দেহত প্ৰৱেশ কৰে।

বৰ্ষাকালত কৃমি সংক্ৰমণৰ প্ৰাৰ্দুভাৱ অত্যন্ত বেছি। এই জীৱাণু বৰষুণৰ পানী আৰু বোকাত মিহলি হৈ থাকে। তেনে পানী আৰু বোকাৰ সংস্পৰ্শলৈ আহিলেই কৃমিয়ে আক্ৰমণ কৰে।

### সমস্যাৰ প্ৰতিৰোধ

⇨ প্ৰতিবাৰ আহাৰ খোৱাৰ পূৰ্বে চাবোন সানি ভালদৰে হাত ধুব লাগে।
⇨ এইবোৰ দিনত শিশুৰ প্ৰতি অত্যধিক সতৰ্ক হৈ থাকিব লাগে।
⇨ বাচন-বৰ্তন, কাপোৰ আদি ধুবলৈকো বিশুদ্ধ পানী ব্যৱহাৰ কৰিব।
⇨ বাহিৰলৈ ওলাই যাওঁতে ঘৰৰ পৰাই বিশুদ্ধ পানী লৈ যাব লাগে। যদিহে কেতিয়াবা বাহিৰত পানী খাবলগীয়া হয়, তেন্তে বিশুদ্ধ হয় নে নহয় নিশ্চিত হৈ ল'ব।
⇨ ঘৰত পানী গৰম কৰি খোৱাৰ অভ্যাস কৰক। যদিহে পানী গৰম কৰিব নোৱাৰে, তেন্তে পানী বিশুদ্ধকৰণ টেবলেট বা ফিটকিৰি ব্যৱহাৰ কৰি পানী বিশুদ্ধ কৰিব।
⇨ সতেজ শাক-পাচলি খাব। ৰন্ধাৰ পূৰ্বে শাক-পাচলি ভালদৰে ধুই ল'ব। বাহি বা পঁচা আহাৰ একেবাৰে খাব নালাগে।

সাধাৰণতে উপৰোক্ত নিয়মবোৰ মানি চলিলে বৰষুণৰ দিনত তেনেবোৰ ৰোগৰ প্ৰতিৰোধ সম্ভৱ। তাৰ পাছতো যদি কোনো ব্যক্তি আক্ৰান্ত হয়, তেন্তে সময় নষ্ট নকৰি চিকিৎসকৰ কাষ চাপিব। কিছু সচেতনতা আৰু চিকিৎসকৰ পৰামৰ্শই পৰিয়ালৰ প্ৰিয় ব্যক্তিজনক বা মৰমৰ শিশুটিক অনেক শাৰীৰিক বিড়ম্বনাৰ পৰা ৰক্ষা কৰিব পাৰে।



শৰীৰৰ অত্যাৱশ্যকীয় অংগসমূহৰ ভিতৰত অন্যতম হ'ল যকৃৎ বা লিভাৰ। এই অংগবিধ বিকল হ'লে মানুহ জীয়াই থকা অসম্ভৱ। অত্যধিক মাদকদ্ৰব্য, খালী পেটত চাহ, কফি, অধিক মছলাযুক্ত আহাৰ, গুৰুপাকী খাদ্য, অত্যধিক মিঠাই আদি খোৱাৰ কাৰণে যকৃতৰ ৰোগ হ'ব পাৰে। হৃদৰোগ, যক্ষ্মা, উপদংশ, অতিসাৰ, অৰ্শ, গ্ৰহণী, মেলেৰিয়া, মধুমেহ আদি ৰোগে আক্ৰমণ কৰিলেও এই ৰোগ হয়। অপৰিষ্কাৰ পানী আৰু গাখীৰ খালেও যকৃত ৰোগ হোৱা দেখা যায়।

# যকৃৎ ৰোগৰ ঘৰুৱা চিকিৎসা

### ৰোগৰ লক্ষণ

যকৃতৰ বিষ হয়, ভোক কমে, জ্বৰ উঠে, পেটত গেছ জমা হয়, বমি হয়, শৌচ পনীয়া আৰু কেতিয়াবা তেজযুক্ত শৌচ হয়, যকৃতৰ আকাৰ বৃদ্ধি পায়, ভৰি ফুলি উঠে, পেটত পানী জমা হয়, ৰক্তহীনতা, টোপনি কম, মানসিক অশান্তি আৰু মূৰ্চ্ছা ৰোগে দেখা দিয়ে।

### প্ৰয়োজনীয় বন-দৰৱ

⇨ প্ৰতিদিনে পুৱা আকণৰ আঠা দুটোপাল পানীৰ লগত মিহলাই খালে যকৃৎ ৰোগ ভাল হয়।
⇨ দিনে দুই-তিনিটা কেঁচা বা পকা অমিতা খাব লাগে।
⇨ মূলাৰ পাতৰ ৰসত মৌ মিহলাই খালেও উপকাৰ হয়।
⇨ নহৰু ১০ গ্ৰাম, জিৰা এক গ্ৰাম, আদা এক গ্ৰাম, জালুক এক গ্ৰাম পিহি একেলগ কৰি আহাৰৰ লগত খালে যকৃৎ ৰোগ সহজে আৰোগ্য হয়।
⇨ চালকুঁৱৰীৰ পাতৰ ৰস এক গ্ৰাম দিনে এবাৰকৈ একেৰাহে এসপ্তাহ খালে যকৃতৰ ৰোগ ভাল হয়।
⇨ নহৰু বটি পেটত প্ৰলেপ দিলে যকৃৎ আৰু প্লীহাৰ কঠিনতা নিবাৰণ হয়। তদুপৰি এটা নহৰু আৰু পটলৰ শিপা একেলগে খুন্দি প্ৰলেপ দিব লাগে।
⇨ কেঁচুৱাৰ এই ৰোগ হ'লে কেৰেলা খালে উপকাৰ হয়, নাইবা কেৰেলাৰ ৰস আধা চামুচকৈ দিনে দুবাৰ খুৱাব লাগে।
⇨ গাজৰৰ ৰসত মৌ-জোল মিহলাই পুৱা আৰু গধূলি খালে উপকাৰ হয়।
⇨ পিপলি গুড়া পুৰণি গুড়ৰ লগত মিহলাই খালেও যকৃৎ ৰোগ ভাল হয়।
⇨ পাৰৰ মাংসৰ স'তে কলডিল ভাজি খালে এই ৰোগ ভাল হয়।
⇨ আমৈলতা বা গুলঞ্চ লতাৰ ক্বাথ (গছৰ শিপা, গুটি, ফল আদি সিজোৱা পানী) মৌৰ লগত মিহলাই খালে যকৃৎ ৰোগ ভাল হয়।
⇨ মানকচুৰ মাটিৰ ওপৰত ওলাই থকা কোমল সাহখিনি জহা চাউলৰ স'তে সিজাই পায়স কৰি খাব লাগে।
⇨ তুলসীৰ পাত পানীত সিজাই চেকি লৈ ৰসখিনি খালে যকৃৎ বৃদ্ধি বা যকৃতৰ অন্যান্য ৰোগ ভাল হয়।
⇨ চিৰতাৰ ক্বাথ, ৰঙা আলু, জিলমিল শাক যকৃৎ ৰোগৰ কাৰণে উপকাৰী। অৱশ্যে এই তিনিবিধ একেলগে খাব নালাগে।

### যকৃৎ ৰোগৰ পথ্য

মণ্ড, মচুৰ, পুৰণি চাউলৰ ভাত, গৰুৰ গাখীৰ, মিঠা আৰু পকা ফলৰ ৰস, বাৰ্লি, আনাৰস, মৌ, আমলখি। পুৱা মুকলি বতাহ লোৱা আৰু পুৱাই গা ধোৱা হিতকৰ।

### যকৃৎ ৰোগৰ অপথ্য

তেল, ঘিঁউ, গুৰুপাকী খাদ্য, মছলা, মাছ, আচাৰ, বৰফ, জলকীয়া, চাহ, কফি, মাদকদ্ৰব্য আদি খোৱা নিষেধ। অত্যধিক মানসিক আৰু শাৰীৰিক পৰিশ্ৰম কৰা বেয়া।

# কিয় খাব লাগে ব্ৰাহ্মী শাক



একাধিক প্ৰাচীন পুথিৰ পৰা জনা যায় যে আয়ুৰ্বেদ চিকিৎসাৰ জন্মলগ্নৰে পৰাই ব্ৰাহ্মী শাকৰ ব্যৱহাৰ হৈ আহিছে। কিছু তিতা স্বাদৰ এইবিধ মহাগুণসম্পন্ন ঔষধি শাকে মস্তিষ্কৰ ক্ষমতা বৃদ্ধিৰ লগতে আন বিভিন্ন ধৰণে শৰীৰক উপকৃত কৰে। সেইবাবেই চিকিৎসকে ৰোগীক ব্ৰাহ্মী শাক খাবলৈ পৰামৰ্শ দিয়ে। কিন্তু কেনে উপকাৰত আছে এইবিধ শাক?

### গেষ্ট্ৰিক আলচাৰ দূৰতে বিদূৰ

ব্ৰাহ্মী শাকত থকা শক্তিশালী এণ্টি-বেক্টেৰিয়াল উপাদান শৰীৰত প্ৰৱেশ কৰি আলচাৰৰ সৃষ্টি কৰি এইছ পাইল'ৰি বেক্টেৰিয়াক মাৰি পেলায়। ফলত এইধৰণৰ পেটৰ ৰোগে মূৰ দাঙি উঠাৰ আশংকা একেবাৰে নোহোৱা হয়।

### মৃগীৰ দৰে ৰোগ প্ৰতিৰোধ

নানা গৱেষণাত দেখা গৈছে যে ব্ৰাহ্মী শাকত থকা একাধিক উপকাৰী উপাদানে শৰীৰত প্ৰৱেশ কৰা মাত্ৰকে বহু সংখ্যক নিউৰ'ট্ৰেন্সমিটাৰৰ কাৰ্যক্ষমতা বাঢ়িবলৈ আৰম্ভ কৰে। ফলত মৃগীৰ দৰে ৰোগে মানুহক আক্ৰান্ত কৰাৰ আশংকা একেবাৰে কমি আহে।

### উত্তেজনা আৰু উদ্বেগৰ মাত্ৰা কমায়

একাধিক গৱেষণাত দেখা গৈছে যে নিয়মিতৰূপে ব্ৰাহ্মী শাক খালে মস্তিষ্কৰ ভিতৰত উত্তেজনা আৰু উদ্বেগৰ জন্ম দিয়া কৰ্টিজল হৰম'ন ক্ষৰণ কমাবলৈ আৰম্ভ কৰে। ফলত স্বাভাৱিকভাৱেই যিদৰে মানসিক চাপ কমে, সেইদৰে হেৰাই যোৱা মনৰ আনন্দও উভতি আহে। প্ৰসংগক্ৰমে, বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি চাকৰিয়াল বা অন্যান্যসকলো নানা কাৰণত অনেক মানসিক চাপৰ মাজত থাকে। ফলত অৱসাদৰ দৰে মানসিক ৰোগৰ কবলত পৰাৰ আশংকা থাকে। এনে পৰিস্থিতিত ব্ৰাহ্মী শাক খালে কিমানখিনি উপকৃত হ'ব পাৰি, সেয়া নিশ্চয় নতুনকৈ কোৱাৰ প্ৰয়োজন নাথাকে।

### কৰ্কটত আক্ৰান্ত হোৱাৰ আশংকা হ্ৰাস কৰে

ব্ৰাহ্মী শাকত আছে প্ৰচুৰ মাত্ৰাৰ এণ্টি-অক্সিডেণ্ট। এই উপাদানে শৰীৰৰ পৰা নানা ধৰণৰ ক্ষতিকাৰক উপাদান বাহিৰ কৰি দিয়ে। এই কাৰ্যৰে এফালে যিদৰে শৰীৰত কৰ্কটৰ কোষ সৃষ্টি ৰোধ কৰে, সেইদৰে সামগ্ৰিকভাৱে শৰীৰৰ কাৰ্যক্ষমতা বৃদ্ধিতো বিশেষ ভূমিকা পালন কৰে। সেইবাবেই সুস্থ জীৱন লাভৰ স্বপ্ন পূৰণৰ বাবে ব্ৰাহ্মী শাকৰ স'তে বন্ধুত্ব গঢ়ি তোলাটো অতি জৰুৰী।

### এলজেইমাৰৰ ৰোগো থাকে আঁতৰত

ব্ৰাহ্মী শাকত থকা বেক'ছাইড নামৰ এবিধ বায়'-কেমিকেলে ব্ৰেইন টিছ্যুৰ ক্ষতৰ উপশম ঘটাই সিবোৰৰ ক্ষমতা বৃদ্ধিত বিশেষ ভূমিকা পালন কৰে। ফলত স্বাভাৱিকভাৱে বয়সৰ স'তে তাল মিলাই মস্তিষ্কৰ ক্ষমতা হ্ৰাসৰ আশংকা যিদৰে কমি আহে, সেইদৰে ক'গনিটিভ ফাংচন হ্ৰাসৰ আশংকাও কমে।

### ৰক্তচাপ স্বাভাৱিক ৰাখে

অতিমাত্ৰা মানসিক উত্তেজনাৰ কাৰণে মানুহৰ ৰক্তচাপ হ্ৰাস-বৃদ্ধি হ'ব পাৰে। তেনে সমস্যাৰ সন্মুখীন হোৱাৰ লগে লগেই ব্ৰাহ্মী শাক খাবলৈ আৰম্ভ কৰিব লাগে। কাৰণ এইবিধ শাকে মানুহৰ ৰক্তচাপ স্বাভাৱিক কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে। ইয়াৰ লগতে ৰক্তচাপ হঠাৎ বাঢ়ি যোৱাৰ কাৰণে যাতে কোনো ধৰণৰ ক্ষতি নহয়, তাৰ প্ৰতিও লক্ষ্য ৰাখে ব্ৰাহ্মী শাকে।

### বুদ্ধি আৰু স্মৃতিশক্তি বৃদ্ধি পায়

একাধিক গৱেষণাত দেখা গৈছে যে ব্ৰাহ্মী শাকত থকা বহু কাৰ্যকৰী উপাদানে শৰীৰত প্ৰৱেশ কৰাৰ লগে লগে মস্তিষ্কৰ হিপোকম্পাছ অংশৰ ক্ষমতা বৃদ্ধি পায়। ইয়াৰ ফলত মানুহৰ বুদ্ধি আৰু স্মৃতিশক্তি চকুত পৰাকৈ বাঢ়িবলৈ ধৰে। সেইদৰে মানুহৰ মনোযোগ বৃদ্ধিতো এইবিধ শাকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কাৰণ মস্তিষ্কৰ হিপোকম্পাছ অংশৰ ক্ষমতা বাঢ়িছে নে কমিছে, তাৰ ওপৰতে মনোযোগৰ হ্ৰাস-বৃদ্ধি অধিকাংশই বৃদ্ধি পায়।

### ৰোগ প্ৰতিৰোধ ক্ষমতাৰ উন্নতি

ব্ৰাহ্মী শাক নিয়মিতৰূপে খাবলৈ আৰম্ভ কৰিলে শৰীৰত এণ্টি-অক্সিডেণ্ট আৰু ভিটামিন 'চি'ৰ মাত্ৰা বৃদ্ধি পাবলৈ ধৰে। এই দুবিধ উপাদানে শৰীৰৰ ৰোগ প্ৰতিৰোধ ব্যৱস্থাটোক প্ৰৱল কৰি তোলাত সাহায্য কৰে। এবাৰ যদি শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পায়, তেনেহ'লে কোনো ধৰণৰ সংক্ৰমণ ওচৰলৈকে আহিব নোৱাৰে।



# অসম দাপোণ



## স্বেচ্ছাসেৱী সংস্থা ‘ৰাইভি’ৰ উদ্যোগত মান্দাকাটাত বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৩ জুলাইঃ** বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা ‘ৰাইভি’ৰ উদ্যোগত মান্দাকাটা গাঁও পঞ্চায়তৰ সহযোগত আজি মান্দাকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত বিনামূলীয়া চিকিৎসা শিবিৰ এটি অনুষ্ঠিত হয়। চিকিৎসা শিবিৰৰ মুখ্যদ্বাৰ মুকলি কৰে বিশিষ্ট অভিনেত্ৰী, প্ৰযোজিকা তথা ‘ৰাইভি’ৰ সম্পাদিকা ৰূপা বৰকটকী চৌধুৰীয়ে। স্বেচ্ছাসেৱী সংস্থা ‘ৰাইভি’ৰ সভাপতি চুমন আহমেদে জানিব দিয়া মতে মান্দাকাটা গাঁও পঞ্চায়তৰ যুৱ সমাজকৰ্মী ছাইনিং মাৰাক, অচ্যুত দাস, বাবুল আলী, বাবুল ছেত্ৰী, আয়েজুল হক, ইন্তাজুল হক, বাহাৰুল ইছলাম, পিতাম্বৰ ডেকা প্ৰমুখ্যে কে’বাগৰাকীও লোকৰ প্ৰত্যক্ষ সহযোগত আজি দেওবাৰে অনুষ্ঠিত হোৱা এই বিশেষ স্বাস্থ্য শিবিৰত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে বিয়লি উপস্থিত হৈ উদ্যোক্তসকলক উৎসাহিত কৰে। আজিৰ চিকিৎসা শিবিৰত ফিজিঅ’ থেৰাপী চিকিৎসক ডাঃ সুজিত কুমাৰ ৰেড্ডী (কুৰেইট)ৰ নেতৃত্বত ডাঃ বিনীতা ডেকা (কুৰেইটত কৰ্মৰত), ডাঃ জয়ন্ত ডেকা আৰু ডাঃ ময়ূৰী দাস, ডাঃ কুমাৰান ৰামাচামী, ডাঃ আখতাৰ হুছেইন, ডাঃ পুলিন চন্দ্ৰ ডেকা, ডাঃ অপৰাজিতা পাটোৱাৰী, ডাঃ দীপাংকৰ শৰ্মা, ডাঃ এছ এম আলী দেৱানে চিকিৎসা সেৱা আগবঢ়ায়। বিনামূলীয়া চিকিৎসা শিবিৰটোৰ জৰিয়তে আজি সহস্ৰাধিক ৰোগীয়ে বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰে। চিকিৎসা শিবিৰটো মুকলি কৰাৰ পাছতে বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা ‘ৰাইভি’ৰ তৰফৰ পৰা চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলৰ লগতে মান্দাকাটা গাঁও পঞ্চায়তৰ সভাপতি জাহিদুল ইছলাম, আঞ্চলিক সদস্য বীৰেন বৈশ্য, মান্দাকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰুমী বেগম, সহকাৰী শিক্ষক ইছলামুদ্দিন আহমেদক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## আৰক্ষীসকল সমাজৰ অস্বীকৃত নায়ক

### তৃতীয় আৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস



**তিতাবৰ, ২৩ জুলাই ঃ** ‘ৰাজ্যখনৰ আইন-শৃংখলা অটুট ৰাখি সমাজত শান্তি বৰ্তাই ৰখাৰ ক্ষেত্ৰত অসম আৰক্ষীৰ অনবদ্য অৱদান আছে। সামাজিক ভ্ৰাতৃত্ববোধ বজাই ৰখা, সুস্থিৰ ৰাজনৈতিক পৰিৱেশ সৃষ্টি কৰা, আন্তঃৰাজ্যিক সীমা সমস্যাৰ পৰা আৰম্ভ কৰি উগ্ৰপন্থী সমস্যা নিয়ন্ত্ৰণ কৰালৈকে অসম আৰক্ষীৰ বিষয়া তথা জোৱানসকলে সন্মুখৰ পৰা নেতৃত্ব দি সফলতা অৰ্জন কৰাৰ গৌৰৱোজ্জ্বল ইতিহাস আছে। দেশ তথা জাতিৰ ভৌগোলিক অখণ্ডতা অক্ষুণ্ণ ৰাখিবলৈ সমাজৰ দুষ্কৃতিকাৰীসকলৰ বিৰুদ্ধে অসম আৰক্ষীয়ে নিৰন্তৰ প্ৰয়াত কৰোতে বহু আৰক্ষীৰ লোকে দেশৰ হকে আত্মবলিদান দি ছহিদ হৈছে।’ এই মন্তব্য অসম আৰক্ষীৰ পূব মণ্ডলৰ আৰক্ষী মহাপৰিদৰ্শক মৃদুলানন্দ শৰ্মাৰ। আজি তিতাবৰস্থিত তৃতীয় অসম আৰক্ষী বাহিনীৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মহাপৰিদৰ্শক শৰ্মাই আৰু কয় যে আৰক্ষীৰ প্ৰতি পূৰ্বতে থকা মানুহৰ ধাৰণা সলনি হৈছে। ১৩ পৃষ্ঠাত চাওক

## অকৰ্তৃত্বশীলভাৱে ডিব্ৰুগড় সাহিত্য সভাৰ নাম, ল’গ’ ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৩ জুলাই ঃ** ডিব্ৰুগড় সাহিত্য সভাই আজি ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত আয়োজিত কৰিবলৈ লোৱা এক অনুষ্ঠান, একাংশ লোকে অকৰ্তৃত্বশীলভাৱে ডিব্ৰুগড় সাহিত্য সভাৰ ল’গ’ৰ লগতে সভাৰ নাম ব্যৱহাৰ কৰি বিভিন্ন সামাজিক মাধ্যমৰ লগতে ইণ্টাৰনেটত প্ৰচাৰ কৰি ভাইৰেল কৰা দৃষ্টিগোচৰ হৈছে বুলি উপ-সভাপতি বিভাস দুৱৰা আৰু সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে এক বিজ্ঞপ্তিৰ জৰিয়তে প্ৰকাশ কৰে। ডিব্ৰুগড় সাহিত্য সভাই উল্লেখ কৰা অনুযায়ী ডিব্ৰুগড় সাহিত্য সভাৰ অনুমতি নোহোৱাকৈ কোনো ব্যক্তি, অনুষ্ঠান বা প্ৰতিষ্ঠানক ডিব্ৰুগড় সাহিত্য সভাৰ ল’গ’কে (প্ৰতীক চিহ্ন) ধৰি সভাৰ নাম, য’তে-ত’তে সন্নিবিষ্ট কৰাৰ ধৃষ্টতা নকৰিবলৈকো সকীয়াই দিয়ে।

সভাই প্ৰকাশ কৰা মতে এই সমূহে সাহিত্য সভাৰ মৰ্যাদা হানি কৰাই নহয়, এয়া এক নীতি বিৰোধী আৰু বেআইনী কাৰ্যকলাপৰ ভিতৰত পৰে বুলিও জানিবলৈ দি এনেবোৰ ক্ষেত্ৰত প্ৰয়োজন হ’লে ডিব্ৰুগড় সাহিত্য সভাই আইন বা আৰক্ষীৰো সহায় লোৱাৰ প্ৰয়োজনবোধ কৰিব পাৰে বুলি সদৰী কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ গুণ-গৰিমা-মৰ্যাদা অটুট ৰাখিবলৈ ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰতিগৰাকী সদস্য-সদস্যা দায়বদ্ধ বুলি প্ৰকাশ কৰি ভৱিষ্যতৰ দিনত ডিব্ৰুগড় সাহিত্য সভাৰ নাম, ল’গ’ ইত্যাদি অকৰ্তৃত্বশীলভাৱে ব্যৱহাৰ কৰাৰ সকলো ধৰণৰ অনুষ্ঠান, প্ৰতিষ্ঠান, সংগঠন আৰু ব্যক্তিক এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ ডিব্ৰুগড় সাহিত্য সভাই বিনম্ৰতাৰে অনুৰোধ জনায়।

## ছাত্ৰীৰ অকাল বিয়োগত শোক



অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ২৩ জুলাইঃ** ছিপাঝাৰ থানাৰ অন্তৰ্গত মাৰৈ গাঁৱৰ নিৱাসী আবিদ আলীৰ কন্যা তথা মাৰৈ-বিজুলীবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ শংকৰ-আজান-জেনিথ একাডেমীৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বাৰ্ষিকীৰ ছাত্ৰী আৰজুনা বেগম (১৬)ৰ যক্ষ্মা ৰোগত অক্ৰান্ত যোৱা ২২ জুলাইৰ আবেলি প্ৰায় তিনি বজাত মৃত্যু হয়। মৃত্যুৰ বাতৰি বিয়পি পৰা লগে লগে অঞ্চলটোৰ লগতে দুয়োখন বিদ্যালয়ত শোকৰ ছাঁ পৰে। যোৱা নিশা আঠ বজাত জানাজা সম্পন্ন হয়। বিশেষকৈ প্ৰতিভাশালী ছাত্ৰীগৰাকী নৃত্য, গীত-মাতত পাকৈত আছিল। ছাত্ৰীগৰাকীয়ে মৃত্যুৰ সময়ত পিতৃ-মাতৃ, দদায়েক সহিতে আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহসংৰাত এৰি যায়। ছাত্ৰীগৰাকীৰ মৃত্যুত মাৰৈ-বিজুলীবাৰী হাইস্কুল, শংকৰ-আজান-জেনিথ একাডেমীৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকল, মাৰৈ-বিজুলীবাৰী সাহিত্য সভা, ক্লাব জেচমিন, এম বি ক্লাব আদি অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

## নিয়ম বহিৰ্ভূতভাৱে বালি মহল আবণ্টন

### কোটি কোটি টকা ৰাজহ হৰলুকি কৰা গোৱালপাৰা ডি এফ অ’ৰ বিৰুদ্ধে মহলদাৰৰ মুখ্যমন্ত্ৰীক অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ জুলাই ঃ** গোৱালপাৰা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া চমুকৈ ডি এফ অ’ জিতেন্দ্ৰ কুমাৰ সিঙে নিয়ম বহিৰ্ভূতভাৱে বালি মহল আবণ্টন দি কোটি কোটি টকাৰ ৰাজহ হৰলুকি কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত সাহাবুল ইছলাম নামৰ এজন বালি মহলদাৰে অলপতে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি এখন লিখিত অভিযোগ দাখিল কৰে। উক্ত অভিযোগ পত্ৰত উল্লেখ কৰা মতে চাৰি-পাঁচ মাহ আগতে গোৱালপাৰাৰ তিনিটা বালি মহল ক্ৰমে (১) কৃষ্ণাই বালি মহল নম্বৰ তিনি (২) দুধনৈ বালি মহল নম্বৰ তিনি (এ) আৰু দুধনৈ বালি মহল নম্বৰ তিনি (বি)ৰ বাবে বিভাগীয় কৰ্তৃপক্ষই অনলাইন নিবিদাৰ আহ্বান কৰে। ইয়াৰে ১২০০ টকা চি এম দৰত উচ্চ নিবিদা দাখিল কৰি দুধনৈ বালি মহল নম্বৰ তিনি (বি) লাভ কৰে সাহাবুল ইছলামে আৰু চাৰিশ টকা চি এম দৰত কৃষ্ণাই বালি মহল নম্বৰ তিনিটো লাভ কৰে বিশ্বজিৎ দাসে। কিন্তু গোৱালপাৰাৰ ডি এফ অ’ জিতেন্দ্ৰ কুমাৰ সিঙে স্বাৰ্থ সিদ্ধি কৰি নিজৰ আৰ্থিক মুনাফাৰ বাবে দুধনৈ বালি মহল নম্বৰ তিনি (এ)ৰ নিবিদা নিদি অতি গোপনীয়ভাৱে কোটি কোটি টকাৰ চৰকাৰী ৰাজহৰ হৰলুকি কৰি মাত্ৰ ১৪০ টকা চি এম দৰত তিনি বছৰৰ বাবে দীপক কুমাৰ ৰাভা নামৰ এজন লোকক আবণ্টন দিয়ে। এইদৰে বিভাগীয় নিয়ম উলংঘা কৰি অবৈধভাৱে কম দৰত দুধনৈ বালি মহল নম্বৰ তিনি (এ)ৰ আবণ্টন দিয়াৰ ফলত বৈধ বুলি মহলৰ মহলদাৰসকলে চৰকাৰী কৰ আদায় দিয়াৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ’বলগীয়া হৈছে। ইফালে, অতিৰিক্ত বোজাইবাহী বালিৰ ট্ৰাক-ডাম্পাৰৰ পৰা জৰিমনা আদায়ৰ নামতো ডি এফজনে অনিয়ম কৰা বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। বিচৰা ধৰণে উৎকোচ পালে সামান্য জৰিমনা আদায় কৰি ট্ৰাক-ডাম্পাৰ মুকলি কৰি দিয়াৰ বিপৰীতে বিচৰা ধৰণে উৎকোচ নাপালে এক-দুই চি এম অভাৰলোড থকা জব্দকৃত গাড়ীৰ পৰা ৫০-৬০ হেজাৰ টকা জৰিমনা আদায় কৰে বুলিও অভিযোগ পত্ৰত উল্লেখ কৰিছে। এই দুৰ্নীতিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ অধীনৰ ভিজিলেঞ্চ চেলৰ দ্বাৰা তদন্ত কৰি ডি এফ অ’ আৰু তেওঁৰ অন্য অন্য সহযোগী দোষী ব্যক্তিসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল’বলৈ মহলদাৰ সাহাবুল ইছলামে মুখ্যমন্ত্ৰীক দাবী জনাইছে।

## কামপুৰত জাপানীজ এনকেফেলাইটিছত পুনৰ এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ২৩ জুলাই ঃ** কামপুৰৰ দক্ষিণ চাংচকীত জাপানীজ এনকেফেলাইটিছত এজন লোকৰ মৃত্যু হৈছে। মৃত লোকজনৰ নাম হৈছে পুলিন মজুমদাৰ। অৱসৰপ্ৰাপ্ত শিক্ষক মজুমদাৰ চাৰিদিন পূৰ্বে জ্বৰত আক্ৰান্ত হৈ আছিল আৰু কালি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত মৃত্যু হয়। ইয়াকে লৈ কামপুৰত বৰ্তমানলৈকে দুজন লোকৰ মৃত্যু হয়। সৰবৰহী মজুমদাৰৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

## লাওখোৱাত গো-মাফিয়াৰ দলবদ্ধ আক্ৰমণ সংবাদকৰ্মীক

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ২৩ জুলাই ঃ** ৰূপহীহাটৰ লাওখোৱাত গৰু মাফিয়াই আক্ৰমণ কৰিলে ইনামূল হক নামৰ এজন সাংবাদিকক। কিছুদিন পূৰ্বে চোৰাং গৰু সৰবৰাহ কৰাৰ বিৰুদ্ধে বাতৰি প্ৰকাশ কৰিছিল সাংবাদিকজনে। অবৈধ গৰু সৰবৰাহকাৰীৰ দলটোৱে ব্ৰহ্মপুত্ৰ নদী পথেদি প্ৰতি নিশাই নাৱেৰে পাৰ কৰে শ শ চোৰাং গৰু। সেই চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে বাতৰি সম্প্ৰচাৰ কৰাই কাল হ’ল সাংবাদিকজনৰ। গো-মাফিয়া নশ্বেদ আলী, আব্দুল কৰিম, মফিদুল ইছলাম, জহিৰুল ইছলাম আৰু শিৰাজুল ইছলামে দলবদ্ধভাৱে আক্ৰমণ কৰে সাংবাদিক ইনামূলক। ইতিমধ্যে ভুক্তভোগী সাংবাদিকজনে ৰূপহীহাট আৰক্ষী থানাত গোচৰ ৰুজু কৰে। সাংবাদিকৰ ওপৰত গো-মাফিয়াৰ আক্ৰমণৰ কাণ্ডক তীব্ৰ ভাষাৰে নিন্দা জনাইছে কে’বাটাও সাংবাদিক সংগঠনে। সাংবাদিক আক্ৰমণৰ অভিযুক্তসকলক অতি শীঘ্ৰেই আটক কৰিবলৈ বিভিন্ন মহলে দাবী উত্থাপন কৰিছে।

## টেঙাখাতত কন্যাসহ এগৰাকী মহিলা নিৰুদ্দেশ



অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২৩ জুলাই ঃ** টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত তামুলীখাত গাঁৱৰ হেমন্ত চেতিয়াৰ পত্নী সংগীতা চেতিয়া (২২) আৰু কন্যা কৃষ্টিনা চেতিয়া (তিনি বছৰ ছমাহ) যোৱা ২১ জুলাইৰ পৰা সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে সদৰী কৰা মতে, দাতৰ বিষত ভুগি থকা কৃহিনাক চিকিৎসকক দেখুৱাবলৈ টেঙাখাতলৈ বুলি সংগীতা ঘৰৰ পৰা ২১ জুলাইৰ দিনাৰ পুৱাৰ ভাগতে ওলাই অহাৰ পাছৰে পৰা মাক-জীয়েক দুয়ো সন্ধানহীন হৈ আছে। বিভিন্ন ঠাইৰ আত্মীয়ৰ ঘৰত বিচাৰ কৰি সন্ধান উলিয়াব নোৱাৰি স্বামী হেমন্ত চেতিয়াই সবিশেষ জনাই টেঙাখাত থানাত এজাহাৰ দাখিল কৰে। মহিলাগৰাকী কোনো দুষ্টচক্ৰৰ কবলত পৰা বুলি পৰিয়ালৰ লোকে সন্দেহ প্ৰকাশ কৰিছে। বিশেষকৈ অসুখী কণমানি শিশুটোৰ কথা ভাবি পৰিয়ালৰ লোক চিন্তিত হৈ পৰিছে। কোনো লোকে মহিলাগৰাকীৰ সন্ধান পালে ওচৰৰ থানাত নাইবা ৮৪৫৩৬৫৪০৮৯ এই ম’বাইল নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

## ধাৰাপুৰ ছাত্ৰ সন্থাৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান

### ৩৮ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৩ জুলাই ঃ** ধাৰাপুৰ ছাত্ৰ সন্থাৰ উদ্যোগত আজি ধাৰাপুৰস্থিত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ত এইবেলি ২০২২ত অসম উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ কলা-বিজ্ঞান আৰু বাণিজ্য শাখাৰ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্ব সহকাৰে উত্তীৰ্ণ হোৱা বৃহত্তৰ ধাৰাপুৰ অঞ্চলত ৩৮গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এক ‘বিশেষ অভিনন্দন অনুষ্ঠান’ৰ আয়োজন কৰা হয়। ধাৰাপুৰ ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি অভিজিৎ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ আৰম্ভণিতে ধাৰাপুৰ ছাত্ৰ সন্থাৰ সদস্যাসকলে এটি সমবেত সংগীত পৰিৱেশন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। বিশেষ অভিনন্দন অনুষ্ঠানত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ৩৮ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ উপৰি সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত চাৰিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে হাইস্কুল শিক্ষান্ত পৰীক্ষাত নৱম স্থানপ্ৰাপ্ত অনুসূয়া ঠাকুৰীয়া, কলা শাখাৰ শ্ৰুতি কলিতা, বিজ্ঞান শাখাৰ ফায়াজ আজিজ, বাণিজ্য শাখাৰ ইৰফান হকক ধাৰাপুৰ ছাত্ৰ সন্থাৰ তৰফৰ পৰা বিগত বৰ্ষসমূহৰ দৰে এইবেলিও প্ৰয়াত কৃতী শিক্ষক-শিক্ষয়িত্ৰী বাণীকান্ত কাকতি আৰু সত্যৱতী কাকতি সোঁৱৰণী ‘শৈক্ষিক বঁটা’ প্ৰদান কৰে প্ৰয়াত কাকতিদ্বয়ৰ সুযোগ্য সন্তান পৰাগ কাকতি আৰু সত্যৱতী কাকতিৰ ভগ্নী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জ্যোৎস্না দাসে। ১৩ পৃষ্ঠাত চাওক

## জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত কচুৱাৰ কিশোৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কচুৱা, ২৩ জুলাই ঃ** অৱশেষত যোৱা এটা পযেক জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত ৰাব্বুল হুছেইন (১১) নামৰ ছাত্ৰজন মৃত্যুৰ স’তে যুঁজি যোৱা নিশা ১০ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। যোৱা আঠ জুলাইত জ্বৰত আক্ৰান্ত ৰাব্বুলক প্ৰথমে কচুৱা মডেল হাস্পতালত চিকিৎসা কৰি আৰোগ্য নোহোৱাত নগাঁও ছিমচ ছুপাৰ স্পেচিয়েলিয়েটি হাস্পতালত ভৰ্তি কৰাই তেজৰ নমুনা পৰীক্ষা কৰাত মাৰাত্মক বেমাৰটো ধৰা পৰিছিল। পাছত গুৱাহাটীৰ দিছপুৰ হাস্পতাল আৰু মূৰকত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাই চিকিৎসা সেৱা চলাই আছিল যদিও মূৰকত যোৱা নিশা ছাত্ৰজনৰ মৃত্যু হয়। ছাত্ৰজনৰ মৃত্যু হোৱাত অঞ্চলটোত এক শোকৰ ছাঁ পৰিছে।

## ৰজতকমল বঁটা প্ৰাপক কামপুৰৰ দীপ ভূঞাঁলৈ শুভেচ্ছা

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ২৩ জুলাইঃ** শ্ৰেষ্ঠ পাৰিপাৰ্শ্বিক ছবিৰ শিতানত কামপুৰৰ দীপ ভূঞাৰ পৰিচালিত ছবি ‘মানাহ আৰু মানুহ’-এ ৰজতকমল বঁটা লাভ কৰা খবৰে কামপুৰৰ সংস্কৃতিপ্ৰেমী ৰাইজক উৎফুল্লিত কৰি তুলিছে। কামপুৰৰ অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে কামপুৰৰ প্ৰিন্ট মিডিয়া এছ’চিয়েছনে পৰিচালক ভূঞালৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এছ’চিয়েছনৰ সভাপতি সভাৰাম মজুমদাৰ, সম্পাদক সমৰেন্দ্ৰ নাৰায়ণ বৰা, উপদেষ্টা নীলকমল শইকীয়া আৰু নলিনী বৰঠাকুৰে পৰিচালক ভূঞাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে কামপুৰৰ বাবে অতি গৌৰৱৰ খবৰ বুলি মন্তব্য কৰে। কামপুৰ পাচনিজাৰ অঞ্চলৰ নিৱাসী তথা বৰ্তমান কৰ্মসূত্ৰে গুৱাহাটীত থকা ভূঞাই পূৰ্বতে কে’বাখনো তথ্যচিত্ৰ নিৰ্মাণ কৰি উচ্চ প্ৰশংসিত হৈছিল।

### শিক্ষাৰ অধিকাৰ আইন ১৮ বছৰ বয়সলৈ বৃদ্ধিৰ পোষকতা ন্যায়াধীশ কটকীৰ

## ৰাজ্যত তিনি বছৰত সংঘটিত হৈছে ২১ হেজাৰ শিশু অপৰাধজনিত ঘটনা

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ২৩ জুলাই ঃ** ‘ৰাজ্যত তিনি বছৰত সংঘটিত হৈছে ২১ হেজাৰ শিশু অপৰাধজনিত ঘটনা। শিশুৰ বিৰুদ্ধে অপৰাধ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে ৰাজ্যত। সমান্তৰালভাৱে ৩৪ লাখ শিশুৱে শিক্ষা অধিকাৰৰ পৰা বঞ্চিত হৈছে।’ কালি কামৰূপ জিলাৰ কমলপুৰত ন্যায়াধীশ বি পি কটকীয়ে এই মন্তব্য প্ৰকাশ কৰে। কমলপুৰ আৰক্ষী থানাত শিশুৰ অধিকাৰ, বাল্যবিবাহ বন্ধ কৰা, শিশু অপৰাধ সজাগতা সৃষ্টি কৰাৰ বাবে ইউনিচেফৰ উদ্যোগত এক সজাগতা সভাত এই মত প্ৰকাশ কৰে ন্যায়াধীশজনে। শিশুৰ সুৰক্ষা আৰু অধিকাৰৰ ওপৰত ভাষণ প্ৰদান কৰি ন্যায়াধীশ কটকীয়ে কয় যে চৰকাৰে আইন প্ৰণয়ন



কৰিলেই নহ’ব, আইন সুচাৰুৰূপে ৰূপায়িত হৈছে নে নাই সেই দিশটো গুৰুত্ব সহকাৰে পৰ্যবেক্ষণ কৰিব লাগিব। কোনো শিশুৱে যাতে শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত নহয়, কোনো শিশুৱে যাতে শিশু অপৰাধৰ বলি নহয় তাৰ প্ৰতি চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগিব বুলিও ন্যায়াধীশজনে মত পোষণ কৰে। ইফালে, শিশুৰ শিক্ষাৰ অধিকাৰ আইনে যাতে ১৮ বছৰ বয়সলৈকে সামৰি লয় সেয়া তেওঁ পোষকতা কৰে। ষ্টুডিঅ’ নিলিমাৰ সহযোগত অনুষ্ঠিত আলোচনা চক্ৰত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই শিশু সুৰক্ষা আৰু অধিকাৰৰ ওপৰত সকলোকে আন্তৰিকতাৰে কাম কৰিবলৈ আহ্বান জনায়। কমলপুৰ আৰক্ষী থানাৰ গাঁওৰক্ষী বাহিনীৰ সভাগৃহত অনুষ্ঠিত এই আলোচনা চক্ৰত সাংবাদিক মৃণাল তালুকদাৰে শিশুসকল যে বিভিন্ন অধিকাৰৰ পৰা বঞ্চিত হৈ থাকে সেয়া আলোকপাত কৰি দেশৰ সুনাগৰিক হিচাপে শিশুসকলক গঢ় দিয়াৰ বাবে শিশুসকলে লাভ কৰিব লগা বিভিন্ন অধিকাৰ আৰু সুৰক্ষা সন্দৰ্ভত বিশদ ব্যাখ্যা আগবঢ়ায়। সমাজসেৱক দিগন্ত ডেকাই আঁতধৰা অনুষ্ঠানত কমলপুৰ ৰাজহ চক্ৰ বিষয়া পৰীক্ষিৎ ফুকন, কমলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বীৰেন বৰুৱা, বিজেপিৰ নেতা হেমন্ত বৰা প্ৰমুখ্যে ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গ্ৰীষ্মকালীন শিক্ষা বিভাগৰ শিবিৰৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**বাহাৰহাট, ২৩ জুলাই ঃ** যোৱা ১৮ জুলাইৰ পৰা বেচৰকাৰী আন্তঃৰাষ্ট্ৰীয় সংস্থা এইড এণ্ড এক্সনৰ সহযোগত নলবাৰী জিলাৰ ভিন্ন ঠাইৰ লগতে বৰখালাৰ পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়তে ছদিনীয়া কাৰ্যসূচীৰে গ্ৰীষ্মকালীন শিক্ষা শিবিৰৰ আয়োজন কৰা হৈছিল। অঞ্চলটোৰ প্ৰায় সাতখন শিক্ষানুষ্ঠানক সামৰি দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত উক্ত শিবিৰৰ আজি সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি সংস্থাটোৱে এখন সামৰণি সভা অনুষ্ঠিত কৰে। সভাত সভাপতিৰ আসন গ্ৰহণ কৰে পশ্চিম বড়িগোগ ধীৰদত্ত মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন বৰুৱাই সভাত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মা, বিদ্যালয়খনৰ সহকাৰী শিক্ষক কল্যাণ দাস, অৱসৰপ্ৰাপ্ত শিক্ষক দীনেশ চন্দ্ৰ দাস, বিষয় শিক্ষক অংশুমান দাস, কে’বাগৰাকীও সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী অভিভাৱক, স্থানীয় সামাজিক ব্যক্তি, এইড এট এক্সনৰ সহযোগী শিক্ষা সহায়কসকল আৰু ছাত্ৰ-ছাত্ৰীসকলে সহযোগ কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে অংকন কৰা চিত্ৰ আৰু মাটিৰ বিভিন্ন সামগ্ৰীৰ এটি আকৰ্ষণীয় প্ৰদৰ্শনীৰ লগতে গীত-মাত পৰিৱেশন কৰি দৰ্শক ভৰ্তি প্ৰেক্ষাগৃহ মন্ত্ৰমুগ্ধ কৰি ৰাখে। আনহাতে, অনুষ্ঠানৰ শেষৰ ফালে জনপ্ৰিয় কণ্ঠশিল্পী জোন চৌধুৰীয়ে গীত-মাতেৰে পৰিৱেশ জীপাল কৰি তোলে।

## ভাৰতীয় ষ্টেট বেংক টীয়ক শাখাৰ কৃষকৰ বাবে ব্যতিক্ৰমী পদক্ষেপ

### ‘এক ৰাত অন্নদাতা কে সাথ’ শীৰ্ষক বিশেষ অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**জাঁজী, ২৩ জুলাই ঃ** সৰ্বভাৰতীয় পৰ্যায়ত ভাৰতীয় ষ্টেট বেংকে আয়োজন কাৰ ‘এক ৰাত অন্নদাতা কে সাথ’ শীৰ্ষক অনুষ্ঠানৰ লগত সংগতি ৰাখি কালি সন্ধিয়া ছয় বজাৰ পৰা টীয়ক জখৰীয়া গাঁৱত অনুষ্ঠিত হয় এক ব্যতিক্ৰমী অনুষ্ঠান। অনুষ্ঠানত টীয়কৰ বিভিন্ন ঠাইৰ কে’বাগৰাকী উদ্যমী যুৱ কৃষকক বেংক কৰ্তৃপক্ষৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ভাৰতীয় ষ্টেট বেংকৰ জৰিয়তে গ্ৰামাঞ্চলৰ কৃষকসকল যাতে সৰ্বোদিশত লাভান্বিত হয় আৰু গ্ৰামাঞ্চলৰ ৰাইজৰ লগত এক বন্ধুত্ব সুলভ সম্পৰ্ক গঢ়ি তোলাটোৱেই এই অনুষ্ঠানৰ মূল লক্ষ্য আৰু উদ্দেশ্য। মুখ্য প্ৰৱন্ধক দিপজ্যোতি কলিতাৰ নেতৃত্বত অনুষ্ঠিত অনুষ্ঠানত ১০জনকৈ কৃষকক ঋণো প্ৰদান কৰে বেংক কৰ্তৃপক্ষই। পাঁচ শতাধিক কৃষকৰ বৰুকেইটা আত্মসহায়ক গোটে অংশ লোৱা ব্যতিক্ৰমী কাৰ্যসূচীৰ বাবে বেংক কৰ্তৃপক্ষক ধন্যবাদ জনাইছে গ্ৰামাঞ্চলৰ ৰাইজে। অনুষ্ঠানত ভাৰতীয় ষ্টেট বেংক যোৰহাটৰ ৰি’জনেল বিজিনেছ অফিচৰ সহ প্ৰৱন্ধক এল পি লালচাংকিমা, মুখ্য প্ৰৱন্ধক সুমন দত্ত, দিগন্ত কুমাৰ ৰাভা, অঞ্চলৰ বিশিষ্ট ব্যক্তি প্ৰফুল্ল শইকীয়া, প্ৰদীপ চুতীয়া, অশোক বৰা, টীয়ক পৌৰসভাৰ পৌৰপতি লাকী বৰবৰা গগৈ, টীয়ক আৰক্ষী থানাৰ উপ-পৰিদৰ্শক দীপাংকৰ দলে, মধ্য টীয়ক গাঁও পঞ্চায়তৰ সভাপতি দীপক বৰা প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। লগতে গ্ৰামাঞ্চলৰ ৰাইজে সততেই ষ্টেট বেংকৰ জৰিয়তে লাভ কৰিব পৰা বিভিন্ন সুবিধাসমূহৰ ওপৰত বেংকৰ সমল ব্যক্তিসকলে উপস্থিত খেতিয়ক তথা ৰাইজৰ মাজত মুকলিভাৱে আলোচনাত মিলিত হয়।

## জ্যোতি-বিষ্ণু-ফণী সাংস্কৃতিক-গৱেষণা কেন্দ্ৰ স্থাপনৰ দাবী তেজপুৰত

ষ্টাফ ৰিপ’ৰ্টাৰ

**তেজপুৰ, ২৩ জুলাই ঃ** দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক সাংস্কৃতিক মাধ্যমৰে একগোট কৰি আকৌ এখন বৰ অসম গঢ়ি কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ এক নিৰৱচ্ছিন্ন প্ৰয়াস কৰাৰ মানসেৰে কে’বাটাও আৰ্থ সামাজিক আঁচনিৰ প্ৰস্তাৱ গ্ৰহণ কৰি ঐতিহ্য সুৰক্ষা সমিতি অসমে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সেই অনুসৰি, তেজপুৰত ইতিমধ্যে সংস্থাটোৱে নিৰ্ধাৰণ কৰা স্থানত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, নটসূৰ্য ফণী শৰ্মা সাংস্কৃতিক আৰু গৱেষণা কেন্দ্ৰ স্থাপন, আন্তঃৰাষ্ট্ৰীয় বিজ্ঞানসন্মত প্ৰেক্ষাগৃহ, উত্তৰ-পূৰ্বাঞ্চলৰ জাতীয় সাজপাৰ বিক্ৰী কেন্দ্ৰ, আত্মসহায়ক গোটৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বিক্ৰী কেন্দ্ৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পীসকলৰ বাবে এটা অতিথিশালা নিৰ্মাণ কৰাৰ দাবী জনাই মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ১৩ পৃঠাত চাওক

## আগমনীত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**বক্সিৰহাট, ২৩ জুলাই ঃ** গোলকগঞ্জ সমষ্টিৰ আগমনী জেনিথ কনিষ্ঠ মহাবিদ্যালয়ত আজি কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। আগমনী অঞ্চলৰ জ্যেষ্ঠ নাগৰিক আলহাজ মজিবৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক কলা শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ২৩গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰে ১৬গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ডিষ্টিংছন আৰু ষ্টাৰ নম্বৰ লাভ কৰে। সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, কলম, মানপত্ৰ আৰু জাপি প্ৰদান কৰা হয়। প্ৰথমবাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা ২৪ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ২৩গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে স্বদেশ অধ্যয়ন বিষয়, অসমীয়া আৰু ৰাজনীতি বিজ্ঞানত ধুবুৰী জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰে। আৰম্ভণিতে আগমনী প্ৰগতি কলেজৰ প্ৰবক্তা শ্বাহ আলম বেপাৰীয়ে উদ্বোধনী ভাষণ আগবঢ়ায়। সভাত প্ৰাক্তন বিষয় শিক্ষক সুশীল চন্দ ৰায়, আগমনী প্ৰগতি কলেজৰ প্ৰবক্তা মইনুল, সত্ৰশাল জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক অভিলাষ দাস, জেনিথ কনিষ্ঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা ইছাহক আলী আদিয়ে সৎ নাগৰিক হিচাপে নিজকে গঢ়ি তুলি দেশ তথা মানৱ সেৱাত ব্ৰতী হ’বলৈ ছাত্ৰ-ছাত্ৰীক আহ্বান জনায়। সভাত অভিভাৱক কমল কুমাৰ ৰায় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ক্ৰমে অপৰ্ণা পাল, শ্বাহৰিন জেৰিফ, মোন্নাফ আলী, শাৰ্মী আলমে ভাষণ প্ৰদান কৰে। সভাৰ শেষত জাতীয় সংগীতেৰে সভাৰ সামৰণি পৰে।

### নলবাৰীত উপস্থিত মন্ত্ৰী নন্দিতা গৰ্লোছা, জ্যেষ্ঠ সচিব ড° লক্ষ্মণন এছ

# বানত ক্ষতিগ্ৰস্ত ১০,৫৪৩ পৰিয়ালে পাব আৰ্থিক সাহায্য



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৩ জুলাই ঃ** নলবাৰী জিলাৰ সদ্য বানত ক্ষতিগ্ৰস্ত হোৱা গৃহৰ জৰীপৰ চূড়ান্ত পৰীক্ষণৰ বাবে আজি জিলা উপায়ুক্ত সভাকক্ষত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। উল্লেখ্য যে ইতিমধ্যে জিলা প্ৰশাসনৰ তৰফৰ পৰা জৰীপৰ অন্তত যুগুত কৰা তথ্যৰ সত্য নিৰূপণৰ উদ্দেশ্য পুনৰ চূড়ান্ত পৰীক্ষণৰ বাবে এই সভা অনুষ্ঠিত হয়। নলবাৰী জিলাৰ এই পৰীক্ষণ কাৰ্যৰ দায়িত্বত থকা অসম চৰকাৰৰ মন্ত্ৰী নন্দিতা গৰ্লোছা আৰু জ্যেষ্ঠ সচিব ড° লক্ষ্মণন এছে আজি জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত দিনৰ ভাগত উল্লিখিত বিষয়ৰ স'তে জড়িত সকলো বিষয়াবৰ্গৰ উপস্থিতিত এখন পৰিকল্পনা প্ৰস্তুতি সম্বন্ধীয় সভা সম্বোধন কৰে। তথ্য অনুসৰি, নলবাৰী জিলাত বানত ঘৰ-সম্পত্তি ক্ষতি হোৱা সৰ্বমুঠ ১০,৫৪৩ গৰাকী হিতাধিকাৰীক বৰ্তমানলৈকে আৰ্থিক সাহায্যৰ বাবে চিনাক্ত কৰা হৈছে। এই চিনাক্ত হোৱা মুঠ সংখ্যাৰ সকলোকে সামৰি তাৰে মাজৰ পৰা যিকোনো ২০ শতাংশ হিতাধিকাৰীৰ তথ্য এতিয়া পুনৰ এবাৰ চূড়ান্তভাৱে পৰীক্ষা কৰা হ'ব। মন্ত্ৰী নন্দিতা গৰ্লোছা আৰু জ্যেষ্ঠ সচিব ড° লক্ষ্মণন এছৰ তত্ত্বাৱধানত চূড়ান্ত পৰীক্ষণ চলাবলগীয়া দলটোৱে অসম চৰকাৰৰ তৰফৰ পৰা নিৰ্ধাৰিত অহা ৩০ জুলাইৰ সময়সীমাৰ পূৰ্বেই অৰ্থাৎ অহা ২৭ জুলাইৰ ভিতৰতেই উক্ত ২০ শতাংশ (প্ৰায় দুহেজাৰ) হিতাধিকাৰীৰ তথ্যৰ চূড়ান্ত পৰীক্ষণ সম্পূৰ্ণ কৰাৰ বাবে আজি সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে নলবাৰী জিলাৰ প্ৰতিটো ৰাজহ চক্ৰই কম-বেছি পৰিমাণে যোৱাটো বানত আক্ৰান্ত হৈছিল আৰু এতিয়া প্ৰতিটো ৰাজহ চক্ৰতেই সুকীয়া সুকীয়া ক্ষয়-ক্ষতিৰ সত্যতা নিৰূপণৰ বাবে দল থাকিব। ইফালে, বৰভাগ ৰাজহ চক্ৰৰ জৰীপৰ অন্তত পোৱা মুঠ ৪১৪৬টা বানত ক্ষতিগ্ৰস্ত গৃহৰ চূড়ান্ত পৰীক্ষণৰ বাবে আইটিএফচিৰ সচিব সীমা ৰেখা ভূএঞাৰ নেতৃত্বত এটা ১৪ জনীয়া দল থাকিব। নলবাৰী সদৰ ৰাজহ চক্ৰৰ মুঠ ২৬৮১টা গৃহৰ পৰীক্ষণৰ বাবে আছাম মিনাৰেল ডেভলপমেন্ট কৰ্পৰেচনৰ পৰিচালন সঞ্চালক এন আনন্দৰ নেতৃত্বত এটা নজনীয়া দল থাকিব। ঠিক সেইদৰে পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ পৰীক্ষণ দলৰ নেতৃত্বত থাকিব ঐনাম চৰণকুমাৰ সিং, টিহু ৰাজহ চক্ৰৰ পৰীক্ষণ দলৰ নেতৃত্বত থাকিব জ্যেষ্ঠ সচিব ড° লক্ষ্মণন এছ, ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ পৰীক্ষণ দলৰ নেতৃত্বত থাকিব দীপিৰেখা কৌলী, বানেকুছি ৰাজহ চক্ৰৰ পৰীক্ষণ দলৰ নেতৃত্বত থাকিব আত্ৰেয়ী গোস্বামী আৰু বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ পৰীক্ষণ দলৰ নেতৃত্বত থাকিব দুৰেল দেৱনাথ। উল্লেখ্য যে এই দলসমূহে অহা ২৭ জুলাইৰ ভিতৰত চূড়ান্ত পৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব আৰু প্ৰাপ্ত তথ্য সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াক জমা দিব আৰু পৰীক্ষণৰ অন্তত তথ্যত কোনো বিসংগতি পৰিলক্ষিত নহ'লে বৰ্তমানলৈকে চিনাক্ত হোৱা সকলো হিতাধিকাৰীকেই নিৰ্ধাৰিত সকলো নিয়মানুসৰি চৰকাৰৰ তৰফৰ পৰা তেওঁলোকে পাবলগীয়া আৰ্থিক সাহায্য বিতৰণৰ ব্যৱস্থা কৰা হ'ব।

## দুৰাৰোগ্য ৰোগত আক্ৰান্ত মিৰাজুল হক চিকিৎসাৰ বাবে আৰ্থিক সহায় কামনা

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ২৩ জুলাই ঃ** হাউলীৰ কঠলিঝাৰৰ দুৰ্ভগীয়া এটা পৰিয়ালে আৰ্থিক সাহায্য বিচাৰিছে চৰকাৰ তথা হৃদয়বান ব্যক্তিৰ পৰা। কিয়নো পৰিয়ালৰ মুৰব্বীৰ চিকিৎসাৰ বাবে প্ৰয়োজন হৈছে বৃহৎ পৰিমাণৰ অৰ্থৰ। কিন্তু সেই ধন ব্যয় কৰিব পৰা সামৰ্থ্য নাই পৰিয়ালটোৰ। সেয়ে পৰিয়ালটোৱে বিচাৰিছে ৰাইজ তথা চৰকাৰৰ সহায়ৰ হাত। হাউলীৰ কঠলিঝাৰ গাঁৱৰ এটি পৰিয়ালৰ কথা। পৰিয়ালটোৰ মূল ব্যক্তি মিৰাজুল হকে দিন হাজিৰাৰে জীৱন নিৰ্বাহ কৰি আছিল। মিৰাজুলৰ পত্নীসহ দুই পুত্ৰ আৰু দুই কন্যাৰে সুখে-দুখে চলি আছিল পৰিয়ালটো। ইফালে, মিৰাজুলৰ এগৰাকী কন্যা শাৰীৰিকভাৱে সক্ষম। তথাপি কোনো অসুবিধা নোহোৱাকৈ সুন্দৰভাৱে পৰিয়ালটো চলি আছিল। কিন্তু ২০১৮ত পৰিয়ালৰ মুৰব্বী মিৰাজুল হকে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হয়। এনে অৱস্থাত পৰাৰ পাছতে পৰিয়ালৰ লোকে মিৰাজুলক মুম্বাইৰ টাটা কৰ্কট চিকিৎসালয়ত চিকিৎসাৰ বাবে লৈ যায়। মুম্বাইৰ চিকিৎসালয়ত চিকিৎসকে মিৰাজুল হক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱা বুলি পৰিয়ালৰ লোকক জানিবলৈ দিছে। ইয়াৰ পাছতে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালটোৱে মিৰাজুলৰ চিকিৎসাৰ বাবে নিজৰ খেতি মাটি বিক্ৰী কৰি দিয়ে। এনেদৰে মুম্বাইত চিকিৎসা চলি থকাৰ পাছতে কিছু স্বাস্থ্য উন্নত হৈছিল যদিও সম্প্ৰতি পুনৰ অসুস্থ হৈ পৰে মিৰাজুল। স্বাস্থ্য পুনৰ বেয়া হোৱাত পৰিয়ালৰ লোকে পুনৰ মিৰাজুলক মুম্বাইলৈ নিয়াত চিকিৎসকে ব'ন মেৰুৰ অস্ত্ৰোপচাৰ কৰাৰ পৰামৰ্শ দিয়ে। অস্ত্ৰোপচাৰৰ খৰচ প্ৰায় ৩০ লাখ টকা। কিন্তু অস্ত্ৰোপচাৰ কৰাৰ বাবে নিজৰ হাতত অৰ্থ নাই মিৰাজুলৰ পৰিয়ালৰ। এতিয়া পৰিয়ালৰ মুৰব্বী মিৰাজুলৰ জীৱনৰ বাবে পৰিয়ালটোৱে বিচাৰিছে চৰকাৰ তথা অসমবাসী ৰাইজৰ সহায়। ৰাইজৰ কিঞ্চিৎ সহায়ে মিৰাজুলক দান দিব পাৰে এটা নতুন জীৱন। উল্লেখ্য যে পত্নীসহ দুই পুত্ৰ আৰু দুই কন্যাৰ স'তে বৰপেটা জিলাৰ হাউলীৰ কঠলিঝাৰৰ নিজ ভঙা পঁজাত বাস কৰি থকা মিৰাজুলে ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী। বিগত চাৰি বছৰ ধৰি শয্যাগত হোৱাৰ পাছৰ পৰাই ঘৰখন চলাই নিয়াত ভীষণ অসুবিধাৰ সন্মুখীন হৈছে। যাৰ বাবে পৰিয়ালৰ লোকে কোনো সদাশয় ব্যক্তি তথা চৰকাৰৰ পৰা বিচাৰিছে সহায়। কোনো ব্যক্তিয়ে আৰ্থিক সহায় কৰিব বিচাৰিলে ষ্টেট বেংক অৱ ইণ্ডিয়া হাউলী শাখাৰ আইএফএছচি কোড এছবিআইএন০০০৫৩৫৮ৰ ৩৯৬৬৩০৩৭০৬৩ একাউণ্ট নম্বৰত জমা দিবলৈ কাতৰ অনুৰোধ জনাইছে। তদুপৰি পৰিয়ালৰ স'তে ৬০০০৭১৮৭৮২ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে।

## বাছত ছাত্ৰক নিৰ্যাতন কৃষ্ণাইত তীব্ৰ প্ৰতিক্ৰিয়া



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২৩ জুলাই ঃ** যাত্ৰীবাহী বাছৰ কণ্ডাক্টৰে স্কুলীয়া ছাত্ৰ এজনক শাৰীৰিকভাৱে প্ৰহাৰ কৰি বাছৰ পৰা নমাই দিয়া ঘটনা এতিয়া গোৱালপাৰা জিলাৰ কৃষ্ণাইত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, গোৱালপাৰাৰ বিদ্যালয় এখনত অধ্যয়নৰত কৃষ্ণাইৰ পাইকাণৰ ছাত্ৰ এজনে পৰহি বিদ্যালয়ৰ পৰা ঘৰলৈ আহিবলৈ বাছ এখনত উঠিব লওঁতে প্ৰথমে হেণ্ডিমেনে বাধা দিয়ে। তাৰ পাছতো ছাত্ৰজনে বাছখনত উঠাত কণ্ডাক্টৰে চৰিয়াই বাছৰ পৰা নমাই দিয়ে। এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে সমগ্ৰ কৃষ্ণাই অঞ্চলতে। যাৰ প্ৰতিক্ৰিয়া হিচাপে আজি নিৰ্যাতিত ছাত্ৰজনৰ সদৰ্থনত একাংশ ৰাইজে উক্ত বাছখন কৃষ্ণাইত ৰখাই অভিযুক্ত বাছ হেণ্ডিমেন আৰু কণ্ডাক্টৰক সকীয়াই দিয়ে। এই ঘটনা সন্দৰ্ভত কৃষ্ণাই আঞ্চলিক মটৰ শ্ৰমিক সন্থাৰ সভাপতি পৰিতোষ সাহাই কয় এনে ধৰণৰ ঘটনা সঁচাই দুৰ্ভাগ্যজনক। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীক যাত্ৰীবাহী বাছত উঠিব নিদিয়া কাৰ্য কোনোমতে গ্ৰহণযোগ্য নহয়। তেওঁ কয় বিশেষকৈ গোৱালপাৰা, লক্ষীপুৰৰ পৰা গুৱাহাটীলৈ যোৱা বাছত কৃষ্ণাইৰ যাত্ৰীক উঠাবলৈ ইচ্ছা নকৰা কাৰ্য বাছ পৰিচালকসকলে বন্ধ কৰিব লাগে। কাৰণ বাছসমূহ কৃষ্ণাইৰ বুকুৰেই আহ যাহ কৰে আৰু যাত্ৰীবাহী বাছত সকলো যাত্ৰীৰে যাতায়াত কৰাৰ অধিকাৰ আছে। একেই দাবী গোৱালপাৰা জিলা আমছুৰ সভাপতি আনিমূল হক চৌধুৰীৰো। সিদিনাৰ ঘটনা সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি চৌধুৰীয়ে ভৱিষতে এনে গৰ্হিত কাম কৰাৰ পৰা বিৰত থাকিবলৈ সকলো বাছ হেণ্ডিমেন কণ্ডাক্টৰক আহ্বান জনায় । বিশেষকৈ চমু পথৰ যাত্ৰী বাছত নোতোলা প্ৰৱণতা ত্যাগ কৰিবলৈ দূৰণিবটীয়া বাছ সমূহক আহ্বান জনায় সংগঠন দুটাৰ সভাপতিদ্বয়ে।

## ভোমোলাহাটীত পুত্ৰৰ হাতত নিহত পিতৃ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৩ জুলাই ঃ** বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত ভোমোলাহাটীত যোৱা নিশা সংঘটিত হয় এক লোমহৰ্ষক ঘটনা। এগৰাকী পাষণ্ড পুত্ৰৰ প্ৰহাৰত পিতৃৰ হানি হোৱা ঘটনাই সৃষ্টি কৰিছে চাঞ্চল্যৰ। গাঁওখনৰ গজিন ডেকা নামৰ লোকজনক কনিষ্ঠ পুত্ৰ ৰমেন ডেকাই প্ৰহাৰ কৰি হত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰে ৰাইজে। বাতৰি যুগুতোৱা সময়লৈ পলাতক অৱস্থাত আছে অভিযুক্ত পাষণ্ড পুত্ৰ ৰমেন। ইতিমধ্যে বাইহাটা চাৰিআলি থানাৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## ডাঃ চৈয়দ আহমেদ জাদিদৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৩ জুলাই ঃ** বৰপেটাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেতুস্বৰূপ, মানৱতাবাদী সমাজকৰ্মী, সুচিকিৎসক তথা সাম্যবাদী ৰাজনীতিৰ পৃষ্ঠপোষক ডাঃ চৈয়দ আহমেদ জাদিদৰ মৃত্যুত চৰ-চাপৰি সাহিত্য পৰিষদে গভীৰ শোক প্ৰকাশ কৰে। এক বিবৃতিত চৰ-চাপৰি সাহিত্য পৰিষদ, অসমৰ সভাপতি আৰু প্ৰধান সম্পাদক ক্ৰমে আনোৱাৰ হোছেইন আৰু ড° হাফিজ আহমেদে জনাই যে জন্মলগ্নৰে পৰা তেওঁ চৰ-চাপৰি সাহিত্য পৰিষদৰ উপদেষ্টাৰূপে পৰিষদক শান্তি-সম্প্ৰীতিৰ সপক্ষে তথা সাম্প্ৰদায়িকতাৰ বিপক্ষে কাম কৰি যাবলৈ যিদৰে অনুপ্ৰাণিত কৰিছিল, সেয়া পৰিষদে কেতিয়াও পাহৰিব নোৱাৰে।

## বৰহোলাত মটৰ সংযোগ থকা টিউৱেলত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**নগাবাট, ২৩ জুলাই ঃ** তিতাবৰ মহকুমাৰ বৰহোলাৰ ক'লাপানীত সংঘটিত হৈছে এক কৰুণ ঘটনা। মটৰ সংযোগ থকা টিউৱেলত বিদ্যুৎস্পৃষ্ট হৈ কৰুণ মৃত্যুক সাবটিব লগা হয়। বদনে সৰুৰে পৰা ক'লাপানীৰ যাদৱ গগৈৰ ঘৰত কাম কৰা ল'ৰা হিচাপে কৰ্মৰত আছিল। ইফালে, গৰাকীয়ে জানিবলৈ দিয়া মতে, সন্ধিয়া বদনে গা ধুবৰ বাবে পানীৰ মটৰৰ ছুইছ অন কৰি টিউৱেলটোত স্পৰ্শ কৰিছিল। সেই সময়ত বিদ্যুৎ পৰিবাহী হৈ থকা টিউৱেলটোত লাগি থিতাতে মৃত্যু হয়। বদনৰ প্ৰথম অৱস্থাত তেওঁলোকে গম পোৱা নাছিল। নিশা ভাত খাবৰ সময়ত গৰাকীয়ে বিচাৰ-খোচাৰ কৰাৰ সময়তহে টিউৱেলৰ কাষত বদনক পৰি থকা প্ৰত্যক্ষ কৰে। লগে লগে গৰাকীয়ে বদনক বৰহোলা সামূহিক চিকিৎসালয়লৈ আনিছিল যদিও বাটতে মৃত্যু হয়। আজি বদনৰ মৃতদেহ বৰহোলা আৰক্ষী থানাৰ পৰা মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে।

## জ্যোতি-বিষ্ণু-ফণী সাংস্কৃতিক-গৱেষণা

১২ পৃষ্ঠাৰ পৰা আজি এক বিবৃতিত ঐতিহ্য সুৰক্ষা সমিতি অসমে উল্লেখ কৰে যে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ-ভৈয়ামৰ জাতি-জনজাতিসকলক সাংস্কৃতিক মহামন্ত্ৰেৰে একতাৰ এনাজৰীৰে বান্ধি ৰখাৰ যি অবিৰত যাত্ৰা আৰম্ভ কৰি অনবদ্য সৃষ্টিৰাজিৰে আমাক চহকী কৰি থৈ গ'ল সেই সৃষ্টিৰাজি কলাগুৰুৰ মৃত্যুৰ ৫৮ বছৰ অতিক্ৰম কৰাৰ পাছতো চৰকাৰী পৃষ্ঠপোষকতাত বিজ্ঞানসন্মত সংৰক্ষণ নোহোৱাত এক অৱক্ষয়ৰ গৰাহত নিঃচিহ্ন হোৱাৰ সংশয় ঘটিছে। কলাগুৰুৰ গুণমুগ্ধ অনুগামী আৰু তেজপুৰীয়া ৰাইজৰ হৈ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ প্ৰাক্তন সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰা প্ৰয়াত কাৰ্তিক হাজৰিকাই কলাগুৰুৰ সৃষ্টিকৰ্ম বিজ্ঞানসন্মত সংৰক্ষণৰ বাবেই অসম চৰকাৰলৈ ১০খনৰো অধিক চিঠি প্ৰেৰণ কৰাৰ লগতে তেজপুৰীয়া সচেতন ৰাইজে চহৰখনৰ মাজমজিয়াত পৰিত্যক্ত অৱস্থাত অৱহেলিত হৈ পৰি থকা মহাভৈৰৱ মৌজাৰ ৫০৬ নম্বৰ দাগৰ চাৰি বিঘা তিনি কঠা মাটি আবন্টন দিয়াৰ বাবে অনুৰোধ জনোৱাৰ পৰিপ্ৰেক্ষিতত ২০১০ত তদানীন্তন উপায়ুক্ত ৰাজেশ প্ৰসাদৰ কাৰ্যকালত তেজপুৰ সাহিত্য সভা, বাণ থিয়েটাৰ, জংগম, সাংবাদিক সন্থা আৰু বিশিষ্ট ব্যক্তিসকলৰ লগতে সুধাকণ্ঠৰ ভ্ৰাতৃ নৃপেন হাজৰিকা, কলাগুৰুৰ পুত্ৰ হেমৰাজ ৰাভাৰ উপস্থিতিত আৰু সেই সময়ৰ অতিৰিক্ত উপায়ুক্ত প্ৰভাত কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত উক্ত ভূমিখণ্ড কলাগুৰুৰ সৃষ্টি কৰ্ম সংৰক্ষণ আৰু গৱেষণা কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ বাবে আবন্টন দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল যদিও কংগ্ৰেছী নেতাৰ কুঅভিসন্ধিত সেয়া হৈ নুঠিল বুলি উল্লেখ কৰে। বিবৃতিটোত আৰু উল্লেখ কৰে যে ২০২০ৰ ৩১ জুলাইত নটসূৰ্য ফণী শৰ্মাৰ স্মৃতি দিৱসত বাণ থিয়েটাৰৰ প্ৰেক্ষাগৃহত পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কলাগুৰু কলাক্ষেত্ৰ নিৰ্মাণৰ উদ্দেশ্যে ভূমি নিৰ্বাচনৰ বাবে অৰ্পণ কৰা দায়িত্বৰ বাবে ২০২০ৰ ২০ ছেপ্টেম্বৰত ডায়েৰী ফাৰ্মৰ নামত আবন্টন থকা চাৰি বিঘা তিনি কঠা মাটি নিৰ্বাচন কৰি তেজপুৰৰ একাংশ ৰাইজে কলাগুৰু বিষ্ণু ৰাভা কলাক্ষেত্ৰ নামত সংৰক্ষিত অঞ্চল হিচাপে ঘোষণা কৰি স্থায়ী ফলক আঁৰি দিয়াৰ উপৰি উক্ত ভূমিৰ চৌহদত কলাগুৰুৰ এক আৱক্ষ মূৰ্তি স্থাপন কৰি শোণিতপুৰৰ তদানীন্তন উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে তেজপুৰ ঐতিহ্য সুৰক্ষা সমিতিয়ে ভূমি আবন্টনৰ বাবে আবেদন জনোৱাত যোৱা ২৯ ডিচেম্বৰত তেজপুৰ ভূমি উপদেষ্টা সমিতিয়ে সদস্যসকলৰ উপস্থিতিত উক্ত ভূমি কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা কলাক্ষেত্ৰ নামত আবন্টনৰ প্ৰস্তাৱ উক্ত প্ৰস্তাৱ ৰাজ্য চৰকাৰলৈ ১৬ জানুৱাৰীত প্ৰয়োজনীয় নথিপত্ৰসহ প্ৰেৰণ কৰে। বিবৃতিটোত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰস্তাৱসমূহক বাস্তৱ ৰূপ দিয়াৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব বুলি ঐতিহ্য সুৰক্ষা সমিতি অসমে আশা প্ৰকাশ কৰিছে।

## বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত বাঁহগাঁজৰ প্ৰশিক্ষণ উত্তৰ-পূৰ্বাঞ্চলত প্ৰায় ৫৬০০ টন বাঁহগাজ উৎপন্ন হয় ঃ ড° ৰাজীৱ কুমাৰ বৰা



**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ২৩ জুলাই ঃ** যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত যোৱা ২০-২২ জুলাইলৈ 'বাঁহগাঁজৰ প্ৰসংস্কৰণ আৰু মূল্য সংযোজন' বিষয়ক প্ৰশিক্ষণ অনুষ্ঠিত হয়। ডেৰাডুনৰ ভাৰতীয় বন গৱেষণা আৰু শিক্ষা পৰিষদৰ অৰ্থসাহায্যত অনুষ্ঠিত প্ৰশিক্ষণ উদ্বোধন কৰি প্ৰতিষ্ঠানৰ সঞ্চালক ড° ৰাজীৱ কুমাৰ বৰাই উত্তৰ পূৰ্বাঞ্চলত প্ৰায় ৫৬০০ টন বাঁহগাঁজ উৎপন্ন হয় আৰু ইয়াৰ প্ৰায়বোৰ এই অঞ্চলতে ব্যৱহাৰ হয় বুলি কয়। এই গাঁজসমূহ মূল্য সংযোজিত কৰি ৰপ্তানিৰ ব্যৱস্থা কৰি উপাৰ্জনৰ যথেষ্ট থল আছে বুলি উল্লেখ কৰে। নগালেণ্ড আৰু অসমৰ ২০ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা প্ৰশিক্ষণত সমল ব্যক্তি হিচপে অংশগ্ৰহণ কৰে গুৱাহাটীৰ উদ্যমী যুৱক প্ৰাঞ্জল কুমাৰ গোস্বামীয়ে। প্ৰতিষ্ঠানৰ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাও প্ৰশিক্ষণ প্ৰদান কৰে। তিনিদিনীয়া প্ৰশিক্ষণত বাঁহৰ লগত চিকেন, শুকান মাছ, কলডিল, আম, তেতেলি আদিৰ ব্যঞ্জন, উৎপাদনবোৰৰ জোখ লোৱা, কটা-মেলা, ভজা, ধোৱা-পখলা, পেকেটবোৰ বিজ্ঞান সন্মতভাৱে ছীল কৰা আদিৰ লগতে এটি সৰু উদ্যোগত গঢ়ি তুলিবলৈ কি কি বিষয়ত মনোবিৰেশ কৰিব লাগে, কেনে ধৰণে প্ৰকল্পৰ তৈয়াৰ কৰিব লাগে আদি দিশত প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষাৰ্থীসকলক শেষত মানপত্ৰ প্ৰদান কৰা হয়।

## আৰক্ষীসকল সমাজৰ অস্বীকৃত নায়ক

১২ পৃষ্ঠাৰ পৰা একো একোজন আৰক্ষীয়ে তেওঁৰ ওচৰলৈ সহায় বিচাৰি অহা প্ৰতিজন মানুহকে ভাল ব্যৱহাৰ আৰু সমদৃষ্টিৰে চাবলৈ শিকিলে আৰক্ষীৰ লোকসকলৰ প্ৰতি সমাজৰ ভয়-শংকা আঁতৰিব আৰু সকলোৱে নিজৰ এগৰাকী বিশ্বাসী বন্ধু বুলি আঁকোৱালি ল'ব। ১৩ পতৎসত্ত্বেও আৰক্ষীয়ে কেতিয়াবা কৰা ভাল কাম সমাজৰ চকুত অস্বীকৃত হৈ থাকি যায়, সেই ক্ষেত্ৰত আৰক্ষীসকলে কৰা ভাল কামৰ বাবে নিজেই সন্তুষ্টি লাভ কৰিব লাগে বুলিও আৰক্ষী বিষয়াজনে মন্তব্য কৰে। ইয়াৰ পূৰ্বে তেওঁ আজি দিনজোৱা কাৰ্যসূচীৰে আৰক্ষী বাহিনীটোৰ পেৰেড গ্ৰাউণ্ডত আৰক্ষীৰ জোৱান তথা বিষয়াসকলে প্ৰদৰ্শন কৰা মাচপাৰ্চৰ অভিবাদন গ্ৰহণ কৰে। তৃতীয় অসম আৰক্ষী বাহিনীৰ নৱনিযুক্ত অধিনায়ক প্ৰশান্ত কুমাৰ দত্তই আদৰণি ভাষণ প্ৰদান কৰি বাহিনীটোৱে বৰ্তমান সন্মুখীন হৈ থকা বিভিন্ন সমস্যাৰ বিষয়েও উল্লেখ কৰে। বিশেষকৈ বিশুদ্ধ খোৱাপানীৰ সমস্যা, পৰিয়াল আৱাসৰ আৱাসিক অঞ্চলৰ গৃহসমূহৰ জৰাজীৰ্ণ পৰিৱেশৰ মাজতো বাহিনীটোৰ জোৱানসকলে দিন-ৰাতি একাকাৰ কৰি কোনো ওজৰ-আপত্তি নকৰাকৈ নিজৰ কৰ্তব্য সম্পাদন কৰি অহা বুলি সন্তুষ্টি প্ৰকাশ কৰে। সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত শীৰ্ষতম মহলৰ লগত আলোচনা কৰি পৰ্যায়ক্ৰমে সমাধান কৰা হ'ব বুলিও অধিনায়ক দত্তই সকলোকে আশ্বাস প্ৰদান কৰে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আৰক্ষী বাহিনীটোত কৰ্মৰত আৰক্ষীসকলৰ যিসকল সন্তানে সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সফলতাৰে কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছিল সেইসকলক ৰাজহুৱাভাৱে ফুলাম গামোচা, মানপত্ৰ আৰু একোটাকৈ উপহাৰৰ টোপোলাৰে সম্বৰ্ধনা জনায়।

## ধাৰাপুৰ ছাত্ৰ সন্থাৰ উদ্যোগত

১২ পৃষ্ঠাৰ পৰা তদুপৰি একেটা অনুষ্ঠানতে বৃহত্তৰ সদ্য অৱসৰপ্ৰাপ্ত ছগৰাকী শিক্ষক ক্ৰমে ভাৰপ্ৰাপ্ত অধ্যক্ষ বসন্ত শৰ্মা, পুলিন শৰ্মা, কৰুণা কলিতা আৰু হৰেন দাসৰ লগতে আন দুগৰাকী অনাশিক্ষক কৰ্মচাৰী ক্ৰমে শান্তিৰাম কলিতা আৰু ৰাধিকা কলিতাক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে ধাৰাপুৰ ছাত্ৰ সন্থাৰ উদ্যোগত এইবেলি অনুষ্ঠিত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ স'তে সংগতি ৰাখি অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ প্ৰথম তিনিগৰাকী বিজয়ী প্ৰতিযোগী ক্ৰমে 'ক' শাখাৰ কৌস্তভমণি দাস (গড়ল), কুনাল বৈশ্য (ধাৰাপুৰ) আৰু জোনমণি মেধি (গড়ল), সেইদৰে 'খ' শাখাৰ এনী কাশ্যপ (নাৰেংগী), মৰিয়ম চুলতানা (হাটখোৱাপাৰা) আৰু হিয়া কাশ্যপ (নাৰেংগী) তথা 'গ' শাখাৰ ভায়েলিনা দাস (ভট্টাপাৰা), কিমি দাস (আজাৰা) আৰু ৰূপশ্ৰী বৈশ্য (ধাৰাপুৰ)ক বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হয়। লগতে বিনামূলীয়া পাঠদান কাৰ্যসূচীত শিক্ষাদান আগবঢ়োৱা শিক্ষক-শিক্ষয়িত্ৰীসকলকো সম্বৰ্ধনা জনোৱা হয়। সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ কোষাধ্যক্ষ নিতু ৰাজবংশীয়ে আঁত ধৰা অনুষ্ঠানটোত মুখ্য অতিথিৰূপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী মনোৰমা শৰ্মাৰ লগতে পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাণা শৰ্মা, ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ উৎপল শৰ্মা, কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নয়নজ্যোতি নাথ, উপদেষ্টা অলকেশ নাথ, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰাইফ উদ্দিন আহমেদ, পশ্চিম গুৱাহাটী ছাত্ৰ সন্থাৰ সভাপতি জিণ্টুমণি শৰ্মা, সাধাৰণ সম্পাদক ডিম্পল মেধিৰ লগতে বহুকেইজন ছাত্ৰ নেতা উপস্থিত থাকে।

## ডিগম্বৰ কলিতা-হেমন্তী কলিতা নিৰ্মাণ ন্যাসৰ সহযোগত বানপীড়িতৰ স্বাস্থ্য পৰীক্ষা



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৩ জুলাই ঃ** নলবাৰী স্বাস্থ্য বিভাগৰ উদ্যোগত আৰু 'ডিগম্বৰ কলিতা আৰু হেমন্তী কলিতা নিৰ্মাণ ন্যাস'ৰ সৌজন্যত আজি বৰভাগৰ বানপীড়িত ৰাইজৰ সুবিধাৰ্থে সানেকুছি ওজালতোলাত এটা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। স্বাস্থ্য শিবিৰটো উদ্বোধনৰ পূৰ্বে ন্যাসৰ লক্ষ্য আৰু উদ্দেশ্য লগতে স্বাস্থ্য সজাগতাৰ ওপৰত এখন সভা অনুষ্ঠিত হয়। এ আই ডি চিৰ প্ৰাক্তন ডেপুটি জেনেৰেল মেনেজাৰ সুনীল ৰঞ্জন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত সভাত ন্যাসৰ অধ্যক্ষ পৰেশ কলিতাই ন্যাসৰ উদ্যোগত বৰভাগত দৰিদ্ৰ সীমাৰেখাৰ তলৰ ল'ৰা-ছোৱালীৰ শিক্ষা ব্যৱস্থা, মহিলা সৱলীকৰণ, নিবনুৱা সমস্যাৰ ওপৰত বিভিন্ন কাম হাতত লোৱাৰ কথা অৱগত কৰে। অজিত কলিতাই আঁত ধৰা সভাখনত শিক্ষাবিদ নিৰঞ্জন ডেকাকে ধৰি কে'বাগৰাকী উপস্থিত নাগৰিকে বক্তব্য প্ৰদান কৰে। স্বাস্থ্য পৰীক্ষা শিবিৰটো মুকলি ন্যাসৰ বয়োজ্যেষ্ঠ গুৰি ধৰোতা ৰত্নপ্ৰভা তালুকদাৰে। স্বাস্থ্য পৰীক্ষাত অংশ লয় ডাঃ বসন্ত ডেকা, ডাঃ দিক্ষীতা মেধি, ডাঃ ৰাজীৱ আহমেদে আৰু সহায় কৰে ৰীণা দেৱীকে ধৰি কে'বাগৰাকী নাৰ্ছে। বৰভাগৰ সানেকুছি, উত্তৰকুছি, আঠঘৰীয়া, চমাৰকুছি আদি কে'বাখনো বানপীড়িত গাঁৱৰ প্ৰায় তিনিশ লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। স্বাস্থ্য পৰীক্ষাৰ লগতে প্ৰতিগৰাকী লোকক ফেনাইল, ব্লিচং পাউদাৰ, মলম আদিৰ একোটাকৈ পেকেটো প্ৰদান কৰে। অনুষ্ঠানটো পৰিচালনাত সহায় কৰে শিক্ষক হৰিচৰণ তালুকদাৰ, প্ৰতাপ তালুকদাৰ, দীপক কলিতা, নিতুমণি কলিতাই। আনহাতে, উক্ত সভাতে দিগম্বৰ কলিতা আৰু হেমন্তী কলিতা নিৰ্মাণ ন্যাসৰ অধ্যক্ষ পৰেশ কলিতা আৰু এ আই ডি চিৰ প্ৰাক্তন ডেপুটি জেনেৰেল মেনেজাৰ সুনীল ৰঞ্জন কলিতাক সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বিকি শৰ্মাৰ নেতৃত্বত যোৱা এটি সঁজাতি দলে গামোচা, চেলেং চাদৰ আৰু গছপুলিৰে শুভেচ্ছা জ্ঞাপন কৰে। ছাত্ৰ সন্থাৰ দলটোত উপস্থিত থাকে বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আকাশ বৰুৱা, উপদেষ্টা জেহৰুল ইছলাম, সহকাৰী সাধাৰণ সম্পাদক বিতোপন শৰ্মা, শিক্ষা সম্পাদক জাহিৰ হুছেইন, জুৱেল হুছেইনকে ধৰি

# দৰঙৰ চাৰি লোকশিল্পীলৈ 'দৰঙী শিৰোমণি' বঁটা প্ৰদান

### যাৰ সৃষ্টি-কৰ্মৰাজিত সৌন্দৰ্য থাকে তেৱেঁই শিল্পী ঃ ড° ৰাজবংশী



**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২৩ জুলাই ঃ** 'যাৰ কৰ্ম আৰু সৃষ্টিৰাজিত সৌন্দৰ্য থাকে তেৱেঁই শিল্পী। বিভিন্ন শইচেৰে ভৰি থকা কৃষি পথাৰখনত সৌন্দৰ্য উপচাই দিয়া খেতিয়কজনো এগৰাকী শিল্পীয়েই।' এই মন্তব্য ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ। কালি দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ উদ্যোগত অনুষ্ঠিত লোক সংস্কৃতি প্ৰদৰ্শন আৰু উপাধি প্ৰদানৰ অৰ্থে আয়োজিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰি বিধায়ক ড° ৰাজবংশীয়ে দৰঙৰ লোক-কৃষ্টিসমূহৰ স'তে জড়িত শিল্পীসকলে সমাজখনলৈ আগবঢ়াই অহা অৱদানৰ কথাও বিশেষভাৱে উল্লেখ কৰে। প্ৰসংগত বিধায়কজনে এইটোও কয় যে এসময়ত ৰজাঘৰীয়াই লোক শিল্পীসকলক মান্যতা প্ৰদানৰ দৰে এতিয়াও সন্মান যচাৰ ব্যৱস্থা গ্ৰহণ কৰিব। ছিপাঝাৰৰ দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উক্ত অনুষ্ঠানত বিধায়কগৰাকীয়ে অদূৰ ভৱিষ্যতে দৰঙী লোক কলা-কৃষ্টিৰ এক বৃহৎ সমাৰেশৰো অয়োজন কৰা হ'ব বুলি উল্লেখ কৰে। প্ৰণিধানযোগ্য যে দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কালি ৰূপায়িত লোককৃষ্টি প্ৰদৰ্শন কাৰ্যসূচী মুকলি কৰি বিধায়ক ড° ৰাজবংশীয়ে কয় যে। ক্ৰমাৎ হেৰাই যাবলৈ ধৰা দৰঙৰ অনুপম লোককৃষ্টিসমূহক পুনৰুদ্ধাৰ কৰি ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাম কৰা হ'ব। বিশেষকৈ 'কালী' আৰু 'ঢেপাঢোল' কৃষ্টিৰ প্ৰতি নৱ প্ৰজন্মক আকৰ্ষিত কৰাৰ অৰ্থে ইতিমধ্যে দুয়োটা কৃষ্টিৰেই প্ৰশিক্ষণ অনুষ্ঠিত কৰি কে'বাগৰাকীও যুৱকক জড়িত কৰোৱা হৈছে বুলি তেওঁ কয়। উল্লেখ্য যে বিধায়কজনে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিল্পীৰ দলে দৰঙৰ কৃষ্টি প্ৰদৰ্শন কৰে। কে'বাটাও সুকনানি ওজাপালিৰ দলে সুকনানি আৰু দেওধনী, সন্মিলিতভাৱে ব্যাসৰ ওজাপালি, মহিলা খুলীয়া ভাউৰীয়া, চিয়াগীত, চেৰাঢেক, মহৌখুন্দা, মহিলাৰ থিয়নাম, ঝুমুৰ আদি কৃষ্টি পৰিৱেশন কৰি লোককৃষ্টিৰে মুখৰিত কৰি তোলে পৰিৱেশ। ইয়াৰ মাজতো দৰঙৰ চাৰিগৰাকী বিশিষ্ট শিল্পীলৈ 'দৰঙী শিৰোমণি' বঁটা প্ৰদান কৰা হয়।

দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়, উপ-আৰক্ষী অধীক্ষক প্ৰাঞ্জল বৰা, জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্ত্ৰা ভবেন বৰ্মন, সাংবাদিক ভাৰ্গৱ দাস আদি বিশেষভাৱে উপস্থিত থকা অনুষ্ঠানত ক্ৰমে ব্যাস সংগীতৰ দাইনাপালি নিজ ছিপাঝাৰৰ কোমল চন্দ্ৰ নাথলৈ কুঁহিৰাম চহৰীয়া স্মৃতিত, বৰক'লাৰ নাগাৰা নামৰ শিল্পী দুলু বড়োলৈ দীননাথ চহৰীয়াৰ স্মৃতিত, পাথৰিঘাটৰ চেৰাঢেকৰ শিল্পী ইদ্ৰিছ আলিলৈ মৌলৱী আলহাজ চমছেৰ আলিৰ স্মৃতিত আৰু মঙলদৈৰ ধনমালা দেৱীলৈ লম্ভাৱালা শইকীয়াৰ স্মৃতিত প্ৰদান কৰা হয় দৰঙী শিৰোমণি। দৰঙী কলা কৃষ্টি উন্নয়ন সংঘৰ সম্পাদক নৱ কুমাৰ শইকীয়াই পৰিচালনা কৰা অনুষ্ঠানত 'দৰঙী' শীৰ্ষক স্মৃতিগ্ৰন্থৰ লগতে দৰঙী বিয়ানামৰ পুথি উন্মোচন কৰি উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই দৰঙৰ অনুপম লোককৃষ্টিসমূহৰ ভূয়সী প্ৰশংসা কৰে। আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়েও দৰঙী কলা কৃষ্টি প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সভাপতি কুলেন্দ্ৰ নাথ ডেকাই বৃক্ষৰোপণ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা সংঘৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক নীলকান্ত চহৰীয়াই বন্তি প্ৰজ্বলন আৰু সাহিত্যিক পেন্সনাৰ তথা অন্যতম প্ৰতিষ্ঠাপক শশীধৰ নাথে ভোটা প্ৰজ্বলন কৰে।

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্য প্ৰতিযোগিতাত জিলিকিল যোৰহাট বামঢেকীয়াখোৱা বিষ্ণু জ্যোতি সংগীত চিত্ৰকলা বিদ্যালয়



**অগ্ৰদূত বাৰ্তা**

**কাকজান, ২৩ জুলাই ঃ** এন ই ভি হডেণ আৰু এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ দ্বাৰা আয়োজন কৰা ষষ্ঠ আন্তঃৰাষ্ট্ৰীয় আৰু দশম ৰাষ্ট্ৰীয় নৃত্য প্ৰতিযোগিতাত যোৰহাট বামঢেকীয়াখোৱা অৱস্থিত বিষ্ণু জ্যোতি সংগীত আৰু চিত্ৰ কলা বিদ্যালয়ৰ পৰা উচ্চ শাখা দলিয়, নিম্ন শাখা দলিয়, উচ্চ শাখা একক, নিম্ন শাখা একক মুঠ ১১ টা শাখাত যোগদান কৰি উচ্চ শাখাত দলীয় ও শ্ৰেষ্ঠ পুৰস্কাৰ, দলীয় নিম্ন শাখাৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। একক উচ্চ শাখাৰ নৃত্য প্ৰতিযোগিতাত ৰিতুপৰ্ণা বৰাই শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰাৰ লগতে শুভ্ৰলতা বেজবৰুৱাই প্ৰথম স্থান আৰু জমিশ্ৰী, বাৰবী, পিয়ঙকা বৰাই শ্ৰেষ্ঠ দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। নিম্ন শাখাত পাঁচৰ পৰা ছয় বছৰ শাখাৰ একক নৃত্য প্ৰতিযোগিতাত আয়েশা দত্ত, মেঘনা পাত্ৰ আৰু সাকচি পাত্ৰই দ্বিতীয় স্থান লাভ কৰি বিদ্যালয়খনৰ লগতে এই অঞ্চলবাসীলৈ গৌৰৱ কঢ়িয়াই অনাত সকলোৱে বিদ্যালয়খনৰ উত্তৰোত্তৰ কামনা কৰিছে।

# একেজন নায়কক প্ৰেমিকা-মাতৃৰ মৰম দিয়া নায়িকা





বলিউদত লিংগ বৈষম্যৰ অভিযোগ দীৰ্ঘদিনীয়া। নায়কসকলে অধিকাংশ ক্ষেত্ৰতে অগ্ৰাধিকাৰ লাভ কৰাৰ উপৰি বিপুল পৰিমাণৰ ধনো পায়। ইয়াৰ বিপৰীতে বহু সফল ছবি উপহাৰ দিলেও হিন্দী ছবিত সচৰাচৰ নায়িকাৰ গুৰুত্ব তুলনামূলকভাৱে কম। তদুপৰি নায়কৰ তুলনাত নায়িকাৰ পাৰিশ্ৰমিকো বহু কম। ইয়াৰ উপৰি বছৰ বছৰ ধৰি একোজন নায়কে ৰোমাণ্টিক দৃশ্যত অভিনয় কৰি দৰ্শকৰ সমাদৰ লাভ কৰিলেও এটা বয়সৰ পৰা নায়িকাক কোনেও তেনে দৃশ্যত চাব নিবিচাৰে। ফলত নায়কৰ গুৰুত্ব ছবিৰ নিৰ্মাতা-দৰ্শকৰ বাবে বহু বয়সলৈ অটুট থাকিলেও নায়িকাসকলে এটা সময়ৰ পৰা পাহৰণিৰ গৰ্ভলৈ সোমাই যাবলৈ বাধ্য হয়। যাৰ বাবে একালৰ জনপ্ৰিয় নায়িকাই ছবিত নিজৰ ভূমিকা সলনি কৰিবলৈ বাধ্য হয়। একালত যিজন নায়কৰ স'তে কোনো নায়িকাই সফল ৰোমাণ্টিক যুটি গঢ়ি তুলিছিল, সেই নায়িকাই সময়ৰ তাগিদাত একেজন নায়কৰে ভগ্নী বা মাতৃৰ ভূমিকা পালন কৰিবলগীয়া হৈছে। একালত যি গৰাকী নায়িকাই ৰূপালী পৰ্দাত এজন নায়কক পত্নী বা প্ৰেমিকাৰ মৰম দিছিল, সেই গৰাকী নায়িকাই পৰৱৰ্তী সময়ত তেওঁক দিবলৈ বাধ্য হৈছে মাতৃৰ মৰম। নাৰ্গিছ, শৰ্মিলা ঠাকুৰ, শ্ৰীদেৱীৰ দৰে কিংবদন্তি নায়িকাও এনে বৈষম্যৰ কবলৰ পৰা ৰেহাই পোৱা নাই।

৭০ৰ দশকত বলিউদৰ 'বিগ বি'ৰ স'তে শৰ্মিলা ঠাকুৰৰ যুটিয়ে দৰ্শকৰ মনত শিহৰণ জগাইছিল। একেলগে কে'বাখনো ছবিত দুয়োকে দম্পতীৰ ৰূপত দেখা গৈছিল। ১৯৮২ত মুক্তিপ্ৰাপ্ত 'দেশপ্ৰেমী' ছবিত অমিতাভ আৰু শৰ্মিলাই একেলগে অভিনয় কৰিছিল। ছবিখনত হেমা মালিনী, প্ৰেম চোপ্ৰা, উত্তম কুমাৰৰ দৰে অভিনেতা-অভিনেত্ৰীও আছিল। ছবিখনত অমিতাভৰ মাতৃ হৈছিল শৰ্মিলা। সেই ছবিখন মুক্তি পোৱাৰ সুদীৰ্ঘ ২৩ বছৰৰ পাছতহে অমিতাভে কোনো ছবিত পিতৃৰ চৰিত্ৰত অভিনয় কৰে। ইপিনে, ১৯৭৬ত মুক্তি লাভ কৰিছিল অমিতাভ অভিনীত 'কভি কভি' ছবিখনে। বলিউদৰ একালৰ 'ডেন্সিং ডিভা' ৱাহিদা ৰেহমানে ছবিখনত অমিতাভৰ পত্নীৰ ভূমিকা ৰূপায়ণ কৰিছিল। সেই সময়ত তেওঁৰ বয়স প্ৰায় ৪০ বছৰ হৈছিল আৰু তাৰ পাছৰ পৰাই তেওঁলৈ মুখ্য চৰিত্ৰৰ প্ৰস্তাৱ অহাটো বন্ধ হৈছিল। 'কভি কভি'ৰ মুক্তিৰ দুবছৰৰ পাছৰ পৰা অমিতাভৰ স'তে 'ত্ৰিশূল', 'নমক হালাল', 'কুলী'ৰ দৰে ছুপাৰহিট ছবিত কাম কৰিছিল ৱাহিদাই। অৱশ্যে সেই ছবিসমূহত তেওঁক দেখা গৈছিল অমিতাভৰ মাতৃৰ ৰূপত। 'কভি কভি' ছবিতেই অমিতাভৰ প্ৰেমিকাৰ চৰিত্ৰ ৰূপায়ণ কৰিছিল ৰাখীয়ে। অৱশ্যে কাহিনীত তেওঁলোকৰ মিলন হোৱা নাছিল। অমিতাভ-ৰাখীৰ যুটিক দৰ্শকে 'মুকদ্দৰ কা ছিকন্দৰ', 'বৰছাত কি এক ৰাত', 'বেমিছাল'ৰ দৰে কে'বাখনো ছুপাৰহিট ছবিতো দেখা পাইছে। অথচ আন এখন ছুপাৰহিট ছবি 'শক্তি'ত দেখা গ'ল অন্য দৃশ্য। নায়ক অমিতাভৰ মাতৃৰ ৰূপত অভিনয় কৰিছিল ৰাখীয়ে। সেই সময়ত ৪০ বছৰীয়া ৰাখী আছিল অমিতাভতকৈ পাঁচ বছৰৰ সৰু।



ৰাজ কুমাৰ, সুনীল দত্ত আৰু নাৰ্গিছে অভিনয় কৰা 'মাদাৰ ইণ্ডিয়া' ছবিখনে সমগ্ৰ ভাৰতত আলোড়ন তুলিছিল। বাস্তৱ জীৱনৰ পতি-পত্নী সুনীল দত্ত আৰু নাৰ্গিছৰ ক্ষেত্ৰত ঘটিছিল বিপৰীত দৃশ্য। 'মাদাৰ ইণ্ডিয়া'ত নাৰ্গিছে সুনীল দত্তৰ মাতৃৰ চৰিত্ৰত অভিনয় কৰিছিল। আকৌ ১৯৬৪ত মুক্তি লাভ কৰা ছবি 'য়াদেঁ'ত নাৰ্গিছে সুনীল দত্তৰ পত্নীৰ ভূমিকাত অভিনয় কৰে। ১৯৭৬ত 'মুন্দ্ৰু মুৰিচু' নামৰ তামিল ছবিখনে মুক্তি লাভ কৰিছিল। সেই সময়ত ছবিৰ নায়ক ৰজনীকান্তৰ বয়স আছিল ২৬ বছৰ। সেই ছবিতেই তেতিয়াৰ ১৩ বছৰীয়া শ্ৰীদেৱীয়ে ৰজনীকান্তৰ মাহীমাকৰ চৰিত্ৰ ৰূপায়ণ কৰিছিল। পৰৱৰ্তী সময়ত ১৯৮৯ত বলিউদৰ ছবি 'চালবাজ'ত ৰজনীকান্ত আৰু শ্ৰীদেৱীয়ে ৰোমাণ্টিক যুটিৰূপে অভিনয় কৰিছিল।

> ৭০ৰ দশকত বলিউদৰ 'বিগ বি'ৰ স'তে শৰ্মিলা ঠাকুৰৰ যুটিয়ে দৰ্শকৰ মনত শিহৰণ জগাইছিল। একেলগে কে'বাখনো ছবিত দুয়োকে দম্পতীৰ ৰূপত দেখা গৈছিল। ১৯৮২ত মুক্তিপ্ৰাপ্ত 'দেশপ্ৰেমী' ছবিত অমিতাভ আৰু শৰ্মিলাই একেলগে অভিনয় কৰিছিল। ছবিখনত হেমা মালিনী, প্ৰেম চোপ্ৰা, উত্তম কুমাৰৰ দৰে অভিনেতা-অভিনেত্ৰীও আছিল। ছবিখনত অমিতাভৰ মাতৃ হৈছিল শৰ্মিলা।

## অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল লুইতপৰীয়া থিয়েটাৰৰ নাট্যাৰম্ভ

তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ পৰা আত্মপ্ৰকাশ কৰা 'লুইতপৰীয়া থিয়েটাৰ' সাজু হৈছে দৰ্শকৰ মাজলৈ যাবলৈ। ২১ জুলাইত শুভ নাট্যাৰম্ভ কৰে লুইতপৰীয়া থিয়েটাৰে। গোৰেশ্বৰৰ ৰংমহলত থকা নিজা আখৰাগৃত ২০২২-২৩ৰ বাবে মাংগলিক অনুষ্ঠানৰ জৰিয়তে কৰা হয় নাট্যাৰম্ভ। ষষ্ঠ সংখ্যক বৰ্ষত ভৰি দিয়া লুইতপৰীয়া থিয়েটাৰে ব্যয়বহুল প্ৰযোজনাৰে এইবেলি দৰ্শকৰ মাজলৈ তিনিখন নাট লৈ যাবলৈ সাজু হৈছে। এই উপলক্ষে ২১ জুলাইত বন্তি প্ৰজ্বলন কৰি নাট্যাৰম্ভ কৰে স্বনামধন্য নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাই। তেওঁ বন্তি প্ৰজ্বলন কৰি লুইতপৰীয়া থিয়েটাৰৰ উত্তৰোত্তৰ কামনা কৰাৰ লগতে নাট্য ইতিহাস সম্পৰ্কে বক্তব্য আগবঢ়ায়। ইয়াৰ লগতে অসমীয়াৰ লগতে হিন্দী ধাৰাবাহিকৰ জনপ্ৰিয় অভিনেতা সঞ্চয় তিৱাৰীয়ে লুইতপৰীয়া থিয়েটাৰৰ নাটকৰ পাণ্ডুলিপি মুকলি কৰে। নাট্যকাৰ-পৰিচালক প্ৰদীপ শৰ্মাই নাটকৰ আখৰাৰ আৰম্ভণি কৰে।

লুইতপৰীয়া থিয়েটাৰৰ মুখ্য পৃষ্ঠপোষক ডাঃ চানসৌৰাং বসুমতাৰীয়ে কয় যে এইবেলি তিনিখন বিশেষ নাটকে দৰ্শকক আকৰ্ষিত কৰিব। সেইকেইখন হৈছে - প্ৰদীপ শৰ্মাৰ 'ৰুদ্ৰভীষ্ম', ধ্ৰুৱজ্যোতি শৰ্মাৰ 'বিষাক্ত সেন্দূৰৰ ফোঁট' আৰু অভিজিৎ ভট্টাচাৰ্যৰ 'ৰঙা গোলাপৰ প্ৰস্তাৱ'। আটাইকেইখন নাটক দৰ্শকে আঁকোৱালি ল'ব বুলি কামনা কৰিছে মুখ্য পৃষ্ঠপোষক ডাঃ চানসৌৰাং বসুমতাৰীয়ে। লুইতপৰীয়া থিয়েটাৰৰ পৰিকল্পনা অৰুণ বায়নৰ, প্ৰযোজক পুতুপ্ৰভা বসুমতাৰী আৰু সম্পাদক পাৰ্থ শৰ্মা।

এইবেলি লুইতপৰীয়া থিয়েটাৰৰ মঞ্চত অভিনয় কৰিব ৰাজ ভৈৰৱ, দিব্য বৰা, চুমি দাস, মৌচুমী শৰ্মা, সুমন ভৰদ্বাজ, ডাঃ সঞ্জয় বসুমতাৰী, নয়ন কৌশিক, প্ৰদীপ বৰা, লব কুমাৰ, বৰ্ণালী বৰ্মন, জোনালী কলিতা, উৎপল। আনহাতে, নাট্যাৰম্ভ কাৰ্যসূচীৰ স'তে সংগতি ৰাখি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়।

## ২০২২-২৩ নাট্যবৰ্ষত এদল বলিষ্ঠ নাট্যযোদ্ধাৰে সাজু 'থিয়েটাৰ ভাগ্যদেৱী'



অসমীয়াৰ আৱেগ থলুৱা সম্পদ ভ্ৰাম্যমাণ থিয়েটাৰ। এই ভ্ৰাম্যমাণ নাট্যদলৰ সোণালী জয়ন্তী অতিক্ৰম কৰা প্ৰয়াত শৰৎ মজুমদাৰৰ অক্ষয় কৃতি থিয়েটাৰ ভাগ্যদেৱী। এই থিয়েটাৰ ভাগ্যদেৱী আগন্তুক নাট্যবৰ্ষৰ বাবে সাজু হৈছে দৰ্শক ৰাইজৰ মৰম বুটলিবলৈ। যোৱা নাট্যবৰ্ষত দৰ্শকে আদৰি লোৱা 'মহালয়া' নাটখনৰ নাট্যকাৰ পল্লৱ পৱন বৰাই ৰচনা কৰিছে 'বিদ্ৰোহিনী' আৰু নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যৰ 'মোক বিদায় দিয়া', নাট্যকাৰ-অভিনেতা-পৰিচালক চম্পক শৰ্মাৰ 'পুষ্পা' লগতে ভ্ৰাম্যমাণ মঞ্চ জগতৰ জনপ্ৰিয় তথা অভিজ্ঞ আৰু শক্তিশালী অভিনেতা-অভিনেত্ৰীৰ সমাহাৰ ঘটিব থিয়েটাৰ ভাগ্যদেৱীত। আগন্তুক নাট্যবৰ্ষত ভ্ৰাম্যমাণ মঞ্চৰ অভিজ্ঞ আৰু শক্তিশালী অভিনেত্ৰী কবিতা চুতীয়া, মঞ্চত সবল অভিনয় কৰি দৰ্শকৰ মন জয় কৰা অভিনেতাসকল ক্ৰমে যোগেশ কাশ্যপ, শ্ৰীমন্ত মাধৱ, অঞ্জনজ্যোতি বেজৰ লগতে ভায়'লিনা বৰুৱা, জিতু শইকীয়া, দীপাংকৰ ডেকা আৰু নবাগত মোহময়ী অভিনেত্ৰী ডানী হেমাংগী কাশ্যপ আদিৰ দৰে এদল নাট্যযোদ্ধা। নাট্যদলটোৱে সদায় অন্য নাট্যদলতকৈ পৃথক। কিছু নতুনত্ব, কিছু ব্যতিক্ৰম, উৎকৃষ্ট নাট দৰ্শক ৰাইজক উপহাৰ দি ভ্ৰাম্যমাণ নাটকৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰিব। থিয়েটাৰ ভাগ্যদেৱীৰ প্ৰতি দৰ্শক ৰাইজৰ মৰম, আস্থা আৰু বিশ্বাস বিগত বৰ্ষবোৰৰ দৰে অটুট থাকিব। প্ৰতিখন নাটকত সবল কাহিনী, সুন্দৰ সংলাপ, গীত, নৃত্য উপভোগ কৰিবলৈ পাব বুলি প্ৰযোজকে জানিবলৈ দিয়ে। লগতে কাৰিকৰী কৌশলৰ কাহিনী দাবীতহে প্ৰয়োগ কৰিব। কাহিনীয়ে নিবিচাৰিলে প্ৰয়োগ নকৰে। দৰ্শকে নিৰাশ নোহোৱাকৈ সুন্দৰ সবল মৌলিক নাটক উপভোগ কৰিবলৈ পাব থিয়েটাৰ ভাগ্যদেৱী মঞ্চত আগন্তুক নাট্যবৰ্ষত।

## ২০২২-২০২৩ নাট্যবৰ্ষত নটসূৰ্য থিয়েটাৰ ২৯ জুলাইত নাট্যাৰম্ভ

চৰাইদেউ জিলাৰ সাপেখাতী চাৰিআলিৰ জগদীশ গগৈ প্ৰযোজিত নটসূৰ্য থিয়েটাৰে যোৱা ২০টা নাট্যবৰ্ষ সফলতাৰে অতিক্ৰম কৰি এইবেলি চলিত ২০২২-২৩ নাট্যবৰ্ষত সগৌৰৱে ২১ সংখ্যক বৰ্ষত ভৰি দিছে। ইতিমধ্যে ২১ সংখ্যক নাট্যবৰ্ষৰ বাবে নাট্যদলটোৱে নাটক নিৰ্বাচনৰ পৰা আৰম্ভ কৰি শিল্পী কলা-কুশলী নিৰ্বাচন লৈ সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। অহা ২৯ জুলাইত নটসূৰ্য থিয়েটাৰে চলিত বৰ্ষৰ শুভ নাট্যাৰম্ভ কৰি অহা আগষ্টৰ শেষ ভাগৰ পৰা দৰ্শকৰ ওচৰত নাট প্ৰদৰ্শন আৰম্ভ কৰিব। এই নাট্যবৰ্ষত নাট্যদলটো দুগৰাকী সুপ্ৰতিষ্ঠিত নাট্যকাৰৰ তিনিখন মননশীল নাটক মঞ্চায়ন কৰিব। নাটক কেইখন হ'ল ক্ষিতীশ বৰাৰ 'লকডাউন' আৰু 'মা' আনখন নাটক বৰ্তমান সময়ৰ জনপ্ৰিয় ধাৰাবাহিক 'বেহাৰবাৰী আউট প'ষ্ট'ৰ চিত্ৰনাট্যকাৰ পল্লৱ বৰাৰ 'জোনাকৰ ধুমুহা'।

এই বৰ্ষত নটসূৰ্য থিয়েটাৰৰ মঞ্চত অভিনয় কৰিব জিতেন কোঁৱৰ, ৰবীন কোঁৱৰ, স্বনম বড়ো, জিতু বৰা, জিন বৰদলৈ, অসীম গগৈ, সুৰজিৎ দত্ত, বিপ্লৱ হাজৰিকা, পম্পী মৰাণ আৰু সৰু পৰ্দাৰ জনপ্ৰিয় অভিনেতা-অভিনেত্ৰী পল্লৱ দীক্ষিত হাজৰিকা আৰু পৰিস্মিতা মিলিয়ে। নটসূৰ্য থিয়েটাৰৰ সম্পাদক জিতু বৰা মুখ্য ব্যৱস্থাপক ৰবীন কোঁৱৰ, জিন বৰদলৈ আৰু পাপু ৰাজখোৱা। নাট্যদলটোৰ প্ৰতিনিধি বলিন বৰা, মনোজ দে, আৰু মধু মৰান।



## পংকজ পল্লৱ শৰ্মাৰ 'দ্য ৰে' অৱ হোপ'ত কাশ্মীৰী শইকীয়া বৰুৱা

প্ৰচণ্ড গৰম আৰু কেতিয়াবা অতিপাত ঠাণ্ডাই অতি সম্প্ৰীতি মানুহক জুলা-কলা খুৱাইছে। ক'বলৈ গ'লে প্ৰকৃতি আজি ৰুষ্ট। গতিকে, ৰুষ্ট প্ৰকৃতি শান্ত কৰিবলৈ প্ৰয়োজন প্ৰকৃতি সুৰক্ষাৰ। প্ৰশ্ন হয়, প্ৰকৃতি সুৰক্ষা কৰিবলৈ কি কি কৰিবলগীয়া আছে? তদুপৰি, কিয় কৰিব লাগে? এনে বহু প্ৰশ্নৰ মুখামুখি হৈ নাট্যকৰ্মী প্ৰদীপ কলিতাই লিখা তেনে এক সাম্প্ৰতিক প্ৰেক্ষাপটত এক আলৌকিক বিষয়বস্তুক লৈ বিশিষ্ট চলচ্চিত্ৰ-পৰিচালক আৰু দক্ষ অভিনেতা পংকজ পল্লৱ শৰ্মাই পৰিচালনা কৰিছে এখন তত্ত্বগধুৰ চুটি ছবি 'The ray og hope (দ্য ৰে অৱ হোপ)। ছবিখনৰ কেমেৰা বিকাশ শৰ্মাৰ। মেকআপ অঞ্জু কলিতাৰ। আকৌ ছবিখন প্ৰযোজনা কৰিছে লক্ষ্যধৰ ভড়ালী আৰু কিশোৰ ভট্টাচাৰ্যই।

উল্লেখ্য যে 'পুতলা ঘৰ', 'অগ্নিস্নান', 'এই দেশ মোৰ দেশ', 'ময়ূৰী' আদি অসমীয়া চলচ্চিত্ৰত অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী কাশ্মীৰী শইকীয়া বৰুৱাই বহু বছৰ পাছত আকৌ উক্ত চুটি ছবিখনৰ জৰিয়তে পুনৰ বাস্তৱ জগতলৈ ঘূৰি আহিছে। ছবিখনত তেওঁ এগৰাকী প্ৰগতিশীল নাৰীৰ চৰিত্ৰত অভিনয় কৰিছে। তদুপৰি তেওঁৰ লগতে ছবিখনত মুখ্য অভিনেতা পংকজ পল্লৱ শৰ্মা, প্ৰদীপ কলিতা, ৰুদ্ৰকান্ত শৰ্মা, মুনীন্দ্ৰ ভূঞা, হৰিশ তালুকদাৰ, প্ৰদীপ শৰ্মা, উজ্জ্বল ডেকা, দ্বীপেশ দাস, পংকজ কলিতা, প্ৰচণ্ড কলিতা, বীভা ৰাণী কলিতা, মনালিছা গোস্বামী, মামনি লহকৰ, সাধনা শৰ্মা, সৃষ্টি ভৰদ্বাজ, ৰাণী কংকনা গোস্বামী, ফ্ৰেংকলিনা চুলতানা, ৰাজু কলিতা আৰু নীলাভ প্ৰতিম ডেকাই নিজ নিজ চৰিত্ৰত নান্দনিক অভিনয় আগবঢ়ায়।



## কলাক্ষেত্ৰত গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ শিশু নাট্য মেলা

গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ উদ্যোগত আৰু বিষ্ণু নিৰ্মলা ন্যাসৰ সহযোগত উজান বজাৰস্থিত বিষ্ণু নিৰ্মলা ভৱনত যোৱা দুই জুলাইৰ পৰা আৰম্ভ হোৱা শিশু নাট কৰ্মশালাৰ সামৰণিৰ লগত সংগতি ৰাখি আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰা হয় শিশু নাট্য মেলা-২০২২। এই উপলক্ষে গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ২০ আৰু ২১জুলাইত প্ৰতিদিনে সন্ধিয়া ৬.৩০ বজাৰ পৰা দুদিনীয়াকৈ আয়োজন কৰা হৈছিল 'শিশু নাট্যমেলা-২০২২'। দুদিনীয়া এই শিশু নাট্য মেলাত প্ৰতিদিনেই তিনিখনকৈ সৰ্বমুঠ ছখন চুটি নাট পৰিবেশিত হয়। উল্লেখ্য যে ২০দিনীয়াকৈ অনুষ্ঠিত এই শিশু নাট কৰ্মশালাখনৰ মূল বিষয় আছিল 'দেশৰ লগতে অসমৰ স্বাধীনতা সংগ্ৰামৰ ছহিদসকলৰ ত্যাগ, ভূমিকা আৰু অৱদান'। কৰ্মশালাখনৰ মুখ্য প্ৰশিক্ষকৰূপে নাট্যকাৰ-পৰিচালক-অভিনেতা মাণিক ৰয়ৰ লগতে প্ৰশিক্ষক হিচাপে আছিল নীলোৎপল মোহন। এই কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক এই শিশু নাট্য মেলাতে প্ৰমাণপত্ৰ দিয়াৰ লগতে কৰ্মশালাৰ অন্তত অংশগ্ৰহণ কৰা শিশুসকলে ২০ জুলাইৰ সন্ধিয়া মঞ্চস্থ কৰে



'৪৩ ৰ শেষৰজন ছহিদ' (মেণ্টৰ-শোভাংগী কেওট), 'কিতাপৰ সৌন্দৰ্য' (মেণ্টৰ-শশাংক দাস) আৰু মূল হিন্দী গল্পৰ আধাৰত লুইত বৰুৱাৰ নাট্যৰূপ আৰু পৰিচালনাত 'ওলট-পালট' শীৰ্ষক চুটি নাট তিনিখন। আনহাতে, ২১ জুলাইৰ সন্ধিয়া শিশুসকলে 'অসমীয়া ভাষাৰ সাধক' (মেণ্টৰ-নিশাংকীতা শৰ্মা), 'সাজি সাজি শিকো আহা' (মেণ্টৰ-হাছান শ্বাহনৱাজ ইছলাম) আৰু শোভেশ্বৰ দাসৰ ৰচনা, ৰুণুমী দেৱীৰ পৰিচালনা-পৰিকল্পনা তথা অঞ্জন ভূঞাৰ সহযোগী - পৰিচালনাত 'স্মাৰ্ট চিটি' শীৰ্ষক তিনিখনকৈ চুটি নাট পৰিৱেশন কৰি দৰ্শক ৰাইজৰ প্ৰশংসা বোটলে। এই শিশু নাট্য মেলাত গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ নিয়মীয়া প্ৰশিক্ষাৰ্থীসকলেও নাট পৰিৱেশন কৰে। উল্লেখ্য যে এই শিশু নাট্য মেলাৰ জুলাইৰ সন্ধিয়া পৰিৱেশন হোৱা 'স্মাৰ্ট চিটি' নামৰ নাটখন মঞ্চস্থ কৰাত নতুন দিল্লীৰ সংগীত নাটক অকাডেমীয়ে গুৱাহাটী শিশু নাট্য বিদ্যালয়ক সহযোগিতা আগবঢ়াইছিল। শিশু আৰু কিশোৰ-কিশোৰীসকলৰ মনত দেশপ্ৰেমৰ বীজ অংকুৰিত কৰাত গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ এনে প্ৰচেষ্টাক অভিভাৱকৰ লগতে সচেতন ৰাইজেও শলাগ লয়।

## ২৯ জুলাইত চিত্ৰগৃহলৈ নতুন অসমীয়া চলচ্চিত্ৰ 'উপসৰ্গ'



'বিউটিফুল লাইভছ' নামৰ ছবিৰে অসমীয়া চলচ্চিত্ৰ জগতত আত্মপ্ৰকাশ কৰা যুৱ পৰিচালক কংকন ডেকাই পৰিচালনা কৰা নতুন অসমীয়া চলচ্চিত্ৰ 'উপসৰ্গ' অহা ২৯ জুলাইত মুক্তিলাভ কৰিব। কাৰ্ণেল ফিল্ম প্ৰডাকচনৰ বেনাৰত নিৰ্মিত 'উপসৰ্গ'ৰ কাহিনী, চিত্ৰনাট্য, সংলাপ আৰু প্ৰযোজনাও কৰিছে কংকন ডেকাই। 'টকা কাক নালাগে' এই টেগলাইন ব্যৱহাৰ কৰা 'উপসৰ্গ'ৰ কাহিনীভাগ এনেধৰণৰ- কিংকৰ ওজা আৰু বেণ্ডপাৰ্টীৰ অনিল দুই বন্ধুৰ ধনী হোৱাৰ মন। কম দিনতে লাগে বহুত টকা। বোবা ৰাজেনে সিহতক সাংঘাটিক উপায় এটা দিলে। কিংকৰৰ মন ৰেণুক প্লেনটোত চামিল কৰোৱাৰ। কামৰ লগতে মনটোও ভাল লাগি থাকিব। পিছে এই প্লেনটোনো কি? কি ঘটনা-পৰিঘটনাৰ মাজেৰে যাব আটায়ে? এনে এক কাহিনীৰে নিৰ্মিত ছবিখনিৰ মূল চৰিত্ৰত অভিনয় কৰিছে ক্ৰমে কিংকৰ নাথ, অনিল নাথ, ৰাজশ্ৰী শৰ্মা, চন্দন কাশ্যপ, নীলিমা ডেকা, ৰাহুল ডেকা, জগদিশ ডেকা আদি। মূলতঃ মংগলদৈ আৰু গুৱাহাটীত দৃশ্যগ্ৰহণ কৰা ছবিখনিৰ দৃশ্যগ্ৰহণ কৰিছে চিদা বৰাই। সংগীত পৰিচালনা সৌৰভ মহন্তৰ। ছবিখনৰ একমাত্ৰ গীতটি অৰূপ বৰুৱাৰ। ধীৰাজ মজুমদাৰে সম্পাদনা কৰা 'উপসৰ্গ'ৰ ডিআই কালাৰিষ্ট শ্যামল দাস। প্ৰচাৰৰ দায়িত্বত আছে অভিজিৎ লস্কৰ। উল্লেখ্য যে শুকুৰবাৰে গুৱাহাটী প্ৰেছ ক্লাবত এক সংবাদমেল সম্বোধন কৰি পৰিচালকজনে অহা শুকুৰবাৰে অসমৰ প্ৰায়সমূহ চিত্ৰগৃহত ছবিখন মুক্তি পাব বুলি জানিবলৈ দিয়ে।

## মূৰ্ছনা সংগীত শিক্ষা কেন্দ্ৰৰ বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠান সম্পন্ন



গুৱাহাটীৰ চান্দমাৰি অঞ্চলৰ পূব-শৰণীয়া পথত থকা মূৰ্ছনা সংগীত শিক্ষা কেন্দ্ৰই ২০০০ত প্ৰতিষ্ঠা কৰি তেতিয়াৰ পৰাই মহানগৰীৰ ভালেমান শিক্ষাৰ্থীক গিটাৰ, পিয়ানো, কী ব'ৰ্ড, বেহেলা আৰু কণ্ঠ সংগীতৰ প্ৰশিক্ষণ দি আহিছে সংগীত প্ৰতিষ্ঠানটোৰ অধ্যক্ষ তথা সংগীত শিল্পী হিৰণ্য কলিতা আৰু তেওঁৰ পত্নী বৰ্ণালী কলিতাই। আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক, সাংস্কৃতিক প্ৰতিষ্ঠান আৰু পৰীক্ষা পৰিষদ-মিউজিচিয়া আৰ্টছ এণ্ড কালচাৰ কাউন্সিলৰ দ্বাৰা অনুমোদিত, মূৰ্ছনা সংগীত শিক্ষা কেন্দ্ৰই শিক্ষাৰ্থীসকলক তেওঁলোকৰ সম্পূৰ্ণ সংগীতৰ সম্ভাৱনা বিকাশ কৰিবলৈ অনুপ্ৰেৰণা যোগোৱাৰ লগতে মঞ্চত প্ৰদৰ্শন কৰাৰ নিয়মীয়া সুযোগ প্ৰদান কৰি আহিছে। বিগত বৰ্ষবোৰৰ দৰেই ১৭ জুলাইৰ দিনা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ডº বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত দিনৰ ভাগতে মূৰ্ছনা সংগীত শিক্ষা কেন্দ্ৰৰ বাৰ্ষিক সংগীতানুষ্ঠান শিক্ষাৰ্থী, অভিভাৱক, শুভাকাংক্ষী আৰু সংগীতানুৰাগীৰ উপস্থিতিত অনুষ্ঠিত হৈ যায়। শিক্ষাৰ্থীসকলে তেওঁলোকৰ অপৰিসীম প্ৰতিভাৰে এটাৰ পাছত এটা সুমধুৰ অসমীয়া, হিন্দী তথা পাশ্চাত্য সংগীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানটোৰ আৰম্ভণিতে অসমৰ বিশিষ্ট বাঁহীবাদক পৰমেশ্বৰ বসুমতাৰীয়ে বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছত অসম তথা ভাৰতবৰ্ষৰ স্বনামধন্য সংগীত শিল্পী ক্ৰমে অপূৰ্ব বেজবৰুৱা, লতা মংগেশকাৰ, বাপ্পী লাহিড়ী আৰু কে কেৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। পৰিস্মিতা বৰদলৈ আৰু মামণি বকতিয়ালে সুন্দৰভাৱে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানটো আৰম্ভ হৈছিল নভ্যা বাউৰীৰ দ্বাৰা পৰিৱেশিত বিখ্যাত 'ৰঘুপতি ৰাঘৱ ৰাজা ৰাম' ভজনটোৰ সুৰেৰে। ইয়াৰ লগে লগে চ্যোনী কলিতা, দেবানুজ গগৈ, ধানিষ্ঠা দেৱী, ৰুচিৰ বৰদলৈ, অয়ন কলিতা, পৰীক্ষিত বড়ো, ধৃতিৰাজ কলিতা, প্ৰিয়াংশু শইকীয়া, দূবৰি কলিতা, নিহাল কাশ্যপ, লভ্যা আগৰৱালা, আৰিয়ন কাশ্যপ গগৈ, তেজাঞ্চি জয়ন্তম, কুনাল দাস, ছেমছ হাজৰিকা, দীপ্তাংশু পাটগিৰি, জৰ্ণভ চক্ৰৱৰ্তী, মৃণাভ চলিহা, মায়াংক চক্ৰৱৰ্তী, মিলিন্দ চৌধুৰী, নিকুঞ্জ বাউৰী আদি শিক্ষাৰ্থীয়ে গিটাৰ, পিয়ানো আৰু কী ব'ৰ্ডত অসমীয়া, হিন্দী আৰু পাশ্চাত্য সুৰৰ ঝংকাৰ তুলি সাংস্কৃতিক অনুষ্ঠানটো মনোৰম কৰি তোলে। অতিথি শিশু শিল্পী নিশিতা কলিতাৰ গীত পৰিৱেশন, দিক্ষিতা পাটগিৰিৰ ভাৰত নাট্যম, নিকিতা দেৱীৰ কথক আৰু য়ুভিকা জে শৰ্মাৰ বিহু নৃত্যই অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। শেষত ছাত্ৰ-ছাত্ৰীক সংগীত শিক্ষাৰ পৰীক্ষাৰ উত্তীৰ্ণৰ প্ৰমাণপত্ৰ আৰু বঁটা প্ৰদান কৰা হয়।






### অসম অলিম্পিক, ৰাজ্য চৰকাৰ, প্ৰশাসন তথা ভিন্ন বিভাগৰ সমন্বয়হীনতাৰ ভুক্তভোগী জিলাৰ পৰা অহা নৱ প্ৰতিভা

# আয়োজনত অনভিজ্ঞতা কিন্তু যুৱ তাৰকাৰ ক্ৰীড়া চমক





**গুৱাহাটী, ২৩ জুলাই ঃ** চলিত অসম যুৱ অলিম্পিক ২০২২ৰ আজি দ্বিতীয় দিনা সকলো ষ্টেডিয়ামতে বিভিন্ন খেল অনুষ্ঠিত হয়। আয়োজক, চৰকাৰ, প্ৰশাসন তথা অন্য বিভাগৰ সমন্বয় নথকাৰ বাবে খেল আয়োজনত নানান বেমেজালি দেখা দিছে যদিও যুৱ খেলুৱৈসকলে উৎসাহে এই প্ৰতিযোগিতাত অংশ লৈ নিজৰ প্ৰতিভাৰ চমক দিছে। উল্লেখ্য যে ফুটবলৰ এক ৰোমাঞ্চকৰ খেলত আজি কৰিমগঞ্জ দলে কোৱাৰ্টাৰ ফাইনেলত নিৰ্ধাৰিত সময়ৰ শেষত খেল ড্ৰ হোৱাৰ পাছত টাইব্ৰেকাৰত বাগসাৰ বিৰুদ্ধে জয়লাভ কৰি ছেমি ফাইনেলত উপনীত হৈছে। গুৱাহাটীস্থিত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ নিউ ফিল্ডত অনুষ্ঠিত ল'ৰাৰ ফুটবল প্ৰতিযোগিতাৰ নকআউত পৰ্যায়ৰ এখন খেলত মৰিগাঁৱে কোকৰাঝাৰক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হয়। ইফালে, আন এখন খেলত শিৱসাগৰে গোলাঘাটক ৪-১ টাইব্ৰেকাৰত পৰাস্ত কৰে।

**চাইক্লিং ঃ** ইফালে, ২০ কিলোমিটাৰ চাইক্লিঙৰ ছোৱালীৰ শাখাত কামৰূপৰ জাষ্টিন কাশ্যপে শীৰ্ষ স্থান নিশ্চিত কৰিবলৈ সক্ষম হয়। লখিমপুৰৰ হীৰা বসুমতাৰীয়ে দ্বিতীয় স্থান লাভ কৰাৰ বিপৰীতে ডিব্ৰুগড়ৰ ডলী ৰাণী দুৱৰাই তৃতীয় স্থান অৰ্জন কৰে। ইফালে, ৬০ কিলোমিটাৰ চাইক্লিং খেলৰ ল'ৰাৰ শাখাত কামৰূপৰ মানৱজ্যোতি টেৰণে শীৰ্ষ স্থান লাভ কৰিবলৈ সক্ষম হয়। দ্বিতীয় স্থান অধিকাৰ কৰে কামৰূপৰ চেমছন ইংতিয়ে আৰু তৃতীয় স্থান লাভ কৰে কামৰূপৰে প্ৰিয়াঞ্জু ডেকাই। ইফালে, ৪০ কিলোমিটাৰ চাইক্লিং একক শাখাত কামৰূপৰ ৰিমঞ্জু ৰয়ে প্ৰথম স্থান লাভ কৰে। দ্বিতীয় স্থানত থাকে কামৰূপৰ চেমছন ইংতি আৰু কামৰূপৰ বিশাল জ্যোতি ডেকা তৃতীয় স্থানত উপনীত হয়। ইফালে, ২০ কিলোমিটাৰ চাইক্লিং ছোৱালীৰ একক শাখাত লখিমপুৰৰ হীৰা বসুমতাৰীয়ে শীৰ্ষ স্থান দখল কৰি বিজয়ী হয়। আনহাতে, কামৰূপৰ দেৱীকা শৰ্মাই দ্বিতীয় স্থানত আৰু ডিব্ৰুগড়ৰ ডলী ৰাণী দুৱৰাই তৃতীয় স্থানত উপনীত হয়।

**জুডো ঃ** অসম যুৱ অলিম্পিক ২০২২ ৰ আজি হোৱা জুডো খেলত ৫০ কিলোগ্ৰাম শাখাত ডিব্ৰুগড়ৰ অভিনৱ গগৈয়ে শীৰ্ষ স্থান দখল কৰে আৰু কাৰ্বি আংলঙৰ নলবীৰ নাৰ্জাৰীয়ে দ্বিতীয় আৰু ধেমাজিৰ ৰাজ দেউৰী তথা কোকৰাঝাৰৰ বিৰ্দাও বসুমতাৰীয়ে ক্ৰমান্বয়ে তৃতীয় আৰু চতুৰ্থ স্থান লাভ কৰে। ইফালে, জুডোৰ ছোৱালীৰ ৪০ কিলোগ্ৰাম শাখাত কাৰ্বি আংলঙৰ মনিকা কে আপ্পিয়ে শীৰ্ষ স্থান লাভ কৰে। চৰাইদেউৰ শিল্পাৰাণী তাপাদাৰে দ্বিতীয় হয়। ৪৪ কিলোগ্ৰাম অনুৰ্ধৰ ছোৱালী শাখাত কাৰ্বি আংলঙৰ পূৰৱী শৰ্মাই শীৰ্ষ স্থান লাভ কৰে। আনহাতে, ধেমাজিৰ জ্যোতিলোটা দেউৰীয়ে দ্বিতীয় স্থানত উপনীত হয়। নগাঁৱৰ ৰুইমালী বসুমতাৰীয়ে লাভ কৰে তৃতীয় স্থান। তদুপৰি, ৪৮ কিলোগ্ৰামৰ ছোৱালী শাখাত নগাঁৱৰ লাইমুন দৈমাৰীয়ে শীৰ্ষ স্থান লাভ কৰে আৰু তিনিচুকীয়াৰ মনীষা দত্ত তথা গুৱাহাটীৰ ভূমি লিম্বুৱে ক্ৰমান্বয়ে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। কাৰ্বি আংলঙৰ সোমাইনা বসুমতাৰীয়ে চতুৰ্থ স্থানত উপনীত হয়।

**ফেন্সিং ঃ** অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ ৰ আজি হোৱা ফেন্সিং খেলত ফইল গাৰ্লছ শাখাত ধেমাজিৰ পলমণি বৰগোহাঁয়ে শীৰ্ষ স্থান দখল কৰে। দ্বিতীয় স্থানত গোৱালপাৰাৰ বেৰিস্মিতা ৰাভা আৰু তৃতীয় স্থানত গুৱাহাটীৰ দেৱীকা বৰা আৰু তিনিচুকীয়াৰ অস্মিতা দাস উপনীত হয়। ছাবৰি গাৰ্ল শাখাত গুৱাহাটীৰ হিমাশ্ৰী মৰাণে শীৰ্ষ স্থান লাভ কৰে আৰু ওদালগুৰিৰ প্ৰিয়ংকা বড়োৱে দ্বিতীয় তথা তৃতীয় স্থান দখল কৰে তিনিচুকীয়াৰ ডলী গগৈ আৰু শিলচৰৰ তনুশ্ৰী সিংহই। ইপি গাৰ্ল শাখাত তিনিচুকীয়াৰ কৰিশ্মিতা মৰাণে শীৰ্ষ স্থান লাভ কৰে। আনহাতে, তিনিচুকীয়াৰ চয়ানিকা গগৈয়ে দ্বিতীয় আৰু ডিব্ৰুগড়ৰ সীতা তালি তথা গুৱাহাটীৰ সুকন্যা বৰাই তৃতীয় স্থান দখল কৰে।

**বৰষুণৰ বাবে পৰিত্যক্ত ছোৱালীৰ হকীৰ ছেমিফাইনেল ঃ** চলিত অসম যুৱ অলিম্পিক ২০২২ ৰ আজি দ্বিতীয় দিনা মহিলা হকীৰ ছেমিফাইনেল মেচ চলি থকা সময়তে ধাৰাসাৰ বৰষুণ দিয়াত খেল আধাতে বন্ধ ৰাখিব লগা হয়। উল্লেখ্য যে মহিলা হকীৰ ছেমিফাইনেলত তিনিচুকীয়াই ডিব্ৰুগড়ৰ বিৰুদ্ধে খেলাৰ বিপৰীতে গুৱাহাটীয়ে নগাঁৱৰ বিৰুদ্ধে খেলিছে। এতিয়া মেচ দুখন কাইলৈ হ'ব। কিন্তু সূচী অনুসৰি কাইলৈ বিয়লি ফাইনেল হ'ব লাগিছিল। তেনেক্ষেত্ৰত খেল পৰিচালকে কি সিদ্ধান্ত ল'ব সেয়া গুৰুত্বপূৰ্ণ। উল্লেখ্য যে ভেটাপাৰাৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মহিলা হকীৰ গ্ৰুপৰ খেলত গুৱাহাটীয়ে তেজপুৰক ২-০ গ'লত, তিনিচুকীয়াই হোজাইক ১-০ গ'লত, নগাঁও দলে হাইলাকান্দিক ১৪-০ গ'লত আৰু ডিব্ৰুগড়ে মৰিগাঁৱক ১১-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল।

ইয়াৰ উপৰিও আজি মালিগাঁৱত বাস্কেটবল, আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পত বেডমিণ্টন লগতে যোগা, কাবাদী, কাৰাটে, টেনিছ, খো-খো, নেটবল আদি আৰম্ভ হয়।

## অভিলেখ গঢ়ি এদিনীয়া ক্ৰিকেটত এহেজাৰ ৰাণ শ্ৰেয়াছ আয়াৰৰ

**প'ৰ্ট অৱ স্পেইন, ২৩ জুলাই ঃ** ভাৰতীয় দলৰ নিৰ্ভৰযোগ্য মিডল অৰ্ডাৰ বেটাৰ শ্ৰেয়াছ আয়াৰে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা প্ৰথমখন মেচত নিজৰ অৰ্ধশতকীয় ইনিংছৰ জৰিয়তে অৰ্জন কৰিছে এক ঈৰ্ষণীয় সাফল্য। ভাৰতৰ হৈ তিনি নম্বৰ স্থানত বেটিং কৰিবলৈ অহা আয়াৰে ৫৪ ৰানৰ ইনিংছটোৰে এদিনীয়া কেৰিয়াৰত এহেজাৰ ৰান সম্পূৰ্ণ কৰে। নিজৰ এদিনীয়া কেৰিয়াৰত এহেজাৰ ৰান সম্পূৰ্ণ কৰিবলৈ আয়াৰক প্ৰয়োজন হয় ২৫ টা ইনিংছৰ। এইদৰে তেওঁ আন্তঃৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেটত এহেজাৰ ৰানৰ সীমা স্পৰ্শ কৰা ভাৰতীয় ক্ৰিকেটাৰৰ ক্ষেত্ৰত যুটীয়াভাৱে দ্বিতীয় দ্ৰুততম বেটাৰ হিচাপে পৰিগণিত হয়।



মেচখনত ভাৰতীয় অপেনাৰদ্বয় শিখৰ ধাৱান আৰু শুভমন গিলে দলক এক সুদৃঢ় আৰম্ভণি প্ৰদান কৰাৰ পিছত আয়াৰে ৫৭ টা বলত ৫৪ ৰাণ সংগ্ৰহ কৰে। উল্লেখ্য যে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত এহেজাৰ ৰান সংগ্ৰহ কৰা দ্ৰুততম ভাৰতীয়ৰ ৰেকৰ্ড আছে তাৰকা ক্ৰিকেটাৰ তথা প্ৰাক্তন অধিনায়ক বিৰাট কোহলী আৰু অভিজ্ঞ অপেনাৰ শিখৰ ধাৱানৰ নামত। ধাৱান আৰু কোহলীয়ে ২৪ টা ইনিংছত এহেজাৰ ৰানৰ মাইলষ্ট'ন স্পৰ্শ কৰিছিল। আয়াৰে ২৫ টা ইনিংছত এহেজাৰ ৰানৰ সীমা অতিক্ৰম কৰাৰ লগে লগে এই তালিকাত প্ৰাক্তন ক্ৰিকেটাৰ নৱজ্যোত সিং সিন্ধুৰ সৈতে যুটীয়াভাৱে দ্বিতীয় দ্ৰুততম বেটাৰ হিচাপে স্বীকৃত হয়। তদুপৰি আয়াৰে মেচখনত আন এক কৃতিত্বও অৰ্জন কৰিছে। নিজৰ প্ৰথম ২৫ টা এদিনীয়া ইনিংছত ১০ টা অৰ্ধ-শতক আৰু এটা শতকসহ মুঠ ১১ বাৰ ৫০ ৰ ওপৰত স্ক'ৰ অৰ্জন কৰিছে আয়াৰে। আন্তঃৰাষ্ট্ৰীয় এদিনীয়াত প্ৰথম ২৫ খন মেচত এইদৰে সৰ্বাধিক পঞ্চাশোধিক ৰান সংগ্ৰহ কৰা ভাৰতীয় খেলুৱৈৰ ভিতৰত দ্বিতীয় স্থানলৈ উন্নীত হয় আয়াৰ। এই তালিকাত আয়াৰে অতিক্ৰম কৰে কোহলীৰ দৰে তাৰকাক। এই ক্ষেত্ৰত আয়াৰতকৈ আগত আছে কেৱল প্ৰাক্তন তাৰকা নৱজ্যোত সিং সিদ্ধু।

### আজি কুইন্স পাৰ্ক অভেলত দ্বিতীয় এদিনীয়া

## ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে ভাৰতৰ জয়

**প'ৰ্ট অৱ স্পেইন, ২৩ জুলাই ঃ** ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা প্ৰথমখন মেচত ৰোমাঞ্চকৰ তিনি ৰাণত জয়ী হৈ তিনিখনীয়া শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছে। যোৱানিশা প্ৰথমে বেটিং কৰা ভাৰতে নিৰ্ধাৰিত অভাৰত সাত উইকেট হেৰুৱাই ৩০৮ ৰাণ কৰে। দলৰ হৈ অধিনায়ক শিখৰ ধাৱনে ৯৭, শুভমন গিলে ৬৪ আৰু শ্ৰেয়াছ আয়াৰে ৫৫ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত অভাৰত ছয় উইকেট হেৰুৱাই ৩০৫ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ঘৰুৱা দলৰ হৈ মায়েৰ্ছে ৭৫, ব্ৰেণ্ডন কিঙে ৫৪ ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ হৈ মহম্মদ চিৰাজ, শ্বাৰ্দুল ঠাকুৰ আৰু যুজবেন্দ্ৰ চাহালে দুটাকৈ উইকেট পায়। মাত্ৰ তিনি ৰানৰ বাবে শতকৰ পৰা বঞ্চিত হোৱা ভাৰতীয় অধিনায়ক ধাৱান মেচৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয়। উল্লেখ্য যে ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ অনুষ্ঠিত হ'ব কুইন্স পাৰ্ক অভেলত।



## দেৰগাঁৱত ৰাজ্যিক আশিহাৰা কাৰাটে প্ৰতিযোগিতা আৰম্ভ

**দেৰগাঁও, ২৩ জুলাই ঃ** দেৰগাঁও আশিহাৰা কাৰাটে স্কুলৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত দেৰগাঁও নৰেন শৰ্মা স্মৃতি পথাৰত আজিৰে পৰা আৰম্ভ হৈছে দ্বিতীয় বাৰ্ষিক ৰাজ্যিক আশিহাৰা কাৰাটে প্ৰতিযোগিতা। অসমৰ বিভিন্ন প্ৰান্তৰ সাত শতাধিক প্ৰতিযোগীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত প্ৰতিযোগিতা আজি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে দেৰগাঁৱৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালীয়ে। ইয়াৰ পূৰ্বে পতাকা উত্তোলন কৰে আয়োজক সমিতিৰ সভাপতি অভিজিত বৰা আৰু আচিহাৰাৰ ৰাজ্যিক বিষয়ববীয়া হেমন্ত বৰঠাকুৰে । কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়েও প্ৰতিযোগিতা স্থলীত উপস্থিত হৈ খেলুৱৈ সকলক উৎসাত কৰে। কাইলৈ প্ৰতিযোগিতাখন অন্ত পৰিব।




## চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

**চামতা, ২৩ জুলাই ঃ** নলবাৰী জিলাৰ চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ এখনি বিশেষ গুৰুত্বপূৰ্ণ সাধাৰণ সভা অহা ২৪ জুলাইত সংঘৰ নৱ-নিৰ্মিত ষ্টেডিয়ামত আহ্বান কৰা হৈছে । এই সভাত ৪২ সংখ্যক নৰোৰাম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ বাকী থকা ছেমি ফাইনেল আৰু ফাইনেল খেলৰ দিন নিৰ্ণয়ৰ লগতে আগন্তুক ৪৩ সংখ্যক নৰোৰাম ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি সাধাৰণ সম্পাদক বিকাশ ভট্টাচাৰ্যই জনাইছে।

## এ ডিভিজন ফুটবল লীগত যোৰহাট টাউন ক্লাব জয়ী

**যোৰহাট, ২৩ জুলাই ঃ** যোৰহাট এ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি বি গ্ৰুপৰ খেলত যোৰহাট টাউন ক্লাবে অল ষ্টাৰ ক্লাবক ৩-১ গ'লত পৰাভূত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হয়। এই জয়েৰে টাউন ক্লাবে লীগৰ চাৰিখন খেলত জয়ীহৈ ১২ পইন্ট সংগ্ৰহ কৰি বি গ্ৰুপত চেম্পিয়ন হ'বলৈ সক্ষম হৈছে আৰু ছেমি ফাইনেলত প্ৰৱেশ কৰিছে । আনহাতে, বি গ্ৰুপৰ তিনিখন খেলত অংশ গ্ৰহণ কৰা অল ষ্টাৰ ক্লাবে লীগৰ দুখন খেলত জয়ীহৈ তথা এখনত পৰাজয় চিকাৰ কৰি মুঠ ছয় পইন্ট সংগ্ৰহ কৰি বি গ্ৰুপৰ দ্বিতীয়টো দল হিচাপে ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। আজি খেলৰ চাৰি মিনিটত যোৰহাট টাউন ক্লাবৰ বিবেক গুৰুঙে গ'ল দি ১-০ ত টাউন ক্লাবক অগ্ৰগতি প্ৰদান কৰে। পুনৰ ১৪ আৰু ১৮ মিনিটত বিবেক গুৰুঙে গ'ল দি প্ৰথমাৰ্ধত ৩-০ গ'লত অগ্ৰগতি লাভ কৰে দলক। দ্বিতীয়াৰ্ধৰ ৭২ মিনিটত অল ষ্টাৰ ক্লাবৰ জৰ্দান লাংমে গ'ল দি ব্যৱধান ৩-১ লৈ হ্ৰাস কৰে। খেল পৰিচালনা কৰে সুমন্ত দত্তই । লাইনত বিমান বুঢ়াগোহাঁই আৰু পৱন পাঠক। চতুৰ্থ ত্ৰিনোজ বড়া। ২৪ জুলাই খেল ঃ ভিক্টোৰিয়াছ ক্লাব বনাম গোহাঁই টেকেলা ফুটবল ক্লাব।



### ৰাজ্যিক পাঞ্জা চেম্পিয়নশ্বিপৰ সফল সামৰণি

## ৰোমান হাজৰিকা, ইশাৰাণী বৈশ্য দেৱী দৈমাৰী,দেৱজিৎ শৰ্মা শ্ৰেষ্ঠ

বিশেষ সংবাদদাতা

**নগাঁও,২৩ জুলাই ঃ** দুদিনীয়া সদৌ অসম পাঞ্জা চেম্পিয়নশ্বিপৰ আজি সন্ধিয়া সফল সামৰণি পৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰমন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰি ৰাজ্য খনৰ বিভিন্ন প্ৰান্তৰ পৰা আহি চেম্পিয়নশ্বিপখনত অংশগ্ৰহণ কৰা খেলুৱৈ সকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে বৰ্তমানৰ মুখ্যমন্ত্ৰী ড হিমন্তবিশ্ব শৰ্মাই ৰাজ্য খনৰ ক্ৰীড়া ক্ষেত্ৰখনৰ আন্তঃগাৰ্থনি উন্নয়ণ তথা নবীন-প্ৰবীন খেলুৱৈ সকলৰ বাবে বিশেষ দৃষ্টি ৰাখিছে বুলিও মন্তব্য আগবঢ়ায়। কালিৰে পৰা অনুষ্ঠিত হোৱা এই চেম্পিয়নশ্বিপ খনৰ বিভিন্ন শাখাত অংশ গ্ৰহণ কৰা প্ৰতিযোগী সকলৰ ভিতৰত জুনিয়ৰ ল'ৰা শাখাৰ চেম্পিয়ন অৱ দ্যা চেম্পিয়ন হিচাপে ৰুমান হাজৰিকা (নগাঁও) আৰু জুনিয়ৰ ছোৱালী শাখাৰ চেম্পিয়ন অৱ চেম্পিয়ন হিচাপে ইশাৰানী বৈশ্যই খিতাপ লাভ কৰে। আনহাতে, ছিনিয়ৰ ছোৱালী শাখাৰ চেম্পিয়ন অৱ দ্যা চেম্পিয়ন হিচাপে দেৱী দৈমাৰী (গোলাঘাট) আৰু ছিনিয়ৰ ল'ৰাৰ শাখাত দেৱজিৎ শৰ্মাই (কামৰূপ) চেম্পিয়ন অৱ দ্যা চেম্পিয়ন হিচাপে খিতাপ অৰ্জন কৰে। খেলৰ অন্তত চেম্পিয়ন অৱ চেম্পিয়নৰ বঁটা সমূহ নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শৰৎ বৰকটকী , নগাঁৱৰ উপ-আৰক্ষী অধীক্ষক ত্ৰিদিপ কুম্বাং,নগাঁও এ ডি পি কলেজৰ অধ্যাপক ডঃ মিলন নেওগ আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে আনুষ্ঠানিকভাৱে প্ৰদান কৰে।





## সদৌ অসম কালাৰিপায়াট্টু চেম্পিয়নশ্বিপলৈ যোৰহাট জিলা দল ঘোষণা

**যোৰহাট, ২৩ জুলাই ঃ** গুৱাহাটীত ৩০ আৰু ৩১ জুলাইত অনুস্থিত হ'ব লগীয়া দ্বিতীয় সদৌ অসম কালাৰিপায়াট্টু চেম্পিয়নশ্বিপলৈ যোৰহাট জিলাৰ দলটো ঘোষণা কৰা হৈছে । নিৰ্বাচিত খেলুৱৈসকল হ'ল ঃ ল'ৰাৰ শাখাত, আশিকুৰ ৰহমান, তুষাৰ গগৈ, হেমেন হাজৰিকা, মধু প্ৰিয়ম শইকীয়া, ঋষি বৰা, নৱজোতি গগৈ, শুভম মজুমদাৰ, ৰাগ ৰিতম হাজৰিকা, অংশু পাল, ৰাঘৱ তাঁতী, জিশান পাল। আনহাতে, ছোৱালীৰ শাখাত ঃ মাৰ্টিনা গগৈ, শ্ৰুতি দত্ত, প্ৰিয়াসী চুতীয়া, মধু শৰ্মা, পূজা চেত্ৰী, কৃষ্টিছায়া শইকীয়া, কৃষাণী হাজৰিকা আৰু হৰ্ষিতা পি বৰুৱা। দলটোক নেতৃত্ব দিব যোৰহাট জিলা কালাৰিপায়াট্টু সন্থাৰ সাধাৰণ সম্পাদক তথা মুখ্য প্ৰশিক্ষক মৃণাল কুমাৰ শইকীয়া আৰু প্ৰশিক্ষক চিন্ময়ী ৰাজখোৱাই।

## গুৱাহাটী চিটী এফ চি-কাজিৰঙা এফ চি ছেমিফাইনেলত প্ৰৱেশ

**গুৱাহাটী, ২৩ জুলাই ঃ** নেহৰু ষ্টেডিয়ামত চলি থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ অনূৰ্ধ্ব ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজনত ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে ডিফেণ্ডিং চেম্পিয়ন গুৱাহাটী চিটী এফ চিৰ লগতে কাজিৰঙা এফ চিয়ে । আজি অনুষ্ঠিত গ্ৰুপ এ ৰ এখন গুৰুত্বপূৰ্ণ খেলত গুৱাহাটী চিটী এফ চিয়ে এনকেএছএফচিচিক ২৩-০ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰি গ্ৰুপৰ বিজয়ী হিচাপে ছেমিফাইনেলত প্ৰৱেশ কৰে । গুৱাহাটী চিটীৰ হৈ ভৱেশ দলৈ আৰু ভুৱন ৰায়ে চাৰিটাকৈ গ'ল কৰাৰ বিপৰীতে তুষাৰদীপ বৰ্মন আৰু দিব্যপ্ৰতিম বসুমতাৰীয়ে হেটট্ৰিক কৰে । আনহাতে, গ্ৰুপ বিৰ এখন খেলত হাণ্টোছ এফচিয়ে কাজিৰঙা এফচিক ২-১ গ'লত পৰাস্ত কৰে যদিও গ'লৰ হাৰত কাজিৰঙাই গ্ৰুপৰ বিজয়ী হিচাপে ছেমিফাইনেলত প্ৰৱেশ কৰে । আন খেলসমূহত বিজয়ৰ ধাৰা অক্ষুণ্ণ ৰাখি গ্ৰুপ ডিত উদয়ন কৃষ্টি সংঘই চান্দমাৰী এফচিচিক ৩-০ গ'লত পৰাস্ত কৰে । গ্ৰুপ ডিৰ আন এখন খেলত পেগাছাছ এফচিয়ে গুৱাহাটী ইয়ং ষ্টাৰ এফচিচিক ৩-২ গ'লত পৰাস্ত কৰে । কাইলৈৰ খেলসমূহ ঃ গুৱাহাটী ইয়ং ষ্টাৰ এফচিচি বনাম চান্দমাৰী এফচিচি । পেগাছাছ এফচি বনাম উদয়ন কৃষ্টি সংঘ। আকাশ এফচি বনাম নাৰেংগী এফচিচি।

## প্ৰাইজমানি স্কুল টুৰ্ণামেণ্ট আয়োজন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৩ জুলাই ঃ** শুৱালকুছি ক্ৰীড়া সন্থাই আয়োজন কৰিব লগা আসন্ন কেবাখনো প্ৰতিযোগিতাৰ দিন নিৰ্ধাৰণ কৰিছে।। সেই অনুসৰি ২৮ জুলাইত স্কুল পৰ্যায়ৰ ফুটবল প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ক্ৰীড়া সন্থাৰ উদ্যোগত সংগঠক খনিন বৈশ্যৰ সোঁৱৰণত শুৱালকুছি উন্নয়ন খণ্ড ভিত্তিত সাত আগষ্টত প্ৰাইজমানি স্কুল টুৰ্ণামেণ্টৰ আয়োজন কৰিছে শুৱালকুছি ক্ৰীড়া সন্থাই। তদুপৰি তৰণী কান্ত মেধি সোঁৱৰণি আন্তঃক্লাব ফুটবল লীগ আঠ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব । আনহাতে ন আগষ্টৰ পৰা কামৰূপ জিলা আন্তঃক্লাব ফুটবল লীগৰ আয়োজন কৰিছে । সবিশেষ জানিবৰ বাবে ৯১০১২৩৭৮৩১ বা ৯৮৬৪৭৯৬১৭৮, ৮৬৩৮২৩২৯১১ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## সঞ্জীৱন সমাজ দলৰ সহজ জয়লাভ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২৩ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ সম্প্ৰতি আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। এই লীগৰ আজিৰ খেলত ডিফেণ্ডিং চেম্পিয়ন সঞ্জীৱন সমাজে উদয় সংঘক ৪-০ গ'লত সহজেই হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জনৰে এইবাৰো খিতাপ লাভৰ আশা সজীৱ কৰি ৰাখিছে। খেলখনত সঞ্জীৱন সমাজৰ হৈ লক্ষ্যজ্যোতি দাস আৰু পৰিৱৰ্তিত খেলুৱৈ প্ৰজ্ঞানজ্যোতি গগৈয়ে ক্ৰমে দুটাকৈ গ'ল দিয়ে। এই পৰ্যন্ত সঞ্জীৱন সমাজে নিজৰ ছখন খেলৰ এখনত পৰাজয় আৰু পাঁচখনত জয়লাভৰে মুঠ ১৫ পইণ্ট সংগ্ৰহ কৰিছে। দলৰ এখন খেল খেলিবলৈ বাকী আছে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী পাৰ্শজ্যোতি দাসক সহায় কৰে শৈলেন ভূঞা, কৃষ্ণকান্ত দাস আৰু দিব্যজ্যোতি শৰ্মাই। খেলখনত সঞ্জীৱন সমাজৰ আশ্বীক ইকবাল ফৰিদ শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।



দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ২৪ জুলাই, ২০২২ দেওবাৰ পৃষ্ঠা ১৬

# সিংহাসন পাহাৰৰ পৰা ৰোগীক কাপোৰৰ সাঙীত বান্ধি নিলে মাঞ্জা চিকিৎসালয়লৈ



## কাৰ্বি পাহাৰত তুলিৰাম ৰংহাং নেতৃত্বাধীন 'টীম কাৰ্বি আংলঙ'ৰ বিকাশৰ নমুনা

## দুৰ্গম পাহাৰীয়া অঞ্চলত যাতায়াতৰ দুৰৱস্থাৰ বাবেই মহিলা ৰোগীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ডংকামোকাম, ২৩ জুলাই ঃ** কাৰ্বি পাহাৰৰ আপাৰ দেইক্ৰুঙৰ ঘটনা মাৰ নৌযাওঁতেই আকৌ কাৰ্বি পৰিষদৰ সিংহাসন পাহাৰৰ বিনহোপ ধনছিং ৰংহাং গাঁৱতো সংঘটিত হ'ল অনুৰূপ ঘটনা। দুৰ্গম পাহাৰৰ বাট-পথ, দলং আৰু যাতায়াতৰ অসুবিধা বাবেই পুনৰ স্থানীয় ৰাইজে কাপোৰৰ সাঙীত বান্ধি কান্ধত তুলি মৃতপ্ৰায় ৰোগীক সিংহাসন নদী পাৰ কৰি কঢ়িয়াই নিবলগীয়া হৈছে মাঞ্জা চিকিৎসালয়লৈ। সম্প্ৰতি কাৰ্বি পাহাৰত বাট-পথ আৰু যাতায়াতৰ অসুবিধাৰ বাবেই সঘনাই সংঘটিত হোৱা এনে দৃশ্যই প্ৰতিজন লোকৰ ম'বাইল



ফোনত বন্দী হৈ সম্প্ৰতি সামাজিক মাধ্যম তোলপাৰ লগাই আছে। তৎসত্ত্বেও কুম্ভকৰ্ণ নিদ্ৰাত আছে বিজেপি নেতৃত্বাধীন ড° তুলিৰাম ৰংহাঙৰ 'টীম কাৰ্বি আংলঙ'ৰ কাৰ্বি পৰিষদ। দুৰ্গম পাহাৰীয়া লোকৰ দুখ-দুৰ্দশাৰ কথা অকণো ভাবিব নোৱৰা 'টীম কাৰ্বি আংলঙ'ৰ ৰাইজৰ ভোট আদায় কৰাৰ বাহিৰে আহৰি নাই দুৰ্দশাৰ বুজ লোৱাৰ। দুৰ্গম পাহাৰৰ একা-বেঁকা বাট-পথ, দলং আৰু যাতায়াতৰ দুৰৱস্থাই সুদীৰ্ঘ ৪০টা বছৰে জীয়াতু ভোগাই আহিছে বিনহোপ গাঁৱৰ ৰাইজক। ইপিনে, কালি বিয়লি পৰত মাঞ্জা চিকিৎসালয়লৈ নিয়াৰ পথত টেৰাংপী উপাধিৰ এগৰাকী মহিলাৰ মৃত্যু হয়। বিগত কিছু দিন ধৰি এনেকৈয়েই ধাৰাবাহিকভাৱে এটাৰ পাছত এটাকৈ ৰোগীক কাপোৰৰ সাঙীত কঢ়িয়াই নিয়া ঘটনাই কাৰ্বি পাহাৰৰ দুৰ্গম অঞ্চলসমূহত যথেষ্ট চিন্তাৰ উদ্ৰেক ঘটাইছে। অতিমাত্ৰা গৰমৰ বাবে বিভিন্ন ৰোগে দেখা দিয়াত ৰোগীক কাপোৰৰ সাঙীৰে কান্ধত লৈ ৰোগীক চিকিৎসালয়লৈ কঢ়িয়াই নিয়া দৃশ্যই সম্প্ৰতি কাৰ্বি পাহাৰৰ চৌদিশে জোঁকাৰণি তুলিছে। ইপিনে, তিনি দিনৰ পূৰ্বে সংঘটিত দেইক্ৰুঙৰ ঘটনাই বিভিন্ন বাতৰি কাকতৰ শিৰোনাম দখল কৰাত চৌদিশে তোলপাৰ লাগিছে যদিও আজি পৰ্যন্ত নিমাত হৈ আছে কাৰ্বি পৰিষদ। কাৰ্বি আংলং জিলাৰ অতিকৈ দুৰ্গম অঞ্চল তথা কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ সিংহাসন পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বিনহোপ ধনছিং ৰংহাং গাঁৱৰ ঘটনাৰ প্ৰতিচ্ছবিয়ে পুনৰ জিলাখনৰ বিজেপি নেতৃত্বাধীন ড° ৰংহাঙৰ 'টীম কাৰ্বি আংলঙ'ৰ উন্নয়নৰ ব্যৰ্থতাই স্পষ্ট কৰিছে বুলি আজি বিভিন্নজনে ক্ষোভ প্ৰকাশ কৰে। উল্লেখ্য যে সদৰ ডিফুৰ পৰা ৭০-৮০ কিলোমিটাৰ নিলগৰ অতিকৈ দুৰ্গম অঞ্চল বিনহোপ গাঁৱৰ পৰা মৃতপ্ৰায় ৰোগী মেনছিং মিলিকক অনা হৈছে মাঞ্জা চিকিৎসালয়লৈ।

# দেশতকৈ মোমাই ডাঙৰ নহয় ঃ বন ধ্বংসকাৰীক কটাক্ষ প্ৰকৃতিপ্ৰেমীৰ

## পথ নিৰ্মাণৰ ফলত চানডুবি বননিৰ প্ৰায় এহেজাৰ গছ কটা যোৱাৰ আশংকা ঃ প্ৰকৃতি ধ্বংস নোহোৱাকৈ পথ নিৰ্মাণৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**পলাশবাৰী, ২৩ জুলাই ঃ** পলাশবাৰীত নিৰ্মাণ হোৱা এটা পথৰ বাবে সম্প্ৰতি সেউজ প্ৰকৃতি ধ্বংস হোৱাৰ অভিযোগ উঠিছে। ইয়াৰ লগতে অঞ্চলটোৰ বনাঞ্চলৰ বহু মূল্যবান গছ কটা যোৱাৰো আশংকা কৰিছে স্থানীয় প্ৰকৃতিপ্ৰেমীয়ে। ইয়াৰ পৰিপ্ৰেক্ষিতত দক্ষিণ কামৰূপৰ অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চল তথা প্ৰকৃতিসৃষ্ট মনোৰম চানডুবিৰ সমীপৰ মুদুকী খেলপথাৰত আজি ৰাজাপাৰা বিষ্ণু ৰাভা যুৱ সংঘ, ৰাজাপাৰা আঞ্চলিক জনজাতীয় যুৱ সংঘ, হাতীগড় মিলনজ্যোতি যুৱ সংঘ আৰু জৰামুখৰীয়া যুৱ সংঘৰ উদ্যোগত তথা অঞ্চলটোবাসীৰ সহযোগত প্ৰকৃতি ৰক্ষাৰ বাবে এখন বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই ৰাজহুৱা সভাতে চানডুবিৰ বননি সংৰক্ষণৰ স্বাৰ্থত প্ৰকৃতি ধ্বংস নকৰাকৈ পথ নিৰ্মাণৰ দাবী জনোৱা হয়। সভাত উপস্থিতসকলে '(গছ) অক্সিজেন আমিহে উৎপন্ন কৰোঁ নৰ মনিযে নহয়', '(পক্ষী) শাল গছ সমূহেই আমাৰ বাসস্থান, গছসমূহ নাকাটিব', 'ওখ ডাঙৰ গছত আমি বাহ সাজো, আমাৰ অস্তিত্ব ৰক্ষা কৰক' আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰে। পলাশবাৰীৰ পৰা ৰাজাপাৰালৈ অসম চৰকাৰৰ



অসম মালা আঁচনিৰ অধীনত বহু কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কাৰ্য চলি থকা পথৰ বাবে চানডুবিৰ দাঁতি-কাষৰীয়া অঞ্চল তথা ৰাণীবাৰীৰ পৰা মুদুকী হৈ ৰাজাপাৰা চানডুবিলৈ পথটো বহল কৰিলে প্ৰায় এহেজাৰ জোপা মূল্যবান গছ কাটিবলগীয়া হোৱা বিষয়টোত সভাত উপস্থিত প্ৰকৃতিপ্ৰেমী ৰাইজে উদ্বেগ প্ৰকাশ কৰে। বননি ধ্বংস নকৰাকৈ অন্য বিকল্প পন্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক এই সভাৰ জড়িয়তে আহ্বান জনোৱাৰ লগতে বন বিভাগকো এই বিষয়টো গভীৰভাৱে চিন্তা কৰিবলৈ আহ্বান জনায় প্ৰকৃতিপ্ৰেমী ৰাইজে।

পক্ষীৰাজ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বৰদুৱাৰ ভোলাগাঁও ৰাভা ছাত্ৰ সন্থাৰ সভাপতি কমলেশ্বৰ ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ আলোচনী সম্পাদক দেৱজিৎ নাফা, কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক অশোক নংবাগ, চানডুবি পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য নৃপেন ৰাভা, ৰাভা ভাষা শিক্ষা ব'ৰ্ডৰ মুখ্য সচিব মাতিৰাম ৰাভা, দীপৰ বিল সুৰক্ষা মঞ্চৰ সম্পাদক প্ৰমোদ কলিতাৰ লগতে ৰাজহুৱা সভাখনত বহু সংখ্যক প্ৰকৃতিপ্ৰেমী লোক, চানডুবিক ভাল পোৱা সচেতন ৰাইজ তথা বিভিন্ন সংগঠনৰ সমল ব্যক্তিৰ লগতে উদ্যোক্তাসকল উপস্থিত থাকে। পুৰণি পথছোৱা বহলকৈ নিৰ্মাণ কৰিলে দুই-এজোপাহে গছ কাটিবলগীয়া হ'ব; কিন্তু পুৰণি পথছোৱাৰ বিপৰীতে সেউজ বনাঞ্চলৰ বক্ষ বিদাৰি কি কাৰণত নতুনকৈ পথ নিৰ্মাণ কৰিব বিচাৰিছে তাকলৈহে ৰহস্যৰ গোন্ধ পোৱা বুলিও একাংশই মন্তব্য কৰে। আনকি 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি আন একাংশই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰি প্ৰয়োজনত তীব্ৰ আন্দোলনৰ কাৰ্যসূচী হাতত ল'ব বুলিও হুংকাৰ দিয়ে। যিকোনো ত্যাগৰ বিনিময়ত হ'লেও ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰকৃতি ৰক্ষাৰ অংগীকাৰ কৰে সভাত উপস্থিত থকা প্ৰত্যেক সংগঠনৰ প্ৰতিনিধি তথা স্থানীয় লোকে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement prob-lem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

# কমেও চাৰি কোটি লোকে গ্ৰহণ কৰা নাই ক'ভিডৰ এপালিও প্ৰতিষেধক

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৩ জুলাই ঃ** ভাৰতত ক'ভিডৰ ব্যাপক টিকাকৰণত কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব দিয়াৰ সময়তো বৃহৎ সংখ্যক লোকে এতিয়াও নিজকে ইয়াৰ পৰা নিলগত ৰাখিছে। লোকসভাত কেন্দ্ৰীয় স্বাস্থ্য ৰাজ্যিক মন্ত্ৰী ভাৰতী প্ৰবীণ পাৱাৰে দাখিল কৰা এক বিবৃতিত উল্লেখ কৰা অনুসৰি এতিয়াও দেশৰ প্ৰায় চাৰি কোটি লোকে ক'ভিডৰ এপালি টিকাও গ্ৰহণ কৰা নাই। উল্লেখ্য যে দেশৰ প্ৰতিজন নাগৰিকক ক'ভিডৰ বিনামূলীয়া প্ৰতিষেধক তথা টিকা প্ৰদানৰ বাবে চৰকাৰে বয়সভেদে কে'বালানি কাৰ্যসূচী ৰূপায়ণ কৰাৰ উপৰি যোৱা ১৫ জুলাইৰ পৰা ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপনৰ লগত সংগতি ৰাখি ৬০ বছৰ উৰ্দ্ধৰ লোকসকলক বিনামূলীয়া সতৰ্কতামূলক পালি প্ৰদানৰো অভিযান আৰম্ভ কৰিছে। তৎসত্ত্বেও ইমান বৃহৎ সংখ্যক লোকে এপালিও প্ৰতিষেধক গ্ৰহণ নকৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিবৃতিটোত উল্লেখ কৰা অনুসৰি দেশত ক'ভিডৰ টিকাকৰণ আৰম্ভ হোৱাৰে পৰা যোৱা ১৮ জুলাই পৰ্যন্ত ১,৭৮,৩৮,৫২,৫৬৬ পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে। এই সময়ছোৱাত চৰকাৰী কেন্দ্ৰসমূহত ৯৭.৩৪ শতাংশ টিকাকৰণ হৈছে। প্ৰসংগক্ৰমে স্বাস্থ্য মন্ত্ৰণালয়ৰ দাবী অনুসৰি দেশৰ প্ৰাপ্ত বয়স্ক লোকসকলৰ ৯৮ শতাংশই ন্যূনতম এপালি হ'লেও ক'ভিডৰ টিকা গ্ৰহণ কৰিছে। ৯০ শতাংশ লোকৰ সম্পূৰ্ণ টিকাকৰণ হৈছে।



*চাহ কলত আঘাতপ্ৰাপ্ত মইনা নায়কৰ স্বাস্থ্যৰ বুজ ল'লে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই।*




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com